● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক
সামাজিক দায়বদ্ধতাত অবিচল
# অগ্ৰদূত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

**দিগ্‌দৰ্শন**

শীত অবিহনে বসন্ত ইমান আনন্দময় নহ'লহেঁতেন; জীৱনৰ কঠিনতাইহে সমৃদ্ধিক উপভোগ্য কৰি তোলে।

এনী ব্ৰেডষ্ট্ৰীট
*কবি-লেখক*



৫ বিজ্ঞান আৰু ভগৱান
১৫ টেষ্ট দলৰো অধিনায়ক পদ এৰিলে বিৰাটে
৪ ভালপোৱা এক দুৰ্লভ সৌৰভ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯৯তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ২ মাঘ ১৪২৮ ভাস্কৰাব্দ ১৬ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 16 January 2022 মূল্য ঃ ৯.০০ টকা


■ শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ ৰাষ্ট্ৰসংঘৰ ■ বিগত ২৪ ঘণ্টাত দেশত আক্ৰান্ত হ'ল আঢ়ৈ লক্ষাধিক ■ দেশত আক্ৰান্তৰ হাৰ ১৬.৬৬ শতাংশলৈ বৃদ্ধি পালে

# ডেল্টাৰ দৰে মাৰাত্মক হ'ব অ'মিক্ৰন

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৫ জানুৱাৰী ঃ** সম্প্ৰতি দেশজুৰি ক'ভিড সংক্ৰমণৰ হাৰ বহুগুণে বৃদ্ধি কৰা অ'মিক্ৰনেও ডেল্টাৰ দৰেই তাণ্ডৱৰ সৃষ্টি কৰিব পাৰে। এই আশংকা ৰাষ্ট্ৰসংঘৰ। ক'ভিডৰ শেহতীয়া প্ৰজাতি অ'মিক্ৰনৰ উপসৰ্গসমূহ মৃদু আৰু এই পৰ্যন্ত ই মাৰাত্মক হৈ উঠা নাই যদিও ৰাষ্ট্ৰসংঘৰ শেহতীয়া প্ৰতিবেদনৰ তথ্য অনুসৰি অচিৰেই বিপদ ১০ পৃষ্ঠাত চাওক





**ক'ভিড সংক্ৰমণ ঃ একতা সভাৰ নিৰ্বাচন বাতিল**

## ২১ জানুৱাৰীলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠদান বন্ধ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৫ জানুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ক'ভিডৰ সংক্ৰমণত বন্ধ কৰা হৈছে পাঠদান। বিশ্ববিদ্যালয়ৰ চৌহদৰ প্ৰায় সকলোতে ক'ভিডে জটিল ৰূপ ধাৰণ কৰাত ১০ পৃষ্ঠাত চাওক



২২ জানুৱাৰীলৈ অনুষ্ঠিত কৰিব নোৱাৰিব ৰাজহুৱা সভা-ৰোডশ্ব'

## নিৰ্বাচনমুখী পাঁচ ৰাজ্যত সভা-সমিতিত নিষেধাজ্ঞা অব্যাহত

ক'ভিডৰ পুনৰ তাণ্ডৱত সতৰ্ক আয়োগ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৫ জানুৱাৰী ঃ** পাঁচ ৰাজ্যৰ নিৰ্বাচনৰ পূৰ্বে সমাবেশ আৰু ৰোডশ্ব'ত ইতিমধ্যে দেশৰ নিৰ্বাচন আয়োগে আৰোপ কৰা নিষেধাজ্ঞাৰ ম্যাদ বৃদ্ধি কৰা হৈছে। অহা ২২ জানুৱাৰীলৈ এই নিষেধাজ্ঞা বৃদ্ধি কৰা বুলি সদৰী ১০ পৃষ্ঠাত চাওক

■ এতিয়া কেৱল উন্নয়ন কৰাৰহে সময় ■ নেহৰুবালিৰ ভোগালীৰ উৎসৱত ড° হিমন্ত বিশ্ব শৰ্মা ■ ২০২৫ত পূৰ্ণ বিশ্ববিদ্যালয়ৰূপে প্ৰতিষ্ঠা হ'ব নগাঁও মহাবিদ্যালয়

## বৰ্তমান মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ নহয় ঃ মুখ্যমন্ত্ৰী

বিশেষ সংবাদদাতা

**নগাওঁ, ১৫ জানুৱাৰী ঃ** 'ভোগালী বিহু আমি সম্পদৰ সময়ত পালন কৰো। ভোগালী বা মাঘ বিহুৰ এক ডাঙৰ বৈশিষ্ট্য হ'ল যি সময়ত আমি মাঘ বিহু পালন কৰো; সেই সময়ত আমাৰ ভৰাঁলসমূহ শস্যৰে উপচি থাকে। সেয়ে এই বিহুক আমি ভোগালী বিহু বুলি কওঁ।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি কলঙৰ বাকৰি নেহৰুবালিত সদৌ নগাওঁ ভোগালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজিত ১০৯সংখ্যক ভোগালী বিহু উৎসৱৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, 'স্বাভাৱিকতে ভোগালী বিহুৰ এক আনন্দ আছে আৰু ভোগালী বিহুৱে আমাৰ মাজত সমন্বয়ৰ এটা নতুন বান্ধোন সৃষ্টি কৰে। একপ্ৰকাৰ ক'বলৈ ১০ পৃষ্ঠাত চাওক

## বিজেপি বিধায়ক নহ'লে তিতাবৰত উন্নয়ন নহ'ব ঃ বৰা

কংগ্ৰেছৰ আবেগেৰে ৰাইজৰ পেট নভৰে ঃ ঠেঙাল নিৰ্বাচনী প্ৰচাৰত মন্ত্ৰী হাজৰিকা



অগ্ৰদূত বাৰ্তা

**মেলামাটি/তিতাবৰ ১৫ জানুৱাৰী ঃ** ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ ১০ পৃষ্ঠাত চাওক

প্ৰশাসনৰ বাধাত বাতিল বৈদ্যবৰী-আঁহতগুৰিৰ ঐতিহ্যময় ম'হ যুঁজ ঃ যুঁজ নহ'লে খঙাল ম'হক ধৰি ৰাখিব কোনে ঃ গোৱালৰ প্ৰশ্ন

## মৰিগাঁৱৰ বৈদ্যবাৰীত ম'হযুঁজ স্থলীত আয়োজক-আৰক্ষীৰ খণ্ডযুদ্ধ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও/ভূৰাগাঁও, ১৫ জানুৱাৰী ঃ** ক'ভিডৰ আতংকময় পৰিৱেশ-পৰিস্থিতিৰ বাবেই আজি পহিলা মাঘ মাহৰ দিনা ভোগালী বিহুৰ লগত বিশেষভাৱে সংগতি ৰাখি পৰম্পৰাগতভাৱে আয়োজন কৰা মধ্য অসমৰ ঐতিহ্যময় বৈদ্যবৰী আৰু আঁহতগুৰিৰ ম'হযুঁজ অৱশেষত বাতিল কৰিবলগীয়া হয়। মৰিগাঁও জিলাৰ অতি প্ৰাচীন এই দুখন ঐতিহ্যময় ম'হযুঁজ ক'ভিড পৰিস্থিতিৰ বাবেই বাতিল কৰিবলগীয়া হোৱাত পৰম্পৰা অটুট ৰাখিব নোৱৰাৰ লগতে ম'হযুঁজ প্ৰেমী স্থানীয় লোকৰ আশাত ১০ পৃষ্ঠাত চাওক







দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৬ জানুৱাৰী, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## নিৰ্বাচনৰ পূৰ্বে ঠেঙাল-কছাৰীৰ সৰ্বাংগীণ বিকাশৰ প্ৰতিশ্ৰুতি বিজেপিৰ

■ চৰকাৰৰ সহযোগিতাত তৰাছিৰা বিহু উদ্‌যাপনৰ প্ৰতিশ্ৰুতি ■ গুৱাহাটীত হ'ব ঠেঙাল ভৱন ■ সংকল্প পত্ৰ প্ৰকাশ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৫ জানুৱাৰী ঃ** অহা ২০ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ঠেঙাল-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পূৰ্বেই জনগোষ্ঠীটোৰ সৰ্বাংগীণ বিকাশৰ প্ৰতিশ্ৰুতি আজি ভাৰতীয় জনতা পাৰ্টি (বিজেপি)এ দিয়াৰ লগতে দলৰ প্ৰাৰ্থীসকলৰ বিজয় এশ শতাংশ নিশ্চিত বুলি দাবী কৰে। ৰাজ্যৰ শাসনাধিষ্ঠ দলটোৱে আজি নিৰ্বাচনক আঠ পৃষ্ঠাত চাওক

■ ক'ভিডৰ প্ৰতিষেধকক অৱজ্ঞা কৰাৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা ■ অসমত ১০ শতাংশৰ দিশে দৈনিক আক্ৰান্তৰ হাৰ ■ এদিনতে আক্ৰান্ত ৩,৩৯০ জন ■ অখিল গগৈৰ পত্নী-পুত্ৰও সংক্ৰমিত

# দৰমহা কৰ্তনসহ কঠোৰ নিৰ্দেশনা



শিৱসাগৰৰ বাণমুখত পৰম্পৰাগত নিয়মেৰে মেজি প্ৰজ্বলন।

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৫ জানুৱাৰী ঃ** অসমত ক'ভিডৰ সংক্ৰমণ দ্ৰুত বৃদ্ধিৰ পাছত প্ৰতিষেধক সময় মতে গ্ৰহণ নকৰাসকলৰ ক্ষেত্ৰত ৰাজ্যত কাইলৈৰ পৰা কাৰ্যকৰী হ'ব কঠোৰ নিষেধাজ্ঞা। তেনে বাধা-নিষেধৰ ফলত প্ৰতিষেধকক অৱজ্ঞা কৰাসকল পদে পদে বাধাৰ সন্মুখীন হ'ব। উল্লেখ্য যে অশমত কালি পৰ্যন্ত ৩,৯৭,৩৬,৭৫৩ পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। তাৰে প্ৰথম পালি ২,২৮,৪৬.৭১২ পালি গৰাকী লোকে গ্ৰহণৰ বিপৰীতে দ্বিতীয় পালি গ্ৰহণ কৰিছে ১,৬৮,৫২,২২২ গৰাকী লোকে। কিন্তু চৰকাৰে প্ৰতিষেধক প্ৰদানৰ মাত্ৰা বৃদ্ধি কৰাৰ কে'বালানি কাৰ্যসূচী গ্ৰহণ কৰা সত্ত্বেও লক্ষাধিক লোকে এই পৰ্যন্ত এপালিও প্ৰতিষেধক গ্ৰহণ কৰা নাই। তদুপৰি সময় উকলি সত্ত্বেও বহু লোকে দ্বিতীয় পালি গ্ৰহণৰ বাবে আগবাঢ়ি অহা নাই। এনে ক্ষেত্ৰত প্ৰতিষেধক গ্ৰহণ বাধ্যতামূলক কৰাৰ বাবে ইয়াক অৱজ্ঞা কৰাসকলক চেপি ধৰিব বিচাৰিছে চৰকাৰ তথা স্বাস্থ্য বিভাগে। সেই বাবে কাইলৈৰ পৰা বৈধ টিকাকৰণ অবিহনে কোনো লোকে চিকিৎসালয়ৰ বাহিৰে অন্য কোনো ৰাজহুৱা স্থানত প্ৰৱেশ কৰিব নোৱাৰিব। হোটেল, শ্বপিংমল আৰু অন্যান্য ব্যক্তিগত প্ৰতিষ্ঠানতো তেনে লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। বহু চৰকাৰী কমচাৰীয়েও আনকি প্ৰতিষেধক গ্ৰহণত গুৰুত্ব প্ৰদান কৰা নাই। সেইসকলক কাবু কৰিব বিচৰা হৈছে। জাৰি কৰা নিৰ্দেশনা অনুসৰি যিসকল কৰ্মচাৰীয়ে ঠিকা গ্ৰহণ কৰা নাই আৰু সময় হোৱা সত্ত্বেও যিসকলে দ্বিতীয় পালি গ্ৰহণ কৰা নাই তেওঁলোক সম্পূণ টিকাকৰণ নোহোৱালৈকে কাৰ্যালয়ত উপস্থিত থাকিব নোৱাৰিব। সেইখিনি সময়ৰ দৰমহা মজুৰি সংশ্লিষ্ট কৰ্মচাৰীসকলে লাভ নকৰিব। ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ'ব। আঠ পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ সুযোগ অসমৰ অৰণি এছ হাজৰিকাৰ



**গুৱাহাটী, ১৫ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰীৰ চান্দমাৰি কৃষ্ণনগৰস্থিত হ'লী চাইল্ড বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰী অৰণি এছ হাজৰিকাই অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ১৭ বছৰীয়া ছাত্ৰীগৰাকীয়ে বিশ্বৰ প্ৰথম স্থানৰ বিশ্ববিদ্যালয়খনে গ্ৰহণ কৰা চাৰিটাকৈ কঠিন সাক্ষাৎকাৰত মেধাৰ পৰিচয় দি এই সুযোগ লাভ কৰিছে। অৰণিয়ে ২০২২ৰ পৰা আৰম্ভ হ'বলগীয়া তিনিবছৰীয়া আঠ পৃষ্ঠাত চাওক

## নলবাৰীৰ দুই পিতা-পুত্ৰ হৰমোহন ভূএগ্ৰা, প্ৰণৱ (ৰাজু) ভূএগ্ৰাৰ তিনিটাকৈ পৰিয়ালক জীৱন দান

## মানৱতাৰ পৃথিৱীত এক নীৰৱ সংগ্ৰাম



■ আব্দুল মজিদ

**নলবাৰী, ১৫ জানুৱাৰী ঃ** আৰ্থিক সংকটত পৰি দিক-বিদিক হেৰুৱাই এদিন ল'ৰাজনে আত্মহত্যা কৰিম বুলি ৰেলত উঠি কলকাতালৈ গৈছিল। এজন ৰেলকৰ্মীয়ে তেওঁক ওভতাই আনি চমজাই দিছিল পৰিয়ালক। তাৰ পাছত ল'ৰাজনে চাইকেলত আমূলৰ উৎপাদিত সামগ্ৰী অলপ লৈ ফেৰী কৰি ঘূৰি ফুৰিছিল। আকস্মিকভাৱে এই দৃশ্য প্ৰত্যক্ষ কৰি আমূলৰ সেই সময়ৰ এজন বিষয়া মুকুল গোস্বামী, প্ৰয়াত গৌতম বৰুৱা আৰু উত্তৰ-পূৰ্বৰ পৰিচালন সঞ্চালক অপূৰ্ব মিশ্ৰই তেওঁলৈ যাচে আমূলৰ বিতৰক এজেঞ্চি। বিশেষ সহায়কৰূপে তেওঁৰ কাষত থিয় দিছিল আধুনিক দাহুদী গাঁও নিৰ্মাণৰ দুজন অন্যতম প্ৰয়াত মাধৱ ভূএগ্ৰা আৰু মিন্টু দত্ত। তদুপৰি নলবাৰীৰ কিষাণ জালেৰাল, তদানীন্তন উপায়ুক্ত সঞ্জীৱ কুমাৰ দাস, ভাৰতভূষণ দেৱচৌধুৰী, পূৰবী কোঁৱৰ, তদানীন্তন অতিৰিক্ত উপায়ুক্ত উদয়াদিত্য গগৈ, গুণজিত ৰায়চৌধুৰী, কল্পনা ডেকা আদিৰ সহযোগত তেওঁ বৰ্তমান এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। আমূলৰ সামগ্ৰী চাইকেলত ফেৰী কৰি ফুৰা লৰাজনে এতিয়া উভতি চাব লগা হোৱা নাই। নিজ পৰিয়াল পৰিচালনা কৰাৰ লগতে আঠ পৃষ্ঠাত চাওক

## ওদালগুৰিত মানৱ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

## অৰুণাচল সীমান্তত শিশু-মহিলাসহ ১৪ লোকক উদ্ধাৰ



বিশেষ সংবাদদাতা

**ওদালগুৰি, ১৫ জানুৱাৰীঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তত মানৱ সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে ভোগালী বিহুৰ প্ৰাকক্ষণত ওদালগুৰিৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ পৰা তিনি সন্দেহজনক সৰৱৰাহকাৰীক এছএছবিয়ে আটক কৰি জেললৈ প্ৰেৰণ কৰে। এছএছবিৰ সূত্ৰই সংবাদ মাধ্যমক সদৰী কৰা মতে, এক বিশেষ সূত্ৰৰ পৰা এছএছবিৰ ২৩ নম্বৰ লালপুল বেটেলিয়নে অৰুণাচললৈ মানৱ সৰৱৰাহৰ খবৰ লাভ কৰিছিল। উক্ত খবৰৰ ভিত্তিত এছএছবিৰ ২৩ নম্বৰ লালপুল বেটেলিয়নৰ অন্তৰ্গত ভৈৰৱকুণ্ড আৰু কছুবিল শাখাৰ উদ্যোগত অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী স্বপনগাঁৱত ১২ জানুৱাৰীত এক অস্থায়ী তালাচী গেট স্থাপন কৰে। উক্ত তালাচীৰ সময়ত এছএছবিৰ দলটোৱে দিনৰ ১১-১৫ বজাত এআৰ০৫-৭৮৪৩ নম্বৰৰ টাটা ডিআই বাহনক ৰখাবলৈ আঠ পৃষ্ঠাত চাওক

## লালুকত দুৰ্ঘটনাত এজন নিহত, আহত এক

অগ্ৰদূত বাৰ্তা

**লালুক, ১৫ জানুৱাৰী ঃ** ভোগালী বিহুৰ উৰুকাৰ হাই-উৰুমিৰ মাজতে লালুক দহমাইল নামৰ ঠাইত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হোৱা ঘটাই গভীৰ শোকৰ ছাঁ পেলাইছে। যোৱা ১৩ জানুৱাৰীৰ নিশা প্ৰায় ১০-৪৫ বজাত লালুক থানাৰ অন্তৰ্গত গড়মুৰ গাঁৱৰ অমৰ বিশ্বাসৰ পুত্ৰ অজিত বিশ্বাস (২৫) আৰু আন এজন যুৱক লালুকৰ পৰা উত্তৰ লখিমপুৰ চহৰৰ দিশেৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথেদি মটৰ চাইকেলেৰে গৈ আছিল। একে দিশেৰে গৈ থকা আন এখন মটৰ চাইকেলে পাছফালৰ পৰা খুন্দা মৰাৰ ফলত দুৰ্ঘটনাত আঠ পৃষ্ঠাত চাওক

## ঠেঙাল কছাৰী স্বায়ত্তপৰিষদৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

■ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত মন্ত্ৰী অজন্তা নেওগ-জয়ন্ত মল্লৰ প্ৰচাৰ ■ কাছমাৰী সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থীয়ে কঁপনি সৃষ্টি কৰিছে কংগ্ৰেছ-মিত্ৰজোঁটৰ অগপৰ ভেটি

অগ্ৰদূত বাৰ্তা


**মেৰাপানী, ১৫ জানুৱাৰী ঃ** অহা ২০ জানুৱাৰীত হ'ব লগা ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনক লৈ পৰিষদীয় সমষ্টিয়ে সমষ্টিয়ে তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ তিনি সমষ্টি ক্ৰমে ১৩ নম্বৰ কাছমাৰী সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীগৰাকী শক্তিশালী ৰূপত থিয় হোৱাত অগপ আৰু কংগ্ৰেছৰ ভেঁটিত কঁপনি সৃষ্টি কৰিছে। ইপিনে, ১৪ নম্বৰ চাউদাং পথাৰত মিত্ৰজোঁটৰ বিজেপি আৰু কংগ্ৰেছৰ মাজত হ'ব তুমুল প্ৰতিদ্বন্দ্বিতা। আনহাতে, ১৫ নম্বৰ চাউদাং-দৈয়াং সমষ্টিত বিজেপি আঠ পৃষ্ঠাত চাওক



দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ২ মাঘ ১৪২৭ ভাস্কৰাব্দ ১৬ জানুৱাৰী, ২০২২



## ইংৰাজী প্ৰেম



**অসম** চৰকাৰে এহাতে কেন্দ্ৰীয় নতুন শিক্ষানীতি (২০২০)ৰ স'তে সংগতি ৰাখি মাতৃভাষা, স্থানীয় বা আঞ্চলিক ভাষা চৰ্চা তথা গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাত গুৰুত্ব দিছে আৰু আনহাতে ৰাজ্যত এশৰো অধিক ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। চৰকাৰৰ এনে নীতিক বিভিন্নজনে দুমুখীয়া বুলি অভিযোগ উত্থাপন কৰা দেখা গৈছে। উল্লেখ্য যে ৰাজ্য চৰকাৰে এশৰো অধিক ইংৰাজী মাধ্যমৰ চৰকাৰী বিদ্যালয় স্থাপনৰ সিদ্ধান্ত গুজৰাট চৰকাৰৰ অৰ্হিতে লোৱা বুলি ক'ব পাৰি। গুজৰাট চৰকাৰেও যোৱা বছৰেই এশখন ইংৰাজী মাধ্যমৰ চৰকাৰী বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছিল। ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা পোৱা প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি গুজৰাট চৰকাৰে যোৱা বছৰ ৰাজ্যত এশখন ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছিল। ৰাজ্যখনত ৩৩ হেজাৰ চৰকাৰী বিদ্যালয় আছে আৰু এই বিদ্যালয়বিলাকৰ ৯৮ শতাংশই গুজৰাটী ভাষা মাধ্যমৰ। গুজৰাট চৰকাৰে অৱশ্যে এনে সিদ্ধান্ত লোৱাৰ এটা প্ৰধান কাৰণ হিচাপে ৰাজ্যখনত যোৱা ডেৰটা বছৰ ক'ভিডৰ ফলত হেজাৰ হেজাৰ পৰিয়ালৰ উপাৰ্জনৰ পথ বন্ধ হৈ পৰাত তেওঁলোকৰ সন্তানসকলক ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱা বা নাম ভৰ্তি কৰাৰ বাবে ধন ব্যয় কৰিবলৈ অক্ষম হৈ পৰাত ছাত্ৰ-ছাত্ৰীসকল ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পৰা গুজৰাটী মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহলৈ ঢাপলি মেলিছে। এই ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ উদ্দেশ্য লৈয়ে চৰকাৰে এশখন ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। অসম চৰকাৰে অৱশ্যে এই ক্ষেত্ৰত কোনো বিশেষ পৰিস্থিতিৰ বা সমস্যাৰ কথা সদৰী কৰা নাই। দিছপুৰে গুজৰাট চৰকাৰৰ সিদ্ধান্তক আৰ্হি বা আদৰ্শ হিচাপে গ্ৰহণ কৰিয়ে নাইবা আন কি কাৰণত এশৰো অধিক ইংৰাজী মাধ্যমৰ চৰকাৰী বিদ্যালয় স্থাপন কৰাত আগ্ৰহ দেখুৱাইছে সেয়া স্পষ্ট নহয়; কিন্তু চৰকাৰৰ সিদ্ধান্ত নাইবা চৰকাৰৰ ইংৰাজী প্ৰীতিৰ বিৰুদ্ধে ইতিমধ্যে অসমৰ ছাত্ৰ-যুৱ সংগঠনবিলাকে প্ৰতিবাদ কৰিছে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা (আছু), জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ছাত্ৰ মুক্তি পৰিষদ, টাই আহোম ছাত্ৰ সন্থা প্ৰমুখ্যে বিভিন্ন সংগঠনে ইতিমধ্যে চৰকাৰৰ সিদ্ধান্তৰ প্ৰতিবাদ কৰিছে। উল্লেখ্য যে চৰকাৰে যি এশৰো অধিক ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে সেই বিদ্যালয়সমূহত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (চিবিএছই)ৰ পাঠ্যক্ৰম থাকিব। চৰকাৰৰ এনে সিদ্ধান্তই ইংৰাজী মাধ্যম তথা ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতিহে অধিক উৎসাহ যোগাব বুলি অভিযোগ কৰিছে বিভিন্ন সংগঠন তথা ব্যক্তিয়ে। বৰ্তমান চৰকাৰে ৰাইজক নতুন বিদ্যালয় স্থাপন কৰিব নালাগে বুলি কোৱাৰ সময়তে চৰকাৰে ইংৰাজী মাধ্যমৰ বিদ্যালয় সমষ্টিয়ে সমষ্টিয়ে স্থাপনৰ সিদ্ধান্ত লোৱাত সকলোৰে আশ্চৰ্য প্ৰকাশ কৰিছে।

চৰকাৰে এশৰো অধিক ইংৰাজী বিদ্যালয় স্থাপন কৰিবলৈ গ'লে ধন যথেষ্ট পৰিমাণে ব্যয় কৰিব লাগিব। চৰকাৰে যদি শিক্ষাৰ উন্নতি বা শিক্ষাৰ গুণগত মান উন্নত হোৱাটো বিচাৰে, তেন্তে ১২৬টা বিধানসভা সমষ্টিত অসমীয়া মাধ্যমৰ ১২৬খন উচ্চ মানবিশিষ্ট আদৰ্শ অসমীয়া মাধ্যমৰ, বড়ো মাধ্যমৰ নাইবা আন থলুৱা ভাষা মাধ্যমৰ বিদ্যালয় স্থাপন কৰিব পাৰিলেহেঁতেন। নাইবা সেই ধনেৰে প্ৰতিষ্ঠিত আগশাৰীৰ অসমীয়া, বড়ো আদি মাধ্যমৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত আৰু আধুনিকীকৰণ কৰি স্মাৰ্ট ক্লাছৰূম স্থাপন কৰিব পাৰিলেহেঁতেন। উল্লেখ্য যে চৰকাৰে বিভিন্ন কাৰণ দৰ্শাই অসমৰ শ-শ চৰকাৰী বিদ্যালয় বন্ধ কৰি দিছে আৰু বহুতো বিদ্যালয় আন বিদ্যালয়ৰ স'তে চামিলকৰণ কৰিছে। এইবিলাক কাৰণতে বহু ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰিছে বা বহু বিদ্যালয়লৈ নোযোৱা হৈছে। ক'ভিডৰ বাবে এই ক্ষেত্ৰত সমস্যা অধিক বাঢ়িছে। চৰকাৰে নাইবা কোনো বিশ্বাসযোগ্য বেচৰকাৰী প্ৰতিষ্ঠান বা সংগঠনে এই সন্দৰ্ভত জৰীপ বা সমীক্ষা চলোৱাৰ প্ৰয়োজন আছিল। ক'ভিডৰ ফলত আৰু বিদ্যালয় বন্ধ বা চামিলকৰণৰ ফলত কিমান ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰিবলগীয়া হৈছে, তাৰ এখন প্ৰকৃত ছবি ৰাইজৰ আগত দাঙি ধৰাৰ প্ৰয়োজন আছিল।

উল্লেখ্য যে নতুন শিক্ষানীতিয়ে পঞ্চম শ্ৰেণীলৈকে আৰু সম্ভৱ হ'লে অষ্টম বা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে মাতৃভাষা নাইবা স্থানীয় ভাষাক শিক্ষাৰ মাধ্যম কৰিব লাগে বুলি কৈছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে মাতৃভাষাক বাধ্যতামূলক কৰা নাই যদিও মাতৃভাষা বা স্থানীয় বা আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাত গুৰুত্ব প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই সন্দৰ্ভত একাধিকবাৰ বিভিন্ন প্ৰসংগত উল্লেখ কৰিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে মাতৃভাষা তথা স্থানীয় ভাষাসমূহৰ সুৰক্ষা আৰু বিকাশৰ উদ্দেশ্যে 'পঢ়ে ভাৰত' অভিযান কাৰ্যসূচী গ্ৰহণ কৰিছে। এশদিনৰ বাবে সমগ্ৰ দেশতে 'পঢ়ে ভাৰত' অভিযান অব্যাহত থাকিব আৰু সেই উদ্দেশ্যে যোৱা এক জানুৱাৰীত দিল্লীত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই কাৰ্যসূচী মুকলি কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ 'পঢ়ে ভাৰত' অভিযানৰ যোগেদি স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক মাতৃভাষা নাইবা স্থানীয় ভাষাৰ গ্ৰন্থসমূহ অধ্যয়নৰ অভ্যাস গঢ়াত বিশেষ গুৰুত্ব দিয়া হৈছে। দেশত ডিজিটেল ব্যৱস্থাক আগুৱাই নিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠন অভ্যাস গঢ় দিয়াত কেন্দ্ৰীয় শিক্ষা দপ্তৰে গুৰুত্ব দিছে।ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান আৰু গৱেষণাৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ বাবে অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব বিচাৰে শিক্ষা বিভাগে। অসম চৰকাৰেও কেন্দ্ৰৰ এই কাৰ্যসূচীৰ সমৰ্থনতে যোৱা চাৰি জানুৱাৰীত 'পঢ়ে ভাৰত' অভিযান আৰম্ভ কৰিছে। এই অভিযান এশদিনৰ বাবে অব্যাহত থাকিব বুলি প্ৰকাশ পাইছে। ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে কেন্দ্ৰৰ নীতি অনুসৰিয়ে অসমীয়া, বড়ো আদি বিভিন্ন থলুৱা ভাষাত ছাত্ৰ-ছাত্ৰীৰ মাজত পঠন অভ্যাস গঢ়ি তোলাত গুৰুত্ব দিছে। কেৱল পঠন অভ্যাসেই নহয়, লিখন আৰু কথন অভ্যাস গঢ়াতো গুৰুত্ব দিয়া হৈছে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়ন, গৱেষণা তথা সৃজনাত্মক কামৰ প্ৰতি ধাউতি বাঢ়িব বুলি আশা কৰা হৈছে; কিন্তু বহুতৰে মনত প্ৰশ্নৰ উদয় হৈছে, চৰকাৰে এহাতে নতুন শিক্ষানীতি অনুসৰি মাতৃভাষা, স্থানীয় ভাষাৰ সুৰক্ষা আৰু সমৃদ্ধিৰ কথা কৈছে, কিন্তু আনহাতে ৰাজ্যত এশৰো অধিক ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। আমি ইংৰাজী মাধ্যম বা ইংৰাজী ভাষাৰ বিৰোধী নহয়; কিন্তু ইংৰাজী মাধ্যমৰ প্ৰতি অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীৰ মাজত অন্ধ প্ৰেমে যাতে প্ৰকৃত শিক্ষা-জ্ঞানৰ বাটত বিঘিনি ঘটাব নোৱাৰে সেই দিশৰ প্ৰতি দৃষ্টি ৰখাৰ প্ৰয়োজন। বৰ্তমান অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহৰ অনেক সমস্যা আছে। বহু বিদ্যালয় এজন শিক্ষকেৰে চলি আছে। বেছিভাগ বিদ্যালয়ৰে আন্তঃগাঁথনি দুৰ্বল। স্মাৰ্ট ক্লাছৰূমৰ অভাৱ। বিদ্যালয়সমূহত মনোচিকিৎসা বিশেষজ্ঞ নাই। উন্নত চকী-বেঞ্চৰ অভাৱ। সেই সমস্যাসমূহ দূৰ কৰাটো চৰকাৰৰ প্ৰধান দায়িত্ব; ইয়াৰ বিপৰীতে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনে অগ্ৰাধিকাৰ পোৱা উচিত নে?

# ভালপোৱা এক দুৰ্লভ সৌৰভ

## আমাৰ দেশৰ ৰাজনীতিত দুৰ্নীতিয়েই নীতি

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

**মানুহে** তাৰ ধৰ্মবিশ্বাসৰ প্ৰেৰণাত যিমান আত্মতৃপ্তি আৰু আনন্দেৰে এক চূড়ান্ত ধৰণৰ জঘন্য কাম সম্পন্ন কৰিব পাৰে, সিমানখিনি সি আন কোনো কাৰণতে নকৰে। কথাখিনি কৈছিল বিশিষ্ট বিজ্ঞানী ব্লেই পাচকেলে। 'Man Never do evil so Completely and Cheerfully as when they do it from Religious Conviction'

এখন ৰাষ্ট্ৰৰ বাবে ধৰ্মান্ধতাৰ দৰে বিষম ৰোগ দ্বিতীয় আৰু নাই। বহু সাম্ৰাজ্যৰ পতন ঘটিছে ধৰ্মান্ধতাৰ বাবে। ৰোমান সাম্ৰাজ্যৰ কালৰ পৰা আৰম্ভ কৰি আধুনিক কাল পৰ্যন্ত এনে এখন ৰাষ্ট্ৰ পোৱা নাযায় যি ৰাষ্ট্ৰই সাম্প্ৰদায়িকতাক অৱলম্বন কৰি অথবা ৰাষ্ট্ৰৰ ভিতৰত সাম্প্ৰদায়িক শক্তিক লালন-পালন কৰি সমৃদ্ধিশালী ৰাষ্ট্ৰত পৰিণত হ'ব পাৰিছে। হৰিদ্বাৰৰ 'ধৰ্ম সংসদত' মুছলমান নিধনৰ কথা কোৱা হৈছে। মুছলমান নিধন নহয়, বৈষম্য আৰু বুভুক্ষা পীড়িত আমাৰ দেশত প্ৰয়োজন এক গণ চেতনাৰ। যি চেতনাই মানুহে মানুহৰ দূৰত্ব হ্ৰাস কৰে। প্ৰেৰণা যোগায় সকলোকে কাষলৈ মাতি ঐক্যবদ্ধ কৰ্মযজ্ঞত জঁপিয়াই পৰাৰ। এখন দেশ কিমান দূৰ আগুৱাই যাব পাৰে সেয়া সম্পূৰ্ণ নিৰ্ভৰ কৰে তাৰ নাগৰিক সমাজৰ মেধা, মনন আৰু কৰ্মৰ ওপৰত। গণ চেতনা যদি পাছ পৰি থাকে দেশো থাকিব পাছ পৰি। গণতন্ত্ৰত ৰাষ্ট্ৰৰ ভূমিকা কিমান কল্যাণকৰ সেয়া বহুখিনি ঠিক কৰি দিয়ে সেই গণচেতনাই। বিৰোধ নহয়, প্ৰয়োজন ঐক্যৰ। নহ'লে ক্ৰমাগত ভাঙোন আৰু অন্তহীন পতনেই আমাৰ অনিবাৰ্য ভাগ্যলিপি।

আৰম্ভ হৈছে অসাধু মলিন পংকিল ৰাজনীতি। হিন্দু ৰাষ্ট্ৰ নিৰ্মাণৰ লক্ষ্যত মানুহৰ মনোজগতক চৰম সাম্প্ৰদায়িকতাৰ পিনে লৈ যোৱা হৈছে। অহিংসাৰ মূল সূত্ৰবোৰ যিখন দেশৰ ধৰ্মসংস্কৃতিৰ পৰাই হৈছিল উৎসাৰিত, মানুহৰ কোমল বৃত্তিবোৰ অপূৰ্ব ৰূপ- বৰ্ণ গন্ধেৰে যিখন দেশত হৈছিল উন্মোচিত সেই দেশ আজি পৰিণত হিংসাৰ নৰকত। বৰ্বৰতাৰ আৱৰণ খুলি সযত্নে লালিত সংকীৰ্ণতাৰ সাম্প্ৰদায়িকতাৰ বীভৎসতাৰ চিকিৎসা নকৰিলে আমি মানুহ পৰিচয়ৰ সকলো মৰ্যাদা আৰু গৌৰৱ দাবী কৰিব নোৱাৰিম।

হিটলাৰে তেওঁৰ সৈন্যবৰ্গক সুধিছিল ঃ তোমালোকে কি বিচৰা? যুদ্ধ নে শান্তি? সৈন্যবৰ্গই সমস্বৰে চিঞৰি উত্তৰ দিছিল— শান্তি। হিটলাৰে তেতিয়া কৈছিল— ঠিক আছে আমি শান্তিৰ বাবেই যুদ্ধ কৰিম।

**দুই**

মুছলিম শাসিত বাংলাৰ ইতিহাসৰ সৰ্বাপেক্ষা গঠনমূলক যুগ হিচাপে ঐতিহাসিকে চিহ্নিত কৰিছে। এই জনপদৰ সামাজিক আৰু সাংস্কৃতিক প্ৰতিষ্ঠানবোৰে সেই যুগতেই এক উন্নত আৰু সংহত ৰূপ লাভ কৰিছিল। ৰাজনৈতিকভাৱে সেই যুগতেই বাংলাৰ জনগণ এক আদৰ্শৰ ভিত্তিত সামাজিক ঐক্যমঞ্চত সংঘবদ্ধ হৈছিল। বাংলা আৰু বাঙালীৰ ইতিহাসৰ ভিত্তিও প্ৰতিষ্ঠিত হৈছিল সেই যুগতেই।

ঐতিহাসিক সত্য এয়াই যে মুছলিম বিজয়ীবোৰে সন্মুখ সমৰত কোনো মন্দিৰ দখল বা ধ্বংস কৰা নাছিল, নাইবা ধৰ্ম প্ৰচাৰৰ প্ৰয়োজনত আন ধৰ্মৰ উপাসনালয়ৰ কোনো হানি কৰা নাছিল। নিজৰ শাসনাধীন অমুছলিমৰ সকলো ধৰণৰ নিৰাপত্তা নিশ্চিত কৰা আছিল ইছলাম নিৰ্দেশিত দায়িত্ব। তেওঁলোকৰ জীৱন, সম্পদ, সন্মান আৰু ধৰ্মপালনৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ সচেষ্ট আছিল। হিন্দু বা বৌদ্ধ ধৰ্মীয় নেতাৰ হত্যাৰ কোনো ঘটনা ঘটা নাছিল। কোনো সাম্প্ৰদায়িক সংঘৰ্ষ বা ধৰ্মীয় নিপীড়নৰ নমুনা তৈয়াৰ কৰা নাছিল মুছলিম ৰাষ্ট্ৰ আৰু সমাজ।

হিন্দু জাতি সত্তাই বৰঞ্চ প্ৰচলিত নাম আৰু পৰিচিতি লাভ কৰে মুছলিম শাসনৰ ফলত। ড° এম শহীদুল্লাই লিখিছে ঃ মুছলমান ৰাজত্বৰ পূৰ্বে 'হিন্দু' এই জাতীয় নামেই নাছিল। আছিল ব্ৰাহ্মণ, শূদ্ৰ ইত্যাদি। প্ৰাচীন বৰ্ণ মূলতঃ জাতি কিম্বা স্বৰ্ণকাৰ, কৰ্মকাৰ, তন্তুবায় ইত্যাদি ব্যৱসায় মূলত জাতি; কিন্তু 'হিন্দু' জাতি নাছিল। হিন্দু ধৰ্মও নাছিল। আছিল শৈৱ-শাক্ত-বৈষ্ণৱ-গাণপত্য সম্প্ৰদায়। আচলতে হিন্দু জাতীয়তাবাদৰ উদ্ভৱ ঘটে অংশত শ্ৰীচৈতন্য দেৱৰ। (১৪৮৬-১৫৩৩) প্ৰেমবাদত। বিশেষতঃ বংকিম চন্দ্ৰৰ ( ১৮৩৮-১৮৯৪) স্বসম্প্ৰদায় আৰু স্বদেশপ্ৰেমত। আৰু দ্বিজেন্দ্ৰলাল ৰায়ৰ (১৮৬৩-১৯১৩) স্বদেশ স্বজাতিৰ আত্মগ্লানিৰ অনুসন্ধিৎসাৰ পৰা। যাৰ মূলত আছিল মুছলিম বিজয় আৰু শাসনৰ বিপৰীতে প্ৰতিক্ৰিয়াজাত ধাৰাবাহিকতা।

**তিনি**

অটোমান সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা আছিল ওচমান বে। সবাতোকৈ উল্লেখযোগ্য বিজয় আছিল মহাপৰাক্ৰান্ত ৰোমানবোৰক হৰুৱাই ৰোমান সাম্ৰাজ্যৰ কেন্দ্ৰস্থল কন্সটাণ্টিনেপল দখল। দীৰ্ঘ ছশ বছৰ বিশাল সাম্ৰাজ্যৰ ৰাজত্ব কৰি যোৱা চুলতানসকলে কি দি গৈছে পৃথিৱীক যাৰ সুফল মানুহে ভোগ কৰিছে? বিষয় বৈভৱ আৰু বিলাস বহুল জীৱনৰ মদমত্ততাত ইমানেই বিভোৰ আছিল চুলতানবোৰ জ্ঞান বিস্তাৰৰো যে এক সেতুবন্ধন আছে, এক জাতিৰ জ্ঞান অন্য এক জাতিয়ে আহৰণ কৰি নতুন জ্ঞান সৃষ্টি কৰে— ইতিহাসৰ এই মূল্যৱান শিক্ষাটো কেতিয়াও গ্ৰহণ কৰিবলৈ ৰাজি নাছিল।

আমাৰ উপ-মহাদেশত মুছলিম সাম্ৰাজ্য কায়েম হৈছিল ছশ বছৰ। ইমানবোৰ বছৰৰ ভিতৰত মুছলিম সম্ৰাটসকলে বহু কীৰ্তি ৰাখি গৈছে ইতিহাসৰ পাতত তেওঁলোকৰ নাম স্বৰ্ণাক্ষৰত জিলিকি থাকিবৰ বাবে। অজস্ৰ মছজিদ নিৰ্মাণ কৰিছে। দুৰ্গ বনাইছে। বনাইছে বহু স্মৃতি সৌধ। তাৰ ভিতৰত পৰম গৰ্বৰ ধন তাজমহল। প্ৰাসাদ বনাইছে। উদ্যান বনাইছে; কিন্তু এখন বিশ্ববিদ্যালয়? এটা লাইব্ৰেৰী? এটা গৱেষণা কেন্দ্ৰ? এনে কোনো প্ৰতিষ্ঠানৰ কথাতো শুনা নাই। মুছলিম জাতিৰ সেই জ্ঞান বিমুখিতা এতিয়াও দূৰ হোৱা নাই।

**চাৰি**

ৰাছিয়াৰ ঐতিহ্যবাহী ৰীতি অনুযায়ী যোৱা ২৩ ডিচেম্বৰত খ্ৰীষ্টমাছৰ আগতে অনুষ্ঠিত বাৰ্ষিক সংবাদ সন্মিলনত ৰুছ প্ৰেছিডেণ্ট ভ্লাদিমিৰ পুতিনে কৈছে ঃ ইছলামৰ নবীৰ অৱমাননাক মত প্ৰকাশৰ স্বাধীনতা বুলি কোৱা নাযায়। কোনোবাই যদি ইছলামৰ নবীৰ অৱমাননা কৰে, তেনেহ'লে সেয়া মত প্ৰকাশৰ স্বাধীনতা বুলি ধৰি লোৱা নহ'ব। বৰ্তমান বিশ্বত ইছলামৰ নবীৰ অৱমাননা যেতিয়া ফেচনত পৰিণত হৈছে সেই সময়ত পুতিনৰ এনে সাহসী উচ্চাৰণ মন কৰিবলগীয়া।

বিশ্ব সহিংসতাৰ অন্যতম কাৰণ 'নবী অৱমাননা'। মুছলমানৰ আবেগক উচটাই দিয়াৰ এক মোক্ষম হাতিয়াৰ এয়া। শান্তিপূৰ্ণ বিশ্বত অশান্তি সৃষ্টি কৰি ইছলামফোবিয়াৰ মাধ্যমত বৈশ্বিক বিভাজনৰ ৰাজনীতিৰ এয়া এক বিষাক্ত অস্ত্ৰ। যোৱা কে'বাবছৰ ধৰি এয়া এক অতিমাৰীত পৰিণত হৈছে। এনে এক মুহূৰ্তত পুতিনৰ বক্তব্যই মুছলমানৰ ক্ষত-বিক্ষত অন্তৰত শান্তিৰ পৰশ বুলাই দিছে।

পুতিনে কৈছে ঃ বাক্ স্বাধীনতাৰ এটা সীমা আছে। আমি আন ধৰ্মৰ সীমা অতিক্ৰম কৰা উচিত নহয়। ইছলামৰ নবীৰ অৱমাননা ধৰ্মীয় স্বাধীনতাৰ লংঘন। অমুছলিম বিশ্বৰ নেতা হিচাপে পুতিনেই সৰ্বপ্ৰথম এনে বক্তব্য প্ৰদান কৰিছে। তেওঁ এনে এক বৈশ্বিক প্ৰেক্ষাপেটত এই বক্তব্য প্ৰদান কৰিছে যেতিয়া বিভিন্ন ধৰ্ম আৰু সংস্কৃতিৰ মাজত পৰস্পৰ সংঘৰ্ষ আৰু দ্বন্দ্ব চলি আছে আৰু ইয়াৰ প্ৰতিক্ৰিয়াত সংঘটিত ঘটনাৱলীক ইউৰোপে উগ্ৰবাদ বুলি অভিহিত কৰিছে। মুছলমানৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাৰ বিষয়ে এই প্ৰথম কথা ক'লে এগৰাকী অমুছলিম নেতা, ছুপাৰ পাৱাৰ আৰু নিৰাপত্তা পৰিষদৰ কাৰ্যকৰ সদস্য ৰাছিয়াৰ প্ৰেছিডেণ্ট পুতিনে। আশা কৰো বিশ্ব শান্তি প্ৰতিষ্ঠা আৰু উগ্ৰবাদ নিৰসনত পুতিনৰ এই বক্তব্য সহায়ক ভূমিকা পালন কৰিব। আশাই মানুহক জীয়াই ৰাখে। আশাই মানুহৰ

ৰাজনীতি আজি-কালি এক লাভজনক ব্যৱসায়। এই ব্যৱসায়ৰ বাবে মূলধনৰ প্ৰয়োজন নাই। বিদ্যাৰো প্ৰয়োজন নাই। বয়সৰো কোনো বাধা নাই। লোকচানৰ কোনো ৰিস্ক নাই। মুনাফা সুনিশ্চিত।

মাজত জন্ম দিয়ে ভালপোৱাৰ।

'ভালপোৱাই একোৱেই নিদিয়ে  
কেৱল নিজৰ বাহিৰে  
ভালপোৱাই একোৱেই নিনিয়ে  
কেৱল ভালপোৱাৰ বাহিৰে  
ভালপোৱাই একোৱেই নকৰে অধিকাৰ  
কৰাও নাযায় তাক অধিকাৰ  
কিয়নো ভালপোৱা সুসম্পন্ন ভালপোৱাতেই'

—খলিল জিব্ৰান

**পাঁচ**

পুঁজিৰ অভাৱৰ বাবে গণতন্ত্ৰ দিৱসৰ পেৰেডত অসমৰ প্ৰতীক নাই অথচ চাৰ্টাৰ্ড বিমান, হেলিকপ্টাৰত উৰিবলৈ মুখ্যমন্ত্ৰীৰ আছে টকাৰ ভাণ্ডাৰ। দেশত কৰ'নাৰ তাণ্ডৱ আৰু মুখ্যমন্ত্ৰীয়ে তেলেংগানাৰ হায়দৰাবাদত গৈ জনসভাত ডিঙিৰ সিৰ ফুলাই চিঞৰিলে—ভাৰতত বাবৰ, ঔৰংগজেৱ, ওৱেচিৰ নাথাকিব কোনো স্থান।

দেশপ্ৰেম পৰিমাপৰ কোনো স্বীকৃত মান নাথাকিলেও এজন ব্যক্তিৰ কথা কাম আৰু আচৰণত দেশপ্ৰেমৰ হাৰ নিৰ্ধাৰণ সম্ভৱ। ধৰ্মান্ধতা মানুহৰ মুক্তিৰ দুৱাৰত প্ৰচণ্ড বাধা।

কোনো দেশতেই কোনো সংখ্যালঘু নহয়, সকলোৰে এই দেশৰ নাগৰিক এনেকৈ কোৱাৰ জানো সুযোগ আছে দেশত?

**ছয়**

ৰাজনীতি আজি-কালি এক লাভজনক ব্যৱসায়। এই ব্যৱসায়ৰ বাবে মূলধনৰ প্ৰয়োজন নাই। বিদ্যাৰো প্ৰয়োজন নাই। বয়সৰো কোনো বাধা নাই। লোকচানৰ কোনো ৰিস্ক নাই। মুনাফা সুনিশ্চিত। কাৰণ আমাৰ দেশৰ ৰাজনীতিত দুৰ্নীতিয়েই নীতি।

নিৰ্বাচন সমাগত। উত্তৰ প্ৰদেশ সকলো সময়ত স্পেশ্যাল। দেশৰ বৃহত্তম এই ৰাজ্যৰ জনসংখ্যা প্ৰায় ২২ কোটি। বিধানসভাৰ আসন ৪০৩। লোকসভাৰ ৮০। উত্তৰ প্ৰদেশত জিকাৰ অৰ্থ দিল্লীৰ মছনদ আধা জিকি যোৱা। এই কাৰণতে কোৱা হয় দিল্লী দখলৰ ৰাস্তা লক্ষ্ণৌ হৈ ঘূৰি আহে।

কৰ'নাৰ দৰে নিৰ্বাচনী প্ৰতিশ্ৰুতিও অতি সংক্ৰামক এক ব্যাধি। ভোটাৰৰ মন জয় কৰিবলৈ সৰ্বত্ৰ প্ৰতিশ্ৰুতিৰ বন্যা। ভাৰতীয় অৰ্থনীতিৰ ভাগ্যাকাশত কি লিখা আছে নাজানো। ভোটৰ বতৰত প্ৰতিশ্ৰুতিৰ লহৰ দেখি অৱশ্যে ধাৰণা নহয় দেশখন ধাৰৰ ওপৰত ভাহি আছে।

**সাত**

লাভলীনা বৰগোহাইক কম সময়ৰ ভিতৰত বহু বেছি দিয়া হ'ল। কোটি কোটি টকা, বিলাসী গাড়ী, শ শ সম্বৰ্ধনা সভা, অৰ্জুন বঁটা, খেলৰত্ন বঁটা, ডিএছপিৰ চাকৰি, সৰুপথাৰ ষ্টেডিয়াম, মহানগৰীৰ পথ তেওঁৰ নামেৰে নামকৰণ আৰু কত কি? সকলো কিছুৰ অতিৰিক্ত ভাল নহয়। কেৰিয়াৰৰ ক্ষতি কৰিব পাৰে।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# উকীলৰ বুদ্ধিতহে ৰক্ষা পৰিল!



## ৰিজু হাজৰিকা

**চাকৰি** কালত কিমান যে লেতেৰা কাম কৰিবলগীয়া হৈছিল তাৰ সীমা সংখ্যা নাই। এবাৰ মোৰ ডিপাৰ্টমেণ্টৰ হেডজনে ৰেকৰ ওপৰত থকা পুৰণি ফাইলবোৰ আনি তাৰ পৰা দৰকাৰী কাগজপত্ৰ চব আউট কৰি অদৰকাৰীবোৰ পুৰি পেলাবলৈ দিছিল। মই তেতিয়া অফিচাৰ। মোক দুজন কেৰাণি আৰু দুজন পিয়ন দিছিল সহায় কৰাৰ কাৰণে; কিন্তু তেওঁলোকে এই লেতেৰা কাম নকৰে। ৰেকৰ পৰা ফাইলবোৰ নমাই আনিব নোখোজে। তেওঁলোকে হাতৰ তলুৱাত চাধা মাৰি খাই, কেণ্টিনত চাহ খাবলৈ গৈ ঘূৰি আহোতে পলম কৰে।

উপায় নাপাই মই নিজেই গাৰ কামিজকে খুলি লংপেণ্টটো হাফপেণ্ট কৰি জখলা ডালত উঠি ৰেকৰ ফাইলবোৰ তলত পেলাই দিলো। তেনেতে আহিল মোৰ ওপৰৰ অফিচাৰজন। তেওঁ মোৰ কাণ্ডটো দেখি ক'লে— ইচ্ ইচ্ বৰুৱা আপুনি কি কৰিছে? আপোনাক দুজন পিয়ন, দুজন ক্লাৰ্ক দিছো নহয়, তেওঁলোকে সেইবোৰ নমাই দিব নহয়। মোৰ সহা-বেঙা লাগিল। ক'লো— 'তেওঁলোকে চাহ খাবলৈ গৈছে ছাৰ, ময়েই নমাই আনিলো। কথাটো ডিপাৰ্টমেণ্টত সদৰী হৈ গ'ল। তেওঁলোকে চাহ খাই আহি মোকেই ঠাট্টা কৰিলে— 'বৰুৱাদা, আপুনি একেবাৰে অফিচখন উল্টাই দিব দিয়ক।'

তেওঁলোক চাৰিজনক মাতি নি ধমক দিলে। তাৰ পৰা ট্ৰেন্সফাৰ কৰি বেলেগ চাৰিজন দিলে। মোকো তাৰ পৰা অপসৰণ কৰিলে। সৌভাগ্যবশতঃ আমাক অৰ্ডাৰ দিয়া অফিচাৰজনকো ট্ৰেন্সফাৰ কৰিলে।

এইবাৰ আহিল এজন অফিচাৰ। তেওঁ বৰ কাঢ়া অফিচাৰ। তেওঁক এজন ক্লাৰ্ক আৰু এজন পিয়ন দিলে কামটোত সহায় কৰিবলৈ। অফিচাৰজনে তেওঁৰ সহায়ক দুজনক ক'লে— সকলোবোৰ পুৰণি ৰেকৰ্ড, যিবোৰৰ একো প্ৰয়োজন নাই সেইবোৰ পুৰি পেলাব লাগিব; কিন্তু তাৰে একোটা দুপ্লিকেট কপি ৰাখিব লাগিব। এইবাৰৰ কেৰাণিজন আৰু পিয়নজন বৰ চতুৰ। তেওঁলোকে ক'লে— হ'ব ছাৰ, আপুনি একো চিন্তা কৰিব নালাগে। এই ধূলিবোৰ খাই আপুনি ইয়াতে বহি থাকিব নালাগে, আপুনি আপোনাৰ চেম্বাৰত বহি থাককগৈ। অফিচাৰজনে ভালেই পালে। তেওঁ দুয়োকে ক'লে—তোমালোক বৰ ভালহে। দুয়োকে আজি কেণ্টিনত বৰ ভালকৈ খাবলৈ মই পইচা দিম। এই বুলি কৈ অফিচাৰজন চেম্বাৰত বহি থাকিল।

এইবাৰ দুয়ো বপুৰাই কৰিলে কি, ফাইলৰ ৰেকৰ পৰা ফাইলবোৰ নমাই আনিলে। তাৰ পাছত দুয়ো বহি বহি প্ৰত্যেকটো ফাইলৰে কভাৰবোৰ ফালি ৰাখি ভিতৰৰ কাগজপত্ৰবোৰ এটা দম কৰিলে। তাৰ পাছত দুয়ো বহি বহি কাগজ পত্ৰবোৰত অলপ অলপকৈ জুই লগাই পুৰিবলৈ ধৰিলে। পোৰা কাগজৰ গন্ধই ৰেকৰ্ড ৰূম ছানি ধৰিলে। ধোঁৱাৰ গোন্ধ পাই অফিচাৰ বাবু অফিচৰ পৰা দৌৰি আহি ক'লে— হা-হা, কি কৰিলা কি কৰিলা। সৰ্বনাশ, সেইবোৰ কিয় পুৰিলা? এতিয়া মোৰো চাকৰি যাব, তোমালোকৰো চাকৰি যাব। দুয়ো পেট ভাতুৱে ক'লে— একো নহয় ছাৰ, আমি প্ৰত্যেকটা ফাইলৰে বাক্‌লাবোৰ ফালি ৰাখিছো নহয়, সেইবোৰতো আচল ৰেকৰ্ড? অফিচাৰ বাবুৱে ক'লে— তোমালোকক বৰ জনা-বুজা বুলি ভাবিছিলো, এতিয়া সৰ্বনাশ হ'ব মোৰেই। পানী মাৰা পানী মাৰা। দুয়ো পানী মাৰি আধা পোৱা কাগজবোৰ ৰাখিলে।

ইতিমধ্যে কথাটো গোটেই অফিচত সদৰী হৈ গ'ল। বিফ অফিচাৰ আহি নাকে-মুখে সোপাদি তিনিওজনকে তেওঁৰ চেম্বাৰলৈ মাতি লৈ গ'ল। বহিবলৈ দি ক'লে— তোমালোকক মই ছাছপেণ্ড কৰিম। তাৰ পাছত ইয়াৰ এনকুৱাৰী হ'ব। শেষত হয়তো তোমালোকক ডিছমিছ কৰিব। এতিয়া ৰেকৰ্ড ৰূমত তলা লগাই থোৱা।

কেৰাণিজনে ক'লে— ছাৰ আমাৰ গাঁৱত এজন ওজা আছে। তেওঁ পোৱা বস্তুত পানী মাৰি জীৱিত কৰিব পাৰে। চিফ অফিচাৰে ক'লে— তাক তুৰন্তে লৈ আহাগৈ । কেৰাণিজন গ'ল।

চিফ অফিচাৰে ক'লে— তোমালোক এতিয়া যোৱাগৈ। ৰূমত তলা মাৰি চাবি পাত মোক দি যোৱা। এনকুৱাৰী ৰিপ'ৰ্ট শেষ নোহোৱাকৈ তোমালোক ছাছপেণ্ড হৈ থাকিব লাগিব।


তিনিও এইবাৰ এজন উকীলৰ ওচৰলৈ গ'ল। সকলো কথা বিৱৰি ক'লে। উকীলে ক'লে—একো ভয় নাই। ছাছপেণ্ড হৈ থাকিলেও আধা দৰমহা তোমালোকে পাবা। মোক প্ৰথমতে ৫০ হেজাৰ ফিজ দিবা। কাইলৈ ৰাতিপুৱাই আহিবা।'

তিনিও গৈ ঘৈণীয়েকহঁতৰ সোণৰ গহনাখিনি বন্ধকত থৈ ৫০ হেজাৰ টকা আনি উকীলক দিলে। উকীলে ক'লে— যোৱা এতিয়া গপচত বহি থাকাগৈ।

# হাটলৈ গৈ আনিলো দৈ পাতত দিওঁতে বৈ গ'ল নৈ

## মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, আজি দোমাহীৰ দিনাখন তুমি মুখখন ওন্দোলাই আছা যে! আন দিনাৰ কথা বেলেগ, আজি অন্ততঃ বিহু বুলি ফূৰ্তিত থাকিব নোৱাৰানে?  
— পাৰো। থাকিব খোজোও; কিন্তু সেইখিনি সুবিধা মই পাবওঁতো লাগিব?  
— কি ক'লা তুমি? ফূৰ্তিত থাকিবলৈ যদি সুবিধা তুমি পোৱা নাই, বেজাৰ মনেৰে থাকিবলৈ তুমি কেনেকৈ সুবিধা পালা কোৱাচোন?  
— আপোনাৰ জহতে পালো বুলি ধৰি ল'ব পাৰে। আপুনি বিহু পাতি মোক ভালদৰে বিহু দেখুৱাই দিছে।  
— নাপায়, মানুহ ইমান আত্মকেন্দ্ৰিক হ'ব নাপায়। আমি হ'লো সমাজপ্ৰিয় জীৱ। এইখন সমাজত মোৰ এটা সুনাম আছে, আছে এটা বিশেষ স্থান। সেইবাবেই আমাৰ ঘৰলৈ মানুহৰ আহ-যাহ বেছি।  
— আপোনাৰ কথাটো বাৰু মই বুজিলো, পিছে মোৰ কথাটো জানো আপুনি বুজি পালে?  
— তোমাৰ আকৌ কি কথা?  
— কিয়? কেৱল আপোনাৰ কথাহে থাকিব পাৰে নেকি? মোৰ কথা থাকিব নোৱাৰে?  
— নহয়হে? মোৰ কথাটো তুমি বুজা নাই।  
— তেনেহ'লে বুজাই দিয়ক। মই কিবা অবুজ নেকি?  
— আস্! তোমাক অবুজ বুলি কেতিয়া ক'লোহে মই? মিছাতে কিছুমান কথা কিয়নো গাত পাতি লোৱা?  
— এটা কথা মই কওঁ। ভালদৰে জানি ল'ব।  
— কোৱা?  
— মতা মানুহৰ মুখ সদায় ফটা।  
— কি?  
— আপোনালোকেহে তিৰোতা মানুহবোৰক সদায় পেটত কথা নাথাকে বুলি দোষাৰোপ কৰি থাকে। আপোনালোক জানো কম? তলে-পুতল। তল পৰি মল খোৱাত ওস্তাদ।  
— হেৰা, সঁচাকৈয়ে যদি মতাবোৰ আহি তোমাৰ মুখৰ হাঁহি কাঢ়ি লৈ গ'ল, তেনেহ'লেতো বৰ দুখৰ কথা। তাৰ বাবে নিশ্চয় মই হ'ম জগৰীয়া। পিছে, আগতে কথাটোতো মই জানি ল'ব লাগিব।  
— কোনটো কথা?  
— কোনে আহি থপিয়াই নিলে তোমাৰ মুখৰ হাঁহি? মই থাকোতে কোনে তোমাক এনে সৰ্বনাশ কৰি থৈ গ'ল? ক'ত পালে ইমান সাহস? আমাৰ ঘৰত কোনে কাক দিলে ইমান স্বাধীনতা?  
— ইমান খং নকৰিবচোন। অলপ শান্ত হওক। আজি বিহুৰ দিনাখন আনে শুনিলে আমাক কি বুলি ভাবিব কওকচোন?  
— মই খং কৰা নাই ৰ'বা। আক্ষেপহে কৰিছো। মোৰ উপস্থিতিত তোমাৰ গাত গছৰ পাত এটাও সৰি পৰিবলৈ নিদিওঁ। তেনেস্থলত...।  
— হ'ব দিয়ক। এইবোৰ এতিয়া এৰকচোন। আজি আকৌ কোনোবা আলহী আহিব নেকি?  
— ক'বতো নোৱাৰো। আহিবও পাৰে কোনোবা। বস্তুৰ কিবা নাটনি হ'ব নেকি?  
— নহয় দিয়ক। ভালেখিনি আছে। চিন্তা নকৰিব।  
— বাৰু, ৰাতিপুৱাৰ আলহীকেইজনক তোমাৰ কেনে লাগিল কোৱাচোন?  
— ভালেই।  
— বাটে-পথে লগ পালে চিনি পাবানে তুমি?  
— চিনি পাম। মুখকেইখন মনত থাকিব, কেৱল নামবোৰহে পাহৰিলো।  
— কিয়? আটাইকেইজনকে মই দেখোন চিনাকি কৰাই দিছো।  
— এদিনতে নামবোৰ মোৰ মনত নাথাকে। দুবাৰমান লগ পাব লাগিব, তেহে। পিছে এটা কথা।  
— কি?  
— ধুতি পিন্ধা লোকজনে কিন্তু জুতি লগাই ভালদৰে খাইছে দেই।  
— হয় নেকি? ভালেই হৈছে দিয়া।  
— তালু ওলোৱা লোকজন কিন্তু বৰ চালু। লোকৰ পিঠাৰে বিহু খোৱাত ওস্তাদ যেন লাগে। নাজানো দিয়কচোন? কিমান সময়নো লগ পালো। ধাৰণাহে কৰিছো মই।  
— ধাৰণাটো তোমাৰ একেবাৰেই শুদ্ধ। আচলতে তুমি দেখিলেই ধৰিব পাৰা কোন কেনে? কোনজন ভাল, কোনজন যমকাল।  
— দাড়ি থকাজন কাঢ়ি খোৱা বিধৰ যেন পাওঁ। হয় নে?  
— ঠিকেই কৈছা। তাৰ স্বভাৱটো তেনেকুৱাই।  
— ডিঙিত চাদৰ লোৱাজনৰ কিন্তু বেছ আদৰ আছে দেই। বিহুত আমাকো নিমন্ত্ৰণ কৰি থৈ গৈছে। ব্যৱহাৰো অত্যন্ত মাৰ্জিত। দেখিলেই ভক্তি ওপজে।  
— তেওঁলোকৰ পৰিয়ালটোৱেই সংস্কৃতিৱান, ৰুচিসম্পন্ন। গ'লে গম পাবা নহয়।  
— টুপী পিন্ধাজনে মাজে মাজে চুপি চুপি মোলৈ যি দৃষ্টি নিক্ষেপ কৰে এনে লাগে যেন তেওঁৰ চৰিত্ৰৰ দোষ আছে। মানুহজন লম্পট প্ৰকৃতিৰ নেকি বাৰু?  
— নাজানো। তেওঁৰ লগত মোৰ ঘনিষ্ঠতা বৰ বেছি নাই। বাটত দেখিলে মাতো, সিমানেই।  
— তেনেহ'লে বিহু খাবলৈ আহিল যে!  
— কালি বিহুৰ বজাৰ কৰি আহোতে চ'কত আটাইকেইজনে কথা পাতি আছিল। বিহুৰ বজাৰ কি আনিলো বুলি সোধাত সৰভোগৰ দৈ, ক্ৰিম অনা বুলি যেতিয়া ক'লো, তেওঁলোকৰ লোভ লাগিলেই।  
— আপুনি দৈ অনা কথাটোনো কিয় কৈ ফুৰিব লাগে? বাৰু, তাৰ পাছত?  
— আটাইকেইজনে আজি পুৱা আহিম বুলি ক'লে যেতিয়া ময়ো আন্তৰিকতাৰে আহিবলৈ অনুৰোধ কৰিলো।  
— হয় নেকি?  
— পিছে ৰ'বাচোন? সৰভোগৰ দৈ, ক্ৰিমৰ বিশেষ এটা সুনাম আছে; কিন্তু আজিতো আগৰ দৰে সেই সোৱাদ নাপালো। ইমান পনীয়া। ঠগ খালো বুজিছা?  
— ঠগ খোৱা নাই দিয়ক।  
— অৱশ্যে বিহুৰ সময়ত দৈ, ক্ৰিমৰ চাহিদা যথেষ্ট বাঢ়ে। গতিকে বাধ্য হৈ তেওঁলোকেও আগৰ মান ধৰি ৰাখিব নোৱাৰে।  
— সৰভোগৰ দৈৰ দুটা টেকেলি, ক্ৰিমৰ এটা টেমা আনিছে। সেইখিনিৰে ইমানকেইজন মানুহক খুৱাব লাগিলে মোলৈ থাকিব কি কওকচোন? সেইবাবেই পানী মিহলাইছো।  
— ইচ ৰাম। তুমি নিজৰ কথা ভবাতকৈ তেওঁলোককহে ভালদৰে খুৱাব লাগিছিল। ইমান স্বাৰ্থপৰ তুমি? ভাল কাম নকৰিলা কিন্তু।  
— অ, মই স্বাৰ্থপৰ। আনক ভালখিনি খুৱাই সদনাম পোৱাতকৈ নিজে ভালখিনি খাই বদনাম পালেও মোৰ একো আপত্তি নাই বুজিছে?  
— কি?



*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৬ জানুৱাৰী দেওবাৰ, ২০২২ পৃষ্ঠা ৫


# তাহানি ককা-আইতাই কি কথা পাতিছিল

**এইহেন** জাৰত চোতালত জুইৰ কাষত বহি ককা-আইতাই কি কথা পাতিছিল! তাকেহে ভাবিছো। আইতাই মেখেলাখনৰ আগফালৰ পাতলিটো দুভৰিৰ বুঢ়া আঙুলিৰে হেচাঁ মাৰি ধৰি হাত দুখনেৰে কেৱল জুইকুৰা জুলি থাকিবলৈ ইডালৰ পাছত সিডালকৈ খৰি কেইডাল জুইৰ মাজলৈ আগবঢ়াই আছিল। মুখেৰে একো মাতবোল কৰা নাছিল। ককাৰ ধুতিখন আঁঠু দুটাৰ পৰা খহি গৈ কৰঙনৰ চুক পাইছিল গৈ। আইতাই কপালৰ আগত ওৰণিখন নাকৰ আগলৈ টানি তলমূৰ কৰিছিল।

এনেতে বোৱাৰীয়েকে ওৰণিয়ে কৰণি লৈ চাহ দিবলৈ অহা উমান পাই ককাই ধুতিখন কৰঙনৰ চুকৰ পৰা আঁঠুৰ মূৰলৈ তুলি আনিছিল। আইতাই লাজতে মুচকচ গৈছিল। ককাই নুশুনাকৈ মুখেৰে ভোৰ-ভোৰাই উঠিছিল। ককাই চাহৰ বাতিত সোহাটো মাৰি আইতালৈ চাইছিল। দুয়োৰে দুয়োৰ চকুত পৰাত ককাই গল খেকাৰি এটা মাৰিছিল। এয়া ককাৰ অভ্যাস। আইতাই খুন্দনাটো ওচৰ চপাই আনি কটং কটংকৈ তামোল দুখন খুন্দি ককালৈ খুন্দনাটো আগবঢ়াই দিছিল। ককাই খুন্দনাৰ পৰা তামোলখন হাতেৰে চুঁ চি চুঁ চি উলিয়াই লৈ মুখত ভৰাই টকালি পাৰি পাৰি খাইছিল।

ভাবিলেই ভাললগা ককা-আইতাৰ এই দৃশ্যবোৰ। মনত পৰিলে আজিও আনন্দ লাগে। বৰ আনন্দৰ দিন আছিল তাহানিৰ দিনবোৰ। আইতাই কন্যা হৈ এহাত দীঘলকৈ ওৰণি লৈ ককাৰ ঘৰ সোমোৱাৰ দিনৰে পৰা ওৰণিখন সদায় মূৰতে আছিল। তাহানিৰ আইতাহঁতৰ দিনত বোৱাৰীহঁতৰ মূৰৰ পৰা ওৰণিখন কোনো দিনেই খহি পৰা নাছিল। ওৰণিখন মূৰত লৈয়েই দিনৰ দিনটো কিমান যে কাম কৰিছিল। পুখুৰীৰ পৰা পানী অনা, ঘৰ-চোতাল সৰা, ঘৰ মচা, কাপোৰ ধোৱা, ভাত ৰন্ধাকে লৈ কত যে কাম! তাৰ মাজতে তাত বোৱা, ঢেঁকী দিয়া, ধান চাউল জৰা, পিঠা-পনা বনোৱা আৰু যে কিমান কি কাম। এনেবোৰ কামৰ মাজতে ব্যস্ত হৈ থাকোতে গাভৰু বোৱাৰী আইতাই ডেকা ককাৰ লগত কথা পাতিবলৈ সময়ৰ নাটনি হৈছিল। লাজৰ বিজৰ কথা বুলি ভাবিছিল। দিনৰ ভাগত দুয়ো নিজৰ কোঠালৈ যোৱা নাছিল। শাহু-শহুৰ থকা ঘৰত এয়া বৰ লাজৰ বিজৰ কথা আছিল। এই গাভৰু-বোৱাৰী দিনে দিনে মাতৃ হ’বলৈ আগবাঢ়িছিল। লাজতে আইতাই মুচকচ দিছিল। ডেকা ককাই গাভৰু আইতাৰ ছাঁটোকে দেখা নাপাইছিল। লাজতে আঁতৰি আঁতৰি ফুৰিছিল। এদিন আইতা মাতৃ হৈ পৰিছিল। কেঁচুৱাক গাখীৰ খুৱাবলৈ লাজ কৰিছিল। ডেকা ককাই লাজতে পদূলিমূৰ পাইছিল। এনেকৈয়ে গাভৰু আইতা ডেকা-ককাই বয়সলৈ গতি কৰিছিল। পুত্ৰ কন্যাও ডাঙৰ হৈ গৈ আছিল। কিন্তু ককা-আইতাই বিশেষ একো কথা পতা নাছিল। উমানে উমানে দুয়ো বুজা-পৰা কৰিছিল। শাহু আই শহুৰ দেউতা থকালৈকে দুয়ো দুয়োৰে ওচৰ চাপি কথা পাতিবলৈ কথাও নাছিল। গাভৰু আইতাক মাকৰ ঘৰলৈ লৈ গৈ ফুৰাই-চকাই আনিবলৈ শাহু আয়েহে পুতেকক কৈছিল। বৰ লাজুক-লাজুক গতিকে দুয়ো ঘৰৰ পৰা ওলাই গৈছিল।

এই গৰাকী বোৱাৰী আইতা- পো-ককা এদিন, বৃদ্ধ ককা, বৃদ্ধা আইতা হ’ল। স্বভাৱটো কিন্তু আঁতৰি নগ’ল। শাহু আই শহুৰ ককাৰ তেওঁলোকো কথা নপতা শাহু আইতা শহুৰ ককা হৈ পৰিল। ইয়াৰ মাজতে তেওঁলোকৰ ৰোমান্স চলি থাকিল। চকুলৈ চালেই ইজনক সিজনে বুজা হ’ল। ককালৈ খুন্দা তামোলখন আগবঢ়াই দিওঁতে আইতাৰ আঙুলিৰ মূৰ কেইটাই ককাৰ হাতৰ তলুৱাত কথা কোৱা হ’ল। বোৱাৰীয়েকে ভাত খাবলৈ মাতোতে ককা য’তেই নাথাকক গলখেকাৰি এটা মাৰি আইতাক উমান দিয়া নিয়ম হ’ল। ভাতৰ পাতত বহি ককাক কেনে মাছ দিছে ককাই মাছৰ কাঁইট বাছি খাব পৰিবনে নোৱাৰে মাছৰ কাঁইট বাছি দিওঁ বুলি ভাবিও লাজলগা আইতাই বোৱাৰীয়েকহঁতক চিঞৰি কোৱা হ’ল- ‘তহঁতেনো ক’ত আছ হয়নে? মাছৰ কাঁইট-চাইটবোৰ বাছি-কুছি দেহিচোন। এয়া আইতাক দিবলৈ কোৱা নাই— কৈছে ককাক দিবলৈহে। বোৱাৰীহঁতে আইতাৰ কথাবোৰ বুজা হ’ল। মাত-বোল নকৰাকৈ সংসাৰ কৰা ককা-আইতাৰ দৰে— পো-বোৱাৰীহঁতৰো তেনেকৈয়েই সংসাৰ আৰম্ভ হ’ল- সংসাৰ চলি যাব ধৰিলে। ককা-আইতাৰ কোঠাটো বোৱাৰীহঁতৰ বাবে সদায়েই কৌতূহলৰ বিষয় বস্তু হ’ল। কোঠাটোত সোমাই সাৰি-মচি চাফ-চিকুণ কৰি বিছনাপত্ৰ পাৰোতে গাৰুৰ তলত চেনিগুটি কেইটামান লজেন্স গোটাচেৰেক পায় বোৱাৰীয়েকহঁতে লাজতে ইজনীয়ে সিজনীক কোৱা-মেলা কৰা হ’ল। ইমানেই। কথা বুলিলে বতাহ কেনেবাকৈ এই কথা ককা-আইতাৰ কাণত পৰিলে সৰ্বনাশ হ’ব। গতিকে মনে মনে.....।



এলি আহমেদ

তাহানিৰ দিনবোৰত স্বামী-স্ত্ৰীৰ মৰমবোৰ গোপনে আছিল। লাজৰ বিজৰ কথা আছিল। এই কথাবোৰ বোৱাৰীয়েকহঁতেও শিকিছিল। তেওঁলোকেও শাহু আই আৰু শহুৰ দেউতাৰ আগত স্বামীৰ লগত দেখাকৈ হলি-গলি নকৰিছিল। সেই সময়ছোৱাত নিজৰ নিজ শোৱনি কোঠাতে যি হৈছিল সেয়াই। মনত পৰিছে আমাৰ আইতাই কোৱা এষাৰ কথা। আইতাৰ ওপৰত কিবা এষাৰ কথাত বোলে ককাৰ খং উঠিছিল মই পেচিয়াই পেচিয়াই সোধাতো আইতাই ককাৰ খং উঠা কাৰণটো মোক কোনো দিনে নক’লে। খঙতে বোলে ককাই আইতাক মুকুট এটা মাৰিছিল। আইতাই চাদৰেৰে গালখন ঢাকি ফুৰিছিল। কোনেও কথাষাৰ গম পোৱা নাই। এনেতে সেইদিনা আইতাৰ ককায়েক আহিছিল। হঠাতে ভনীয়েক আইতাৰ গালখনত চকু পৰাত আচৰিত হৈ সুধিলে- ‘তোৰ গালত কি হ’ল অ’ ফুলি আছে যে-‘আইতাই টপৰাই উত্তৰ দিলে।’ বৰলে কামুৰিলে’ কাষতে থকা ককাই তলমূৰ কৰিলে। কোনো দিন কোনো কথাত ফাঁকি নিদিয়া আইতাৰ এই ফাঁকিয়ে আইতাক আৰু আপোন যেন লাগিল ককাৰ। ককাই নিশা নিজৰ দোষ স্বীকাৰ কৰি আইতাক মাফ খুজি সাবটি ল’লে। আইতাই লাজতে মৰি যোৱা যেন পালে। আইতা ককাৰ মৰমবোৰ আৰু গাঢ় হৈ পৰিল।

পো-বোৱাৰী নাতি-নাতিনী, ভাই-বোৱাৰী নাতি-নাতিনীৰে ভৰা যৌথ পৰিয়ালৰ মানুহ চামৰ মাজত নিজৰ মানুহজনী নিজৰ মানুহটোৰ মৰম-চেনেহবোৰ নিজে নিজেহে বুজি উঠিছিল। তাহানিৰ আইতা-ককাহঁতৰ দিনত দ্বন্দ্ব-হাই আমি শুনা নাছিলো। প্ৰত্যেকেই নিজৰ নিজৰ কামত ব্যস্ত আছিল। পত্নীয়ে স্বামীক দেৱতাৰূপে জ্ঞান কৰিছিল। স্বামীয়েও পত্নীক সমমৰ্যাদা দিছিল। বৃদ্ধ বৃদ্ধা হৈ অহাৰ লগে লগে কোনেও কাকো এৰা নাছিল। ককা য’লৈকে গৈছিল আইতাও গৈছিল। গোহালিৰ ককাই গোবৰ কেইচপৰা কোৰখনেৰে চপাই লোৱাৰ লগে লগে আইতাই পাচিটো পাতি দিছিল। পুখুৰীৰ পাৰ, শাকনি বাৰীত দুয়ো বিৰাজমান। কোনোবাই দেৱী বুলি দুয়ো আঁতৰে আঁতৰে আছিল। বোৱাৰীহঁতে দূৰৰ পৰা জুমি জুমি চাই ৰগৰ কৰিছিল। জী-জোঁৱাইৰ ঘৰলৈ একেলগে যাব লগা হোৱাতো বৰ লাজৰ কথা আছিল। জী-জোঁৱাইৰ ঘৰতো আলেঙে আলেঙে আছিল।

এনেহেন ককা আইতা দুজনৰ মাজৰ পৰা কোনোবা এজনৰ বিয়োগ ঘটিলে। ঘৰখন নিমাওমাও হৈ পৰিছিল। থকাজনৰ লগত কথা-বতৰা পতাৰ কাৰো সাহসেই নহৈছিল। আইতাৰ বাবে ককা নথকা ঘৰখন, ককাৰ বাবে আইতা নথকা ঘৰখন একেবাৰে উদং উদং লগা হৈছিল। বৰ আপোন আছিল তাহানিৰ আইতাৰ ককাৰ ঘৰখন/কিন্তু আজি?

আজি আইতা-ককাৰ ঘৰ নোহোৱাৰ দৰে হ’ল। জী-বোৱাৰী নাতি-নাতিনীৰে এখন ভৰা ঘৰ, আইতা ককাৰ আজি কৰিবলৈ কাম নাই, নিজকে আলহী আলহী লগা হ’ল। শাকনি বাৰীখনো নাই তল-খুঁচৰিবলৈ। পুখুৰীত নাই বৰশী বাবলৈ। হাঁহ-কুকুৰাও নাই কণী উমনি দিবলৈ। নাতি-নাতিনীহঁত পঢ়াত ব্যস্ত। পো-বোৱাৰী চাকৰিয়াল। বনকৰা ছোৱালীজনীয়ে এহাতে ম’বাইলটো কাণত হেঁচা মাৰি ধৰি হাঁহি-হাঁহি কৰি যোৱা কামৰ বেমেজালিখিনি দেখিও আইতাই মুখেৰে মাতিব নোৱাৰে। আইতা-ককাহঁত এতিয়া চকু থাকিও অন্ধ, কাণ থাকিও কলা, মুখ থাকিও বোবা। এয়া এক দুৰ্বিষহ জীৱন।

কথাখিনি ভাবি থকাৰ মাজতে আইতাই দেখিলে ককাই বাগৰ দি থকা বিছনাখনৰ দূৰত থকা টেবুলখনৰ ওপৰত বনকৰা ছোৱালীজনীয়ে ককাক একো নোকোৱাকৈয়েই চাহ একাপ দি গ’ল। ককাই চাহ কাপ লৈ চাই চাই এটা সময়ত বিছনাৰ পৰা নামি হাত মেলি চাহ কাপ ল’ব খোজোতেই বিছনাৰ পৰা উজুটি খাই পৰিবলৈ খুজিছিল। ভাগ্যে আইতাই দেখি উজুটি মুজুটি খাই ককাক সাবট মাৰি ধৰিলে। আইতাৰ বুকুৰ চাদৰখনে ককাৰ মুখখন ঢাকি পেলালে। দুয়োৰে মাজত কাপোৰৰ জোট-পোট লাগিল। এনেতে বনকৰা ছোৱালীজনীয়ে আহি এই দৃশ্য দেখা পাই হাত চাপৰি মাৰি জঁপিয়াই জঁপিয়াই ক’লে ‘বঢ়িয়া বঢ়িয়া। দেখিলো দেখিলো বাঃ বাঃ কি মজা।’

তাহানিৰ কথা নপতা আইতা-ককাই মৰি যোৱা যেন লাজ পালে।

*ফোন ঃ ৯৪৩৫১-০৪৮৮৪*

# বিজ্ঞান আৰু ভগৱান

ড° মহানন্দ পাঠক

**মানৱ** ইতিহাসত বিজ্ঞানৰ প্ৰকৃতি ইমান সলনি হৈছে যে প্ৰকৃততে বিজ্ঞানৰ এটা সঠিক সূত্ৰ দিয়া টান বুলি সেই সময়তে মাৰ্ক্সবাদী বিজ্ঞানী জে. ভি. বাৰ্ণালে মন্তব্য কৰিছিল। তথাপি, বিজ্ঞান হ’ল প্ৰকৃতি আৰু ভৌতিক জগতৰ গঠন আৰু আচৰণ সম্পৰ্কীয় জ্ঞান, যি উদাহৰণৰ স’তে পৰীক্ষাৰ দ্বাৰা কৰা সত্যৰ ওপৰত প্ৰতিষ্ঠিত। আকৌ হাত আৰু চকুৰে ইটোৰে সিটোৰ লগত সমিল মিলকৈ শাৰীৰিক পৰিশ্ৰমৰ দ্বাৰাই নিৰ্মাণ কৰা কামৰ বাবে লগা বিচাৰ বুদ্ধিৰ স্বাভাৱিক জ্ঞানেই হৈছে কাৰিকৰী শিক্ষা আৰু ইয়াৰ দ্বাৰা উৎপাদিত সামগ্ৰীয়েই হ’ল প্ৰযুক্তি। গতিকে বিজ্ঞান বা বিজ্ঞান শিক্ষা তথা গৱেষণাৰ এটা প্ৰধান কাম হ’ল বিষয় বস্তুৰ ধাৰণা সুদৃঢ় কৰা। অৱশ্যে ধাৰণাৰ ৰূপ সলনি হৈ থাকে যদিও বিষয়বস্তুৰ লগত জড়িত জৈৱিক তথা ভৌতিক বস্তুবোৰৰ বুৰঞ্জীখিনি সলনি নহয়।

যুগ শত যুগৰ সৰ্ব্বশ্ৰেষ্ঠ গ্ৰন্থ “গীতা”ত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল, “শ্ৰদ্ধা আৰু বিশ্বাস নাথাকিলে কেতিয়াও জ্ঞান লাভ নহয়, মনৰ সংশয়ো আতৰি নাযায়।” যেনেদৰে যুগ যুগ ধৰি ভাববাদী দৰ্শনেৰে প্ৰকাশিত অজস্ৰ বিজ্ঞৰ হেজাৰ হেজাৰ গ্ৰন্থই জনগণক আচ্ছন্ন কৰি অসাম্যৰ শিকলিৰে বান্ধি ৰাখিবলৈ চেষ্টা কৰি আহিছে, তেনেদৰে আৱিষ্কাৰৰ ফলশ্ৰুতিতে শত-সহস্ৰ বিজ্ঞানৰ সা-সঁজুলিবোৰৰ লগতে যুগে যুগে বিজ্ঞানীসকলৰ গ্ৰন্থই বজাৰ দখল কৰি নতুন প্ৰজন্মৰ মন জয় কৰিবলৈ সক্ষম হৈছে। তথাপি বিজ্ঞানমনষ্ক নতুন পুৰুষ গঢ় দিয়াত বিজ্ঞান আন্দোলন ব্যৰ্থ হৈছে।

বিজ্ঞানৰ ক্ৰমবিকাশত যোৱা সহস্ৰাব্দৰ কেতবোৰ গুৰুত্বপূৰ্ণ বৈজ্ঞানিক তত্ত্ব তথ্যক আজি একবিংশ শতিকাৰ দুৱাৰডলিত থিয় হৈ শিক্ষিত সমাজে মানি ল’লেও তেওঁলোকৰ মানস কিন্তু সেইমতে আগবাঢ়ি যোৱা নাই। ইয়াৰ এটা প্ৰধানতম কাৰণ হয়তো ঐশ্বৰিক ধাৰণা, যি প্ৰথমতে কিবা এটা শক্তি হিচাপে মন-মানসত স্থিতি লয় আৰু তাৰ পাছত সি পৰ্যায়ক্ৰমে স্বঃ ঈশ্বৰ, জগদীশ্বৰ আদিলৈ পৰিৱৰ্তিত হৈ পূৰ্ণতা লাভ কৰে, যদিও প্ৰত্যেক ব্যক্তিৰে চিন্তা কৰিব পৰা পৰিসৰৰ ভিতৰত ধাৰণাই ঠাই লয়। সৰ্বতোকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ শ্ৰীমন্ত শংকৰদেৱে ঈশ্বৰক স্বামী আৰু জীৱক দাস বুলি ভাবে। (প্ৰসংগ ঃ কালিৰাম মেধি সম্পাদিত মহাপুৰুষ শংকৰদেৱৰ বাণী, পৃষ্ঠা নং ২২৯)। যদি মহাপুৰুষ শংকৰদেৱৰ বাণীটোৱেই সাৰোগত হয় তেন্তে মানৱৰূপী জীৱবোৰৰ নিজ নিজ চিন্তা, অনুভূতি, আশা-আকাংক্ষাৰ ক্ষেত্ৰত ক’বলগীয়া প্ৰতিটো কাম সেইজনাৰ অধীন নহয় জানো? পাৰ্থিৱ জগতত এইবোৰ জানো সম্ভৱ হ’ব পাৰে। বস্তুতঃ দেখা যায় বহুতো বিজ্ঞ মানুহৰ মন-মানসত এটা ধাৰণা জন্মে, যিটো পৰম সত্য বুলি বিবেচনা কৰে। প্ৰকৃততে, পৰম সত্য বুলি কোনো কথা নাই; কথাটো আংশিকভাবেহে বা আপেক্ষিকভাৱে সত্য।

শিক্ষাবিদ বেণুধৰ ৰাজখোৱাই কৈছিল ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে মোৰ ঘোৰ সন্দেহ আছে, তত্ৰাচ ঈশ্বৰ নাই



বুলি লোকক শিক্ষা দিলে দেশত ঘোৰ অৰাজকতা হ’ব। অৰাজকতাৰ ভয়ত, মানুহৰ নৈতিক স্খলনৰ ভয়ত আজিৰ বুদ্ধিজীৱী সকলে ঈশ্বৰ নোহোৱা বুলি নকয়, বৰঞ্চ কিবা এটা শক্তি থকা বুলিহে কয় যদিও, ঈশ্বৰ বা ভগৱান শব্দটোৰ লগত জড়িত কিবা এজনৰ কথা তৎক্ষণাৎ কৈ দিবলৈ দ্বিধা বোধ কৰে।

প্ৰকৃত পক্ষত, নৈতিকতা গঢ়ি উঠে মানুহৰ আচৰণ, অভ্যাস, চৰিত্ৰ আৰু স্বভাৱ সুলভ বৈশিষ্ট্যবোৰৰ মাজত। নৈতিকভাৱে চিন্তা কৰিবলৈ নিশিকালৈকে দাৰ্শনিকভাৱে কোনো বৈজ্ঞানিক ধাৰণাৰ সৃষ্টি নহয়। দৰ্শনপূৰ্ণ বৈজ্ঞানিক ধাৰণাৰে, জন-কল্যাণৰ হকে জ্ঞান প্ৰয়োগৰ যি শিক্ষা তাতেই জ্ঞান আৰু নৈতিকতাৰ মাজত ঐক্য স্থাপন হয়। নৈতিকতাৰ দিশৰ পৰা বিচাৰ কৰিবলৈ গ’লে সমাজৰ কল্যাণৰ কাৰণে যুক্তি সঙ্গত শ্ৰম, অকৰ্মাৰ খাদ্য পোৱাৰ অধিকাৰ নাই। এই নীতিৰ মাজতেই ভাল-বেয়া, শ্ৰদ্ধা-অশ্ৰদ্ধা, ন্যায়-অন্যায় সম্পৰ্কে জন মানসত বৈজ্ঞানিক দৃষ্টিভংগী নিৰ্ণীত হয়। মানুহৰ মনত প্ৰতিটো বিশ্বাসৰ তথ্যৰ প্ৰতি জ্ঞান আৰু চেতনা সঞ্চাৰ কৰিব পাৰিলে সমাজত বৈজ্ঞানিক ধাৰণাৰ সৃষ্টি হয়। কাৰণ তথ্যই ভাব ধাৰণাত যি সহায় কৰে বা অৱিহণা যোগায় সি যুক্তিসন্মত সিদ্ধান্ত লাভত সহায় কৰে। আৰু এই যুক্তিসন্মত সিদ্ধান্তই হৈছে বৈজ্ঞানিক দৃষ্টিভঙ্গী।

ঈশ্বৰ আছে নে, নাই ? এই ভাব ধাৰণাত কোনো যুক্তিসন্মত তথ্য আৱিষ্কৃত হোৱা নাই। সেয়েহে ঈশ্বৰ সম্পৰ্কত যিটো ভাবৰ উদ্ৰেক হয়, সি অৰ্থহীন নহয় জানো? প্ৰধানতঃ অভিজ্ঞতা আৰু পৰীক্ষণ প্ৰণালীয়েই হৈছে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰকৃত গতিপথ। কিয়নো বিজ্ঞান বা বৈজ্ঞানিক পদ্ধতিয়েহে আমাক প্ৰকৃতিৰ কোনো এটা দিশত সু-শৃংখলিত নিয়মৰ মাজেদি জ্ঞান দিব পাৰে। বাট্ৰাণ্ড ৰাছেলৰ ভাষাত “বিজ্ঞানৰ আন এটা অৰ্থ হ’ল জ্ঞান” যদিও সত্যৰ অনুধাৱনত মানৱীয় আবেগ আৰু মনোধৰ্মী সমস্ত কাৰ্যৰ প্ৰতি ইয়াৰ উদাসীনতা বিৰাজমান। আপাততঃ বিজ্ঞান হ’ল বস্তুনিষ্ঠ দৃষ্টিভংগী আৰু দাৰ্শনিক যুক্তি-যুক্ততাৰে অধ্যয়ন কৰা প্ৰণালীবদ্ধ জ্ঞান কৌশল। বস্তুতঃ বিজ্ঞান হ’ল আৱিষ্কৃত সত্যৰ মূৰ্ত প্ৰকাশ। যাৰ কাম হৈছে প্ৰত্যক্ষ জ্ঞান আৰু আবেগ প্ৰবাহৰ মাজত থকা সম্পৰ্কবোৰ আৱিষ্কাৰ কৰা। আৱিষ্কাৰ কৰা মানে বিভিন্ন সম্ভাৱনাবোৰ জুখিমাখি চোৱা, অলাগতিয়াল বুলি ঠাৱৰ কৰা খুতি নাটিবোৰ পৰিহাৰ কৰা। আকৌ বৈজ্ঞানিক দৰ্শনৰ দৃষ্টিত জ্ঞান হ’ল মানুহৰ মনত উদয় হোৱা বহিঃ প্ৰকৃতিৰ প্ৰতিফলন। অৰ্থাৎ আমাৰ পূৰ্বলব্ধ অভিজ্ঞতাৰ পৰা বাস্তৱ জগতত যি ঘটে বা ঘটি আছে সেইবোৰৰ ধাৰণাৰ বিষয়ে আমাৰ জ্ঞানেন্দ্ৰিয়— চকু, কাণ, নাক, আদিয়ে স্নায়ুতন্ত্ৰৰ জৰিয়তে মগজুলৈ পঠিওৱা এক অনুভূতি, যি অনুভূতিৰ অনুভৱত সৃষ্টি হয় চিন্তা আৰু সেই চিন্তাৰ দ্বাৰাই আহৰণ কৰা হয় জ্ঞান, যি বাস্তৱ জীৱনত প্ৰতিফলিত হয়। অৱশ্যে চিন্তা কৰিব পৰা ক্ষমতা অনুসৰি জ্ঞানৰ পৰিধিও বেলেগ বেলেগ হোৱা পৰিলক্ষিত হয়, যি পৰিধিত ধাৰণাই বিস্তাৰ লাভ কৰে। যেনে ঃ বিশ্বৰ শ্ৰেষ্ঠ মানৱৰূপে স্বীকৃত মোহন দাস কৰমচাদ গান্ধীয়ে ঈশ্বৰ সম্পৰ্কত জ্ঞানৰ পৰিধি চুমি কৈছিল, “ঈশ্বৰ হ’ল পৃথিৱীৰ কাৰণ, বহল অৰ্থত এই বিশ্বব্ৰহ্মাণ্ডৰ আদি কাৰণ ঈশ্বৰ। যদি ঈশ্বৰ নাই তেনেহ’লে এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি হ’ল কেনেকৈ?” এই কথাষাৰিৰ প্ৰত্যুত্তৰত ব্ৰাট্ৰাণ্ড ৰাছেলৰ প্ৰণিধানযোগ্য উক্তিটো হ’ল “If everything must have a cause then God must have a cause. If there can be anything without a cause, it may just as well be the world as God, .........”. যদি স্ৰষ্টা অবিহনে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি অসম্ভৱ, তেনেহ’লে আদি কাৰণৰূপী সেই স্ৰষ্টাৰেই বা সৃষ্টি হ’ল কেনেকৈ?

ঈশ্বৰ সম্পৰ্কত গৌতম বুদ্ধক এবাৰ এজন প্ৰিয় শিষ্যই প্ৰশ্ন কৰিছিলঃ ঈশ্বৰৰ অস্তিত্ব আছে জানো? নৈতিকতাৰ গৰাকী গৌতমবুদ্ধই উত্তৰ দিছিল ঃ তোমাক মই কেতিয়া ঈশ্বৰৰ কথা ক’লো। ইয়াকে মাত্ৰ কওঁ ঃ নিজে ভাল হৈ থাকা আৰু আনকো ভাল কৰা। বিজ্ঞানী ড° এলবাৰ্ট আইনষ্টাইনে ১৯৫০তে ঈশ্বৰৰ লগত ধৰ্ম আৰু দৰ্শনৰ সম্পৰ্কত মত পোষণ কৰি কৈছিলঃ "The idea of God in the religion taught at present is a sublimation of that old concept of the God."

আইনষ্টাইনে বিশ্বাস কৰিছিল যে ধৰ্মৰ লগত ঈশ্বৰৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত, ধৰ্ম আৰু বিজ্ঞানৰ মাজত বিৰোধ থকাটো অসম্ভৱ। দৰাচলতে এই মনোভাৱটো কোনো এচাম মানুহৰ লগতহে জড়িত। যদি সেই চাম মানুহে প্ৰাকৃতিক ঘটনাৱলীৰ ক্ষেত্ৰত ঈশ্বৰৰ হাত থকা বুলি জনসাধাৰণৰ মনত ঈশ্বৰৰ ধাৰণা সুমুৱাই দিয়ে, তেতিয়া তাক বিজ্ঞানৰ দ্বাৰা খণ্ডন কৰিব পৰাটো টান হৈ পৰে; যিহেতু তেনে ধাৰণা সদায় জ্ঞান পৰিধিৰ সেই অংশৰ অন্তৰ্ভুক্ত, য’ত বৈজ্ঞানিক চিন্তাধাৰাই এতিয়ালৈকে প্ৰৱেশ কৰিব পৰা নাই। অৱশ্যে বিজ্ঞানৰ ক্ৰমোন্নতিৰ লগে লগে জনসাধাৰণৰ মনত বৈজ্ঞানিক পদ্ধতিয়ে সাচ বহুৱাব পাৰিলে তেনে ধাৰণা এদিন নহয় এদিন নোহোৱা হৈ যাব পাৰে বুলি ভবাৰ থল আছে।

দাৰ্শনিক জৰ্জ টমচনে কৈছিল ঃ ‘অজ্ঞতাই হ’ল ধৰ্মৰ মূল।’ গতিকে আইনষ্টাইন আৰু টমচনৰ একীকৃত বক্তব্য হ’ল -- অজ্ঞতাৰ নামেই ঈশ্বৰ। আজিৰ সৰ্ব্বসাধাৰণ মানুহৰ কথা নালাগে শিক্ষিত ব্যক্তি বিশেষেও নিজৰ নিজৰ অজ্ঞতাক স্বীকাৰ কৰি নলৈ ঈশ্বৰক অজুহাত দি নিজৰ নিজৰ স্থিতি বজাই ৰাখিবলৈ যত্নপৰ হোৱা দেখা যায়। “ঈশ্বৰ বিশ্বাসৰ অন্য এটা কাৰণ হয়তো মানুহৰ অসামাৰ্থ্য আৰু অসহায়তা। অজ্ঞানতা আৰু অসামৰ্থ্যতাৰ বাহিৰে যদি কোনো ভিত্তিৰ ওপৰত ঈশ্বৰ বিশ্বাস প্ৰতিষ্ঠিত হৈ থাকে, তেনেহ’লে সি ধনী আৰু ধূৰ্ত প্ৰকৃতিৰ মানুহ বিলাকৰ স্বাৰ্থ ৰক্ষাৰ প্ৰয়াসৰ বাহিৰে আন একো হ’ব নোৱাৰে।”-- ৰাহুল সাংস্কৃত্যায়ন। তেনেলোকৰ এনে ঈশ্বৰ বিশ্বাসৰ আঁৰত যি উদ্দেশ্য নিহিত থাকে, সেয়া হয়তো সাধাৰণ জনগণৰ বাবে সময়ত আৰু বেছি বিপজ্জনক হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠে।

প্ৰসঙ্গ পুথি ঃ


- Einstein Albert, *Ideas and Opinions*, Rupa & Co. Calcutta, Allahabad, Bombay.
- Einstein Albert and Leopold Infeld, *Evolution of Physics*
- Hawking Stephen W, *A Brief History of Time*, Bantam Books, Landon.
- Hawking Stephen W., *The Theory of Everything*, JAICO, Publishing House, India
- Sagan Carl, *Cosmos*, Harper Collins Publishers, Londan


*ফোন ঃ ৯৮৬৪১৪৯২৫০*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

## ৰিপুনাথ বুঢ়াগোহাঞিৰ ‘সিদিনাৰ কথা’

## পিয়লি ফুকন-জিউৰাম দুলীয়া বৰুৱাৰ চহিদীৰে উদ্দীপ্ত

# ১৮৩০ চনৰ বৃতিচ-বিৰোধী বিদ্ৰোহৰ বুৰঞ্জি

দ° দেৱব্ৰত শৰ্মা

“**১৮২৬** চনৰ য়ান্দাবু সন্ধিমতে বৃতিচে অসম দখল কৰিলেও অসমৰ ৰাইজে বিনাযুদ্ধে বৃতিচক বৰি লোৱা নাছিল। ১৮২৮ চনতেই গমধৰ কোঁৱৰক সমুখত লৈ ৰচনা কৰা হৈছিল বৃতিচ-বিৰোধী বিদ্ৰোহ। সেই বিদ্ৰোহৰ ব্যৰ্থতাৰ পাচতো ১৮৩০ চনত পুনৰ ৰংপুৰৰ খাৰঘৰ জ্বলাই বৃতিচৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল ধনঞ্জয় বৰগোহাঞিৰ আদিৰ নেতৃত্বত এদল বিদ্ৰোহীয়ে। পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱা সেই বিদ্ৰোহ কৰিবলৈ গৈ চহিদ হোৱাৰ কথা আমি জানো, কিন্তু দুৰ্ভাগ্যজনকভাৱে চহিদ জীউৰাম দুলীয়া বৰুৱাৰ বিষয়ে বিশেষ একো জনা নাযায়। আমি জাতীয় ইতিহাসৰ তৰফৰ পৰা চেষ্টা কৰি যিখিনি কথা জানিব পাৰিছোঁ সেইখিনি অলপতে এই শিতানতে জনাম।

পাচে আজি আমি লৈ আহিছোঁ চহিদ পিয়লি ফুকনৰ বিষয়ে বুৰঞ্জিবিদ ৰিপুনাথ বুঢ়াগোহাঞিৰ কথাহে। তেখেতৰ ‘সিদিনাৰ কথা’ নামৰ বুৰঞ্জিখন প্ৰকাশ পাইছিল ১৯৬৭ চনত। তাৰ পাচত সুদীৰ্ঘ ৫৫ বছৰ পাৰ হৈ গ’ল। ২০২২ চনত যোৰহাটৰ জাতীয় অভিধান পথত থকা জাতীয় ভৱন অৱস্থিত জাতীয় ইতিহাস প্ৰকল্পৰ পৰা কিতাপখনৰ দ্বিতীয় প্ৰকাশৰ যো-জা চলিছে। কিতাপখন জাতীয় শিক্ষা সমন্বয় পৰিষদৰ অন্তৰ্গত জাতীয় বিদ্যালয়ৰ দ্ৰুতপাঠ হিচাপে উলিয়াবলৈ লোৱা হৈছে। পুনৰ্প্ৰকাশৰ অনুমতি দি বুৰঞ্জিবিদজনৰ সুযোগ্য পুত্ৰ গীতিকাৰ, সুৰকাৰ হীৰেন গোহাঁয়ে আমাক বাধিত কৰিছে। তেখেতক শলাগ জনাইছোঁ। বিশিষ্ট বুৰঞ্জিবিদজনে পিয়লি ফুকনৰ কথা এনেকৈ লিখিছে ঃ

‘পিয়লি আছিল বদন চন্দ্ৰ বৰফুকনৰ মাজুপুত্ৰ। দেউতাকৰ আটাইকেইটা ল’ৰা-ছোৱালীৰ ভিতৰত তেৰেঁই আছিল দেখনিয়াৰ, সাহীয়াল, পৰোপকাৰী আৰু স্বাধীন মনৰ ল’ৰা। যি মূলা বাঢ়ে, তাৰ দুপাততে চিন। দুপতীয়া অৱস্থাৰে পৰা পিয়লিয়ে দেশৰ আৰু জাতীয় বুৰঞ্জীৰ কথা বৰকৈ ভাবিছিল। অৱশ্যে স্বাধীন যুগত অসমৰ ডা-ডাঙৰীয়াসকলৰ ল’ৰা-ছোৱালীয়ে বুৰঞ্জীৰ কথা জনা আৰু পূৰ্ব পুৰুষসকলৰ দৰে বীৰ-বীৰাংগনা হ’বলৈ হেঁপাহ আৰু কামনা কৰা, তেওঁলোকৰ এটা জাতিগত আৰু জন্মগত নীতিৰ কথা হৈ আছিল। সেই গতিকেই সেইকালৰ মানুহে যেতিয়াই দৰকাৰ হৈছিল, তেতিয়াই নিজৰ ব্যক্তিগত সুখ দুখৰ কথা পাহৰি দেশৰ কাৰণে আৰু জাতিৰ সন্মানৰ ৰক্ষাৰ্থে, ৰণত হাঁহিমুখে মৃত্যু পৰ্যন্তও বৰণ কৰি ল’বলৈ কেতিয়াও কোনো ক্ষেত্ৰতেই পিছ পৰা নাছিল।

বাঘৰ পোৱালি বাঘ। যেনে বাপেক তেনে পুত্ৰ। পিয়লি ডাঙৰ হৈ অহাৰ লগে লগে দেউতাকৰ দৰে এজন বিশিষ্ট ৰাজনীতিজ্ঞ আৰু দূৰদৰ্শী যুঁজাৰু পুৰুষ হৈ দেশৰ অপায়-অমংগল, ভাল-বেয়া, সৰু বৰ সমস্যাবোৰ চালি-জাৰি চাবলৈ ধৰে। ঘৰুৱা কন্দলতেই হওক বা কিছুমান পাবত গজা লোকৰ নীচ ষড়যন্ত্ৰ আৰু উৎপাত-উৎপীড়নতেই হওক, অসমৰ স্বাধীনতা বেলি ধীৰে ধীৰে পশ্চিমত মাৰ গ’ল। তেতিয়াৰ ডাঙৰীয়া বৰমূৰীয়াসকলে কাক-কেনেকৈ বিশ্বাস আৰু মৰম কৰি, হিতে বিপৰীত অৱস্থাত পৰিবলৈ পাইছিলে আৰু কেনে দোষত সিবিলাকৰ মাজত গৃহ কন্দল সৃষ্টি হৈ শেষত বিপদতো পৰিছিলে, এনে সকলোবোৰৰ প্ৰকৃত কেৰোণ তেওঁৰ আগত এটা এটাকৈ ভাঁহি উঠিবলৈ ধৰে। দেশৰ একমাত্ৰ মেৰুদণ্ড পিতৃ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সৈতে হোৱা দেউতাকৰ সেই মনোবাদ আৰু বিদেশী মান অনা কথাও সমূলি ভালপোৱা নাছিল। সেয়েহে সেইবোৰ সুঁৱৰি সুঁৱৰি দুখ কৰি কৈছিল- ‘নিজৰ বৰঘৰত নিজে জুই দি ফুকনৰ বংশৰ কলংকৰ দাগ চন্দ্ৰ-দিবাকৰ থকালৈকে ৰাখিলে।’...”

১৮৩০ চনৰ বৃতিচ বিৰোধী বিদ্ৰোহৰ বুৰঞ্জি বুলি গণ্য কৰিব পৰা কিতাপখনত সেই বিদ্ৰোহৰ আন কেইজনমান নায়কৰ কথা এনেকৈ উল্লেখ কৰা হৈছে ঃ

**বিদ্ৰোহী নুমলী গোহাঁই**

“...নুমলী গোহাঁই আছিল, বুৰঞ্জী প্ৰসিদ্ধ দিলিহীয়াল বুঢ়াগোহাঁই ফৈদৰ এজন বিশিষ্ট ৰাজনীতিজ্ঞ, দূৰদৰ্শী, জ্ঞানী-মানী আৰু প্ৰখ্যাত যুঁজাৰু পুৰুষ। পতনমুখী অসমীয়া জাতিৰ এনে অভূতপূৰ্ব অৱনতিত তেওঁৰ প্ৰাণে কান্দিছিল; আৰু তেওঁ এই অৱস্থাত বগা বঙালহঁতৰ আধিপত্য বিস্তাৰৰ কাৰ্য-কলাপো কোনো মতেই সহ্য কৰিব নোৱাৰিছিল। তেওঁৰ চিৰ-চেনেহী জন্মভূমিক চিৰকাল কেনেকৈ স্বাধীনা কৰি থ’ব, হেৰোৱা ৰাজ্যধন কেনেকৈ পুনৰ উদ্ধাৰ হ’ব আৰু ইংৰাজ তথা বনিয়া বগা-বঙালক কেনেকৈ দেশৰ পৰা খেদিব- এই এশ এটা চিন্তাই তেওঁক সাৱটি ধৰি বিদ্ৰোহী কৰি তোলে।

উজনি অসমৰ কটকটীয়া শাসন-ভাৰ লৈ যি সময়ত ইংৰাজে ৰংপুৰৰ ফালে আগুৱাবলৈ ধৰিছিল, ঠিক সেই সময়তে নুমলী গোহাঁয়েও তাত এটা শক্তিশালী শকত সৈন্য-বাহিনী গঠন কৰিবলৈ ধৰে। যেনে লক্ষ্য তেনে কাম। এই মহৎ উদ্দেশ্য বুকুত সাৱটিলৈ হাতে-কামে লাগি যায় আৰু সেই গোপন সংগঠনৰ কাৰ্যত একেটি পুত্ৰ ভদ্ৰসেন আৰু একটি কন্যা লাহৰী আইদেৱকো লগাই দিয়ে। দেউতাকৰ আদেশ আৰু নিৰ্দেশ মতেই তেওঁলোকেও নেৰানেপেৰা চেষ্টাত ৰাতি-দিন সমভাৱে কাম কৰে।...”

“... বগা বঙালৰ এইবোৰ অত্যাচাৰ আৰু অনাচাৰত নুমলী গোহাঁই থিৰেৰে থাকিব নোৱাৰা হয়; তেওঁৰ অন্তৰৰ তুঁহ জুই দুগুণে জ্বলিবলৈ ধৰে। তেওঁ এমুঠি অসমীয়া সৈন্যৰে হ’লেও বগা বঙালক নিপাত কৰিবলৈ প্ৰাণত দৃঢ়সংকল্প লয় আৰু দেশৰ হকে জীয়া তেজ দিবলৈ সাজু হৈ থকা অন্যান্য বীৰপুৰুষ সকলকো লগ ধৰাৰ ব্যৱস্থা কৰে। সেই ব্যৱস্থা মতে এদিন এটা নিৰ্দিষ্ট দিনত সকলোটি আহি চৰাইদেউৰ ৰজা মৈদামত গোট খায়। সেই জীৱন-মৰণৰ মেলত গভীৰ চিন্তা আৰু আলোচনাৰ পিছত, বহাগৰ কুৰি তাৰিখে, বুধবাৰে, ৰাতি দুপৰত বগা-বঙালহঁতক আক্ৰমণ কৰিবলৈ স্থিৰ সিদ্ধান্ত লয়। তাৰ পিছত সেই মেলতে আক্ৰমণৰ কাৰ্য-তালিকা খনো প্ৰস্তুত কৰি সেইমতে প্ৰত্যেকেই দায়িত্বভাৰ নতশিৰে গ্ৰহণ কৰে। ...”

সেইদৰে উক্ত বিদ্ৰোহৰ আন কেইজনমান নায়কৰ কথা ইয়াত এনেকৈ পোৱা যায়।

**বিদ্ৰোহী চিকণ ঢেকীয়াল ফুকন**

“... আহোম স্বৰ্গদেৱসকলৰ ৰাজত্বকালত উজনি অসমৰ কেবাজনো নামজ্বলা ৰাজনীতিজ্ঞ বিষয়াই ঢেকীয়াল ফুকনৰ বিষয় বাব- লৈ নামনি অসমলৈ গৈছিল। চিকণ ঢেকীয়াল ফুকনৰ দেউতাকো আছিল-সেই সকলৰ ভিতৰত এজন প্ৰধান। গড়গাঁও নগৰৰ কাষৰ লংকাক নামেৰে ঠাইখিনিতে সেই ঢেকীয়াল ফুকনৰ ঘৰ-বাৰী। কালক্ৰমে দেশৰ স্বাধীনতা যোৱাৰ লগে লগে বগা-বঙালে তথা ইংৰাজে নতুন শাসন-ক্ষমতা লৈ, ইয়াৰ জনসাধাৰণ প্ৰজাক কৰা অন্যায়, অত্যাচাৰ, তেতিয়াৰ কোনো আত্ম-সন্মান চিনি পোৱা অসমীয়াই সহ্য কৰিব নোৱাৰিছিল।...”

“...মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন। ঢেকীয়াল ফুকনৰ তিলমানো জিৰণি নাই। অপাৰ দুখ-কষ্ট আৰু বিপদ-আপদৰ মাজত প্ৰতিজ্ঞা ৰক্ষাৰ্থে পিয়লিৰ উদ্ধাৰৰ চেষ্টাত অবিৰাম ঘূৰিবলৈ ধৰে, তেওঁৰ পিচত শত্ৰু, আগত শত্ৰু, আৰু শত্ৰুপক্ষৰ অসংখ্য চোৰাংচোৱা; বাটে-ঘাটে ইংৰাজৰ দলে দলে পালি-প্ৰহৰী। সেয়ে ফুকনে অগত্যা তলাতল ঘৰৰ বৃহৎ সুৰংগত আশ্ৰয় ল’বলৈ যাব লগা হয়।...”

“...সেইভাৱে যুঁজি থকা অৱস্থাতে হঠাৎ শত্ৰুৰ বন্দুকৰ গুলিয়ে ফুকনৰ বুকু ভেদ কৰি যায়, বুকুৰ কেঁচা তেজেৰে সুৰংগ ৰঙা হৈ পৰে, ফুকন অজ্ঞান অৱস্থাত তাতে ঢলি পৰি মৃত্যু হয়।...”

“... বুৰঞ্জী প্ৰসিদ্ধ বকতা এখনি টাই-আহোমৰ অতি ঘন বসতি ঠাই। সেই পৱিত্ৰ ঠাইখিনিতে জন্মগ্ৰহণ কৰিছিলে- এজন সমাজ সেৱক, দেশপ্ৰেমিক, গুণী পুৰুষে- যাৰ নাম বুৰঞ্জীৰ পিঠিত সোণালী আখৰেৰে লিখা আছে। সেই গৰাকীয়েই এই খণ্ড বিৱৰণীৰ নায়ক, বীৰপুৰুষ লাবৰ বকতীয়াল বৰুৱা। এওঁ বকতাৰ অতি সম্ভ্ৰান্ত বৰ দেওধাই খেলৰ সন্তান- যি বাল্যকালৰ পৰাই টাই-আহোম পণ্ডিতসকলৰ দেখুওৱাৰ উপৰিও, আহোম বুৰঞ্জীৰ প্ৰতি অত্যন্ত ৰাপ, আৰু পূৰ্ব সম্বন্ধ জীয়াই ৰাখিছিল।...”

উক্ত বিদ্ৰোহৰ স্বল্পজ্ঞাত আন এজন যোদ্ধাৰ কথা তাত এনেকৈ পোৱা যায় ঃ

“...এদিন ৰাতি বৰুৱাই চৰুভঙ্গাই দি দিলিহিলৈ বুলি আহোঁতে কেন্দুগুৰিৰ গড়ৰ মাজত ইংৰাজ-সৈন্যৰ লগত তেওঁৰ ভেটাভেটি হয়। তাতে তেওঁক সিহঁতে আগচি ধৰাত বৰুৱাই ৰক্ষাৰ উপায় নেদেখি, তেওঁৰ উঠি অহা বগা ঘোঁৰাৰে কেইবাটাকো পিছ লাঠি মৰোৱাই নাক-মুখ ভঙাৰ উপৰিও সিহঁতৰ ভালেমানক মাৰে। সেইদৰে মাৰি কোনোমতে তাৰ পৰা পলাবলৈ ঘোঁৰা দৌৰাই দিয়া অৱস্থাত, শত্ৰু-সৈন্যই তেওঁলৈ আৰু তেওঁৰ সেই বগা ঘোঁৰাটোলৈ লক্ষ্য কৰি গুলি এৰে। সেই গুলিত লাবৰ বৰুৱা ঘোঁৰাৰ পৰা বাগৰি পৰে আৰু খন্তেকৰ পিছতেই তেওঁৰ আৰু ঘোঁৰাটোৰো প্ৰাণবায়ু ওলাই যায়। সেইভাৱেই এজন বীৰ পুৰুষৰ অমূল্য জীৱনৰ অন্ত পৰে। তেওঁ এইভাৱেই মৰিল যদিও, বকতাবাসীক তেওঁৰ অমৰ আত্মাই আজিও দেশৰ বাবে সজাগ কৰি থৈছে।...”

প্ৰকাশিত বুৰঞ্জিবিলাকত উল্লেখ পোৱা আন এজন বিদ্ৰোহী বীৰৰ বৰ্ণনা এনেধৰণৰ ঃ

**মইনা খাৰঘৰীয়া ফুকন**

নুমলী গোহাঁই-পিয়লি ফুকন আদিৰ চৰাইদেউৰ মেলত বৃতিচ খেদাৰ যি সিদ্ধান্ত হৈছিল, তাৰ অন্যতম অংশীদাৰ আছিল মইনা খাৰঘৰীয়া ফুকন।

“...চৰাইদেউৰ মেলৰ পিচত মইনা খাৰঘৰীয়া ফুকনে নিজৰ দায়িত্বত নামি, এখনি কাৰ্যকৰী আঁচনিও গঠন কৰি লয় আৰু সেইমতে কামতো হাতে-কামে লাগি যায়। তেওঁৰ সেই আঁচনিৰ কামবোৰৰ আভাস ইয়াত দাঙি ধৰা হৈছে-

১) জবকা পাহাৰতে প্ৰধান অস্ত্ৰাগাৰ পাতি, পূৰ্বৰ বিখ্যাত ঠাইবিলাকৰ পৰা এহেজাৰ পাকৈত কাৰিকৰ বাছি লৈ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰাব।

২) কাৰি কৰবিলাকক পাঁচ ভাগত বিভক্ত কৰি ল’ব; যেনে- প্ৰথম ভাগ-বন্দুক সজাত, দ্বিতীয় ভাগ- খাৰ-বাৰুদ কৰাত, তৃতীয় ভাগ- অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰাত, চতুৰ্থ ভাগ- ধেনু-কাঁড় বনোৱাত আৰু পঞ্চম ভাগ- যাঠি-বৰছা-জোং সজাত।

৩) নিৰ্দিষ্ট সংখ্যক আহিলা-পাতিবিলাক আক্ৰমণৰ প্ৰধান ঠাই দিখৌমুখ, ৰংপুৰ আৰু নাজিৰালৈ পঠাই দিব।...”

কিন্তু ইমান প্ৰস্তুতিৰ পাচতো জবকাৰ অস্ত্ৰাগাৰৰ খবৰ বৃতিচে পালে।...”

“...উপায় নাপাই, মইনা খাৰঘৰীয়া ফুকনে নিজে হাতত জুই লৈ খাৰত জুই লগাই দিয়ে; একপলকতে খাৰত জুই লাগি গোটেই অস্ত্ৰাগাৰ পুৰি ধ্বংস কৰি পেলায়। নিজ হাতে গঢ়া প্ৰাণৰ অস্ত্ৰাগাৰৰ জুইত তেওঁ নিজেও জঁপিয়াই পৰি, ইহলীলা সম্বৰণ কৰিলে। সেইভাৱেই অসমৰ একমাত্ৰ অস্ত্ৰাগাৰ ‘জবকা’ পতন হয়।...”

কিন্তু ইয়াৰ উপৰিও কোনো বুৰঞ্জিতে নাম পৰ্যন্ত উল্লেখ নথকা দুগৰাকী অসমীয়া বিদ্ৰোহিনী চহিদৰ সম্পৰ্কেও ইয়াত বিতং তথ্য আছে। যথা ঃ

**লাহৰী গোহাঞি আৰু মনোমতী চিৰিং ফুকন**

“...লাহৰী আইদেৱ আছিল নুমলী গোহাঁইৰ একমাত্ৰ গাভৰু কন্যা। সৰুৰে পৰাই দেউতাকৰ লগত থাকি ৰাজনীতি বিষয়ৰ যথেষ্ট জ্ঞান অভিজ্ঞতা পায়; অইন কি দেউতাৰ য’লৈকে গৈছিলে, তেৰোঁ তলৈকে গৈ দেউতাকৰ যাৱতীয় কামবনত সহায়তা কৰিছিলে। লিখা পঢ়া কৰা, ঘোঁৰাত উঠিবলৈ শিকা, ধনু-কাঁড় মৰা, অস্ত্ৰ-শস্ত্ৰ চলাবলৈ শিকা এইবোৰ কৰি তেওঁ বেছি ভালো পাইছিল। বুৰঞ্জী পঢ়ি বীৰ-বীৰাংগনাসকলৰ জীৱন কাহিনীৰ অভিজ্ঞতা পাবলৈ তেওঁৰ প্ৰবল ধাউতি আৰু ৰাপো আছিল। মাজে মাজে সেইসকলৰ তিথি উৎসৱ আদি পাতি অন্যান্য সকলকো পূৰ্বপুৰুষ সকলৰ দক্ষতা আৰু বীৰত্বৰ কাহিনীবোৰ বিৱৰি কৈছিল। বীৰাংগনা মূলা গাভৰুৰ নিচিনাকৈ ৰণ শিক্ষাত নিপুণ হৈ দেশৰ বাবে কাম কৰিবলৈ তেওঁৰো হেঁপাহ আৰু আগ্ৰহ বাঢ়ি যায়।

লাহৰীৰ লগত একেলগে ৰং-ধেমালি কৰি ডাঙৰ-দীঘল হৈছিল, ওচৰৰ বিৰাই চিৰিংফুকনৰ জীয়েক মনোমতী আইদেৱ। এওঁৰ দৰে মনোমতীৰো ভাব ধাৰা দিনক দিনে বাঢ়ি যায় আৰু আৱশ্যকীয় ৰাজনীতিৰ শিক্ষাবোৰ পাই, এওঁৰো লাহৰীৰ দৰেই দেশৰ কামলৈ ধাউতি বাঢ়ে। মানৰ পিচত হোৱা দেশৰ শোচনীয় অৱস্থা আৰু দুখময় পৰিস্থিতিয়ে এওঁলোককো অতিকৈ বিতত কৰি তুলিছিল। বাৰ নৈ তেৰ সাগৰ পাৰ হৈ অহা এমুঠি বগা বঙালহঁতৰ শাসন কাৰ্যত কেনেকৈ বাধা দিব পৰা যায় আৰু কেনেকৈ দেশ উদ্ধাৰ পাব সেই চিন্তাও কৰিবলৈ ধৰে।...

...দেউতাকৰ লগত দিখৌমুখৰ আক্ৰমণলৈ লাহৰীয়ে তেওঁৰ নাৰীবাহিনীও লৈ যায়। তাত লাহৰীয়ে নানা ছদ্মবেশত ফুৰি, শত্ৰুপক্ষৰ যথেষ্ট বা-বাতৰি আনি দি দেউতাকক আক্ৰমণৰ কামত সহায়তাও কৰিছিল। সেই আক্ৰমণত জয়ী হৈ, নুমলী গোহাঁই নাৱেৰে কলিয়াবৰলৈ ভটিয়াই যোৱা সময়ত লগত লাহৰীও আছিল। ইংৰাজসকলে যেতিয়া ব্ৰহ্মপুত্ৰৰ মাজত নুমলীৰ নাও আক্ৰমণ কৰিবলৈ ধৰে- তেতিয়া লাহৰীয়ে নিজেও হাতত বন্দুক লৈ শত্ৰুপক্ষৰ লগত যুদ্ধ কৰিছিল। কিন্তু শত্ৰুৰ বন্দুকৰ গুলীয়ে লাহৰীৰ বুকু ভেদ কৰি যায়, তাতে তেওঁ চিৰদিনলৈ চকু মুদিলে।...

ইফালে মনোমতীয়ে ৰংপুৰৰ বিপৰ্যয়ত অতিকৈ বিপদত পৰে। তেওঁ যিমানে পাৰিলে শত্ৰুহঁতক চল পালেই হত্যা কৰিবলৈ ধৰিছিল। ইফালে গাঁৱৰ নাৰীসকলকো এই মহাবিপদত অধৈৰ্য নহ’বলৈ নিৰ্ভয় দি ফুৰিছিল। তেতিয়া অসমীয়া তিৰোতাসকলৰ অসীম সাহ, ধৈৰ্য আৰু মনোবলত ইংৰাজসকল বৰ স্তম্ভিত হৈ পৰিছিল।...

...এদিন ৰাতি শত্ৰুসৈন্যই তেওঁক চাৰিও ফালৰ পৰা আগুৰি ধৰা অৱস্থাত, সিহঁতৰ হাতত বন্দী হৈ নিৰ্যাতন ভোগ কৰাতকৈ, মৰাই শ্ৰেয় বুলি ভাবি মনোমতীয়ে অগত্যা দিচাং নৈত জাঁপ দি মৰণক আকোঁৱালি ধৰে। সেই ভাৱেই বীৰাংগনা লাহৰী আৰু মনোমতী আইদেৱৰ সেই অমূল্য জীৱনৰ অৱসান ঘটে।...”

এনেদৰে ১৮৩০ চনৰ বৃতিচ-বিৰোধী বিদ্ৰোহীৰ বিষয়ে বিপুল তথ্য সমাবেশ কৰা বুৰঞ্জিখনত কিন্তু কেইটামান সীমাবদ্ধতাও নথকা নহয়। ইয়াত উক্ত বিদ্ৰোহত পিয়লি ফুকনৰ সৈতে একেলগে চহিদী বৰণ কৰা জিউৰাম দুলীয়া বৰুৱাৰ বিষয়ে কোনো কথা পাবলৈ নাই। নাই ধনজয় বৰগোহাঞি আৰু তেওঁৰ পুত্ৰদ্বয় হৰনাথ আৰু হৰকান্ত কথাও। আব্দুছ ছাত্তাৰে পিয়লি ফুকনক খাৰঘৰক জুই লগাবলৈ বাট দেখুৱাই অনা বুলি কোৱা বৰদৎ আলিৰ বিষয়েও। ইয়াত একো নাই। তথাপিও নথকাখিনি বাদ দিলে থকাখিনিৰেই আমাৰ ইতিহাস অনুসন্ধানৰ এন্ধাৰ বাটত এচমকা পোহৰ পেলাইছে সিদিনাৰ কথাও। আমি জাতীয় শিক্ষা সমন্বয় পৰিষদৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সদৌ ৰাইজৰ হাতত বিৰল বুৰঞ্জিখন তুলি দিলোঁ।

(লেখক **অসমীয়া জাতীয় অভিধান** তথা **জাতীয় ইতিহাস**ৰ মুখ্য সম্পাদক;

*ফোন ঃ ৯৪৩৫৩৫১২৫৫*

এওঁলোকৰ মাজৰ কোনোৱে যদি পৰিয়ালৰ ধাৰা অক্ষুণ্ণ ৰাখি পাৰিবাৰিক ব্যৱসায়ত যোগদান কৰিছে, আন কোনোজনে হৃদয়ৰ টান অনুসৰণ কৰি নিজে মনে বিচৰা ক্ষেত্ৰত স্বাধীনভাৱে কেৰিয়াৰ গঢ়িবলৈ বাট বুলিছে। যি কামেই নকৰক কিয়,ভাৰতৰ শিল্পখণ্ডৰ ধনবন্ত পৰিয়ালসমূহৰ এই সকল সুযোগ্য সন্তানে নিজৰ বাবে বাছনি কৰা ক্ষেত্ৰত যে নিজা এক দখল আৰু ছাপ সৃষ্টি কৰিবলৈ সক্ষম হৈছে সেয়া সময়ে সময়ে প্ৰমাণিত হৈ আহিছে

## কি কামত ব্যস্ত ধনাঢ্য উদ্যোগপতিৰ সন্তানসকল

# ভাৰতীয় শিল্প খণ্ডৰ নতুন তাৰকা

টাটাই হওঁক বা অম্বানী পৰিয়ালেই হওঁক 'বিলিয়নেয়াৰ'ৰ তালিকাত থকা তাৰকা শিল্পপতিসকলৰ জীৱনশৈলীৰ দ্বাৰা সাধাৰণ মানুহ সদা আকৰ্ষিত আৰু বাৰুকৈয়ে অনুসন্ধিৎসু। ভাৰতীয় বিলিয়নেয়াৰসকলৰ বিশাল প্ৰাসাদোপম ঘৰৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ অত্যাধুনিক মডেলৰ নিত্য নতুন গাড়ীলৈকে, নাইবা কোনজন শিল্পপতিৰ সন্তানৰ কাৰ সতে ৰোমান্স চলিল ইত্যাদি বিভিন্ন বিষয় লৈ সদায়েই কিবা নহয় কিবা এক খবৰ সংবাদ শিৰোনামত থাকেই। কোনজন ধনাঢ্য শিল্পপতিৰ ব্যৱসায়িক সাম্ৰাজ্যৰ ৰাজত্ব কোনে পাব তাক অনুমান কৰি সংবাদ মাধ্যমত প্ৰচাৰিত বিভিন্ন খবৰ বা গুজবো বিভিন্ন সময়ত চৰ্চিত বিষয় হৈ আহিছে। সমান্তৰালভাৱে এই ধনবান পৰিয়ালসমূহৰ সতি-সন্ততিৰ পঢ়া-শুনা, কেৰিয়াৰ নাইবা অন্যান্য ৰুচি কি কি তাক জনাৰো প্ৰচুৰ হাবিয়াস থাকে আমাৰ। এওঁলোকৰ মাজৰ কোনোৱে যদি পৰিয়ালৰ ধাৰা অক্ষুণ্ণ ৰাখি পাৰিবাৰিক ব্যৱসায়ত যোগদান কৰিছে, আন কোনোজনে হৃদয়ৰ টান অনুসৰণ কৰি নিজে মনে বিচৰা ক্ষেত্ৰত স্বাধীনভাৱে কেৰিয়াৰ গঢ়িবলৈ বাট বুলিছে। যি কামেই নকৰক কিয়, ভাৰতৰ শিল্পখণ্ডৰ ধনবন্ত পৰিয়ালসমূহৰ এইসকল সুযোগ্য সন্তানে নিজৰ বাবে বাছনি কৰা ক্ষেত্ৰত যে নিজা এক দখল আৰু ছাপ সৃষ্টি কৰিবলৈ সক্ষম হৈছে সেয়া সময়ে সময়ে প্ৰমাণিত হৈ আহিছে।

### ■ ঈশা আম্বানী
**সঞ্চালক, ৰিলায়েন্স জিঅ' ইনফোকম আৰু ৰিলায়েন্স ৰিটেইল**



ঈশা অম্বানী মুকেশ আম্বানী আৰু নীতা অম্বানীৰ জীয়ৰী। তেওঁ ২০১৪ ত ৰিলায়েন্স জিঅ' আৰু ৰিলায়েন্স ৰিটেইলৰ পৰিচালক মণ্ডলীত যোগদান কৰাৰ আগতে গোলকীয় পৰামৰ্শদাতা প্ৰতিষ্ঠান মেকিনচে এণ্ড কোম্পানী ইঙ্কত ব্যৱসায় বিশ্লেষক হিচাপে কাম কৰিছিল। তেওঁ ৰিলায়েন্স ফাউণ্ডেচনৰ অতিৰিক্ত সঞ্চালকো। ২০১৬ত, ঈশা আম্বানীয়ে কোম্পানীৰ অনলাইন ফেশ্বন পৰ্টেল আজিঅ' মুকলি কৰে। ২০২০ত ফেচবুক আৰু ৰিলায়েন্স জিঅ'ৰ মাজত আমাজন আৰু ৱালমাৰ্টৰ স'তে প্ৰতিযোগিতা কৰিব পৰাকৈ এক ই-কমাৰ্চ প্লেটফৰ্ম গঢ়াৰ বাবে ৫.৭ বিলিয়ন আমেৰিকান ডলাৰৰ যি যুগান্তকাৰী চুক্তি হৈছিল তাৰ আলোচনাত ঈশা আছিল অন্যতম মুখ্য আলোচনাকাৰী।

### ■ আকাশ আম্বানী
**সঞ্চালক, ৰিলায়েন্স জিঅ' ইনফোকম আৰু ৰিলায়েন্স ৰিটেইল**




মুকেশ অম্বানীৰ পুত্ৰ আকাশ হৈছে ঈশাৰ যমজ ভাতৃ। প্ৰথমৰ পৰাই আকাশক ৰিলায়েন্স জিঅ'ৰ সঞ্চালক আৰু ৰণনীতিৰ মুৰব্বী হিচাপে নিযুক্ত কৰা হয়। তেওঁ বৰ্তমানে সংস্থাটোৰ কাৰ্যবাহী সমিতিৰ সদস্য হিচাপে থকাৰ লগতে ব্যৱসায় বিকাশৰ মুৰব্বী পদো অলংকৃত কৰি আছে। এই সকলোবোৰৰ উপৰি আকাশ হৈছে এজন উৎসাহী ক্ৰীড়া অনুৰাগী। তেওঁ নিজৰ ঘৰুৱা দল মুম্বাই ইণ্ডিয়ানছৰ বাবে খেলুৱৈ বাছনি প্ৰক্ৰিয়াতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

### ■ অনন্ত আম্বানী
**সঞ্চালক, ৰিলায়েন্স অ'২চি, ৰিলায়েন্স নিউ এনাৰ্জি ছ'লাৰ, আৰু ৰিলায়েন্স নিউ ছ'লাৰ এনাৰ্জি**



মুকেশ আম্বানী আৰু নীতা আম্বানীৰ কনিষ্ঠ পুত্ৰ অনন্ত আম্বানীয়েও তেওঁৰ ভাই-ভনী ঈশা আম্বানী আৰু আকাশ আম্বানীৰ স'তে জিঅ' প্লেটফৰ্মৰ বোৰ্ডত যোগদান কৰিছে। তেওঁ বৰ্তমান ৰিলায়েন্স অ'চিৰ এজন সঞ্চালক হিচাপেও দায়িত্বভাৰ চম্ভালি আছে । তদুপৰি ২০২১ ৰ জুলাইত অনন্ত আম্বানীক ৰিলায়েন্স নিউ এনাৰ্জি ছ'লাৰ আৰু ৰিলায়েন্স নিউ ছ'লাৰ এনাৰ্জি নামৰ সংস্থা দুটাৰ সঞ্চালক হিচাপেও নিযুক্তি প্ৰদান কৰা হৈছে।

### ■ ৰিশাদ প্ৰেমজী
**কাৰ্যবাহী অধ্যক্ষ, উইপ্ৰো লিমিটেড**




আজিম প্ৰেমজীৰ পুত্ৰ, ৰিশাদ প্ৰেমজী উইপ্ৰোৰ কাৰ্যবাহী অধ্যক্ষ। ৰিশাদ এজন হাৰ্ভাৰ্ড স্নাতক যিয়ে ২০০৭ ত তেওঁৰ দেউতাকৰ কোম্পানী উইপ্ৰোত মুখ্য ৰণনীতি বিষয়া হিচাপে যোগদান কৰে। তেওঁক ইতিমধ্যে তেওঁৰ দেউতাকৰ উত্তৰাধিকাৰী হিচাপেও মনোনীত কৰা হৈছে।

### ■ কৰণ আদানি
**আদানি পোৰ্টছ এণ্ড ছেজ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া**



কৰণ আদানি হৈছে ভাৰতৰ দ্বিতীয় শীৰ্ষ ধনাঢ্য ব্যক্তি কোটিপতি গৌতম আদানিৰ পুত্ৰ। তেওঁ বৰ্তমানে আদানি পোৰ্টছ এণ্ড ছেজ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁৰ নিৰ্দেশনাতে আদানি পোৰ্টছ এণ্ড ছেজ লিমিটেডৰ বন্দৰৰ সংখ্যা দুটাৰ পৰা বৃদ্ধি হৈ এতিয়া ১০টা বন্দৰ আৰু টাৰ্মিনেলেৰে এক বিশাল শৃংখল হৈছে।

### ■ জিত আদানি
**উপাধ্যক্ষ, গ্ৰুপ ফাইনেন্স**



কোটিপতি গৌতম আদানিৰ পুত্ৰ জিত আদানীয়ে ২০১৯ ত পোনপ্ৰথমবাৰৰ বাবে আদানি গ্ৰুপত যোগদান কৰে। তেওঁ কৌশলগত বিত্ত, মূলধন বজাৰ আৰু বিপদাশংকা তথা চৰকাৰী নীতিৰ চোৱাচিতা কৰে। জিতে আদানি বিমানকোঠৰ লগতে আদানি ডিজিটেল লেবৰো তত্ত্বাৱধান কৰে।

### ■ আদৰ পুনাৱালা
**চেৰাম ইনষ্টিটিউট অব ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া**



আদৰ পুনাৱালা হৈছে ভাৰতৰ চেৰাম ইনষ্টিটিউটৰ প্ৰতিষ্ঠাপক চাইৰাছ পুনাৱালাৰ পুত্ৰ। উৎপাদিত পালিৰ সংখ্যাৰ দ্বাৰা চেৰাম ইনষ্টিটিউট হৈছে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ভেকছিন নিৰ্মাতা। আদৰে বৰ্তমান চেৰাম ইনষ্টিটিউটৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । স্মৰ্তব্য, চেৰামে আদৰৰ নেতৃত্বতে বিশ্বব্যাপী ইয়াৰ সামগ্ৰীৰ ৰপ্তানি আৰম্ভ কৰিছিল।

### ■ কবিন ভাৰতী মিত্তাল
**হাইকৰ প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়া**



কবিন ভাৰতী মিত্তাল হৈছে ভাৰতী এণ্টাৰপ্ৰাইজেছ লিমিটেডৰ প্ৰতিষ্ঠাপক আৰু অধ্যক্ষ সুনীল ভাৰতী মিত্তালৰ পুত্ৰ। তেওঁ কলেজত পঢ়ি থাকোতেই মেকলাৰেন, গুগল আৰু গোল্ডমেন চাক্সত ইণ্টাৰ্ণ হিচাপে কাম কৰিছিল। আন কোটিপতিৰ সন্তানৰ দৰে, কবিনে পাৰিবাৰিক ব্যৱসায়ত যোগদান নকৰি ২০১২ত ব্যৱসায়ৰ বাটত স্বাধীনভাৱে আগবঢ়াৰ মানসেৰে হাইক নামৰ এক তাৎক্ষণিক মেচেজিং এপ মুকলি কৰে। মাত্ৰ তিনি বছৰৰ ভিতৰতে, প্ৰায় ১০০ নিযুতৰো অধিক ব্যৱহাৰকাৰীৰে হাইকে ইমান বেছি জনপ্ৰিয়তা লাভ কৰে যে ব্যৱহাৰকাৰীৰ সংখ্যাৰ দিশেৰে কবিন হৈ পৰে দেশৰ সৰ্ববৃহৎ ইণ্টাৰনেট কোম্পানীৰ গৰাকী। বৰ্তমানে হাইকৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপেও অধিষ্ঠিত হৈ আছে কবিন।

### ■ অনন্যা বিৰলা
**গায়িকা, স্বতন্ত্ৰ মাইক্ৰফিনৰ প্ৰতিষ্ঠাপক**



অনন্যা বিৰলা, আন এজন ধনাঢ্য ভাৰতীয় ব্যৱসায়ী কুমাৰ মংগলম বিৰলাৰ জ্যেষ্ঠ কন্যা তেওঁ। কবিন মিত্তালৰ দৰে অনন্যায়ো তেওঁৰ দেউতাকৰ ব্যৱসায়িক সাম্ৰাজ্যত যোগদান কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ বৰ্তমানে ইউনিভাৰ্চেল মিউজিকৰ স'তে স্বাক্ষৰিত এগৰাকী প্ৰতিষ্ঠিত গায়িকা। তাৰ উপৰি তেওঁ 'স্বতন্ত্ৰ মাইক্ৰফিন' নামৰ এটা সংস্থাৰো প্ৰতিষ্ঠাপক, যিয়ে গ্ৰাম্য মহিলাসকলক ঘৰুৱা ব্যৱসায়ৰ বাবে সঁজুলি ক্ৰয় কৰিবলৈ সৰু-সুৰা ঋণ প্ৰদান কৰে।



## ইণ্ডিয়ান অইল এইছডিএফচি বেংক ক্ৰেডিট কাৰ্ডৰ বৈশিষ্ট্যসমূহ-

এই কাৰ্ডৰ জৰিয়তে ইন্ধন ক্ৰয় কৰিলে ফুৱেল পইণ্ট হিচাপে ব্যয়ৰ পাঁচ শতাংশ ওভতাই পাব পাৰি। আইঅ'চিএলৰ যিকোনো তেল বিপণীত প্ৰথম ছমাহত সৰ্বাধিক ৫০ ফুৱেল পইণ্ট পাব পাৰে গ্ৰাহকে। আনহাতে প্ৰথম ছমাহ উকলাৰ পাছত সৰ্বাধিক ১৫০ ফুৱেল পইণ্ট লাভ কৰিব পৰা যায়।

◆ এই কাৰ্ডৰ জৰিয়তে গ্ৰ'ছাৰী ক্ৰয় কৰিলে নাইবা বিভিন্ন সেৱাৰ বিল পৰিশোধ কৰিলে পাঁচ শতাংশ ফুৱেল পইণ্ট লাভ কৰিব। এই দুটা শ্ৰেণীত গ্ৰাহকে সৰ্বাধিক ১০০ ফুৱেল পইণ্ট লাভ কৰিব পাৰে।

◆ অন্যান্য শ্ৰেণীতো গ্ৰাহকে ১৫০ টকা খৰচ কৰি এক ফুৱেল পইণ্ট লাভ কৰিব পাৰে।

◆ কাৰ্ডখনৰ আন এক অন্যতম বিশেষ সুবিধা এই যে, ইয়াক ব্যৱহাৰ কৰি ইন্ধন ক্ৰয় কৰিলে এক শতাংশৰ ইন্ধন উপ-কৰ পৰিশোধ কৰিব নালাগে। পেট্ৰ'ল পাম্পত কমেও ৪০০ টকাৰ ইন্ধন ক্ৰয় কৰা গ্ৰাহকে এই কাৰ্ডৰ জৰিয়তে পৰিশোধ কৰাৰ ফলত এক শতাংশৰ ইন্ধন চাৰ্চাৰ্জ ৰাহি কৰিব পাৰে। এইদৰে বিলিং চক্ৰত সৰ্বাধিক ২৫০ টকাৰ ইন্ধন চাৰ্চাৰ্জ ৰেহাই পাব পাৰে গ্ৰাহকে।

◆ এই ক্ৰেডিট কাৰ্ডখনৰ বাৰ্ষিক মাচুল হৈছে প্ৰতি বছৰে ৫০০ টকা। কাৰ্ডখনৰ যোগদান আৰু নৱীকৰণ সদস্যতা মাচুল হিচাপে এই ৫০০ টকা লয় বেংকে। আপুনিও যদি এই ক্ৰেডিট কাৰ্ডখন পাবলৈ ইচ্ছুক, তেন্তে এইছডিএফচি বেংকৰ ৱেবছাইটলৈ গৈ বা বেংকটোৰ যিকোনো শাখালৈ গৈ আবেদন কৰিব পাৰে।

## এইখন ক্ৰেডিট কাৰ্ড হাতত থাকিলে বিনামূলীয়াকৈ পাব ৫০ লিটাৰ পেট্ৰ'ল-ডিজেল !



পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বিগত প্ৰায় এমাহ ধৰি অপৰিৱৰ্তিত হৈ আছে। কিন্তু অদ্যাপি আকাশচুম্বী ইন্ধনৰ মূল্য হ্ৰাস কৰাৰ কোনো সংকেত দিয়া নাই কেন্দ্ৰ বা ৰাজ্য চৰকাৰে। ইন্ধনৰ মূল্যবৃদ্ধিৰ বোজাত কোনোফালে উৰাদিহ নোপোৱা হৈছে সাধাৰণ গ্ৰাহকে। অৱশ্যে ইয়াৰ মাজতে গ্ৰাহকৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে এইছডিএফচি বেংকে। অলপতে বেংকটোৱে ইয়াৰ বিভিন্ন সেৱাৰ পৰিসৰত 'ইণ্ডিয়ান অইল এইছডিএফচি বেংক ক্ৰেডিট কাৰ্ড' নামেৰে এক বিশেষ ক্ৰেডিট কাৰ্ডৰ সংযোজন ঘটাইছে । এই ক্ৰেডিট কাৰ্ডৰ জৰিয়তে ৫০ লিটাৰ পেট্ৰ'ল আৰু ডিজেল বিনামূলীয়াকৈ উপলব্ধ কৰিব পাৰিব উপভোক্তাই। এইখন ক্ৰেডিট কাৰ্ড হাতত থাকিলে গ্ৰাহকসকলে যিকোনো আইঅ'চিএল আউটলেটত ফুৱেল পইণ্ট নামৰ বিশেষ এক ৰিৱাৰ্ড পইণ্ট লাভ কৰিব। কাৰ্ডখনৰ জৰিয়তে ইণ্ডিয়ান অইল পেট্ৰ'ল পাম্পত বিল পৰিশোধ কৰিলে গ্ৰাহকে বিলৰ পাঁচ শতাংশ ফুৱেল পইণ্ট হিচাপে ওভতাই পাব। গ্ৰাহকসকলে এনেদৰে ফুৱেল পইণ্ট ৰিডিম কৰি বছৰি ৫০ লিটাৰলৈকে



## ক'ভিড চিকিৎসাৰ সময়ত নগদৰ অভাৱ দূৰ কৰিব ইপিএফঅ'ৱে

**কোনো নথিপত্ৰ দাখিল নকৰাকৈয়ে জৰুৰীকালীনভাৱে পাব এক লাখ টকাৰ অগ্ৰিম**



অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণে সম্প্ৰতি সৰ্বত্ৰ শংকাৰ বীজ ৰোপণ কৰিছে। আত্মীয় বা আপোনজনৰ কৰ'না চিকিৎসাৰ অংশ হিচাপে যদি ভেন্টিলেটৰৰ প্ৰয়োজন হয় তেন্তে চিকিৎসালয়ৰ মোটা অংকৰ বিলখন পৰিশোধ কেনেকৈ কৰিব সেয়া সম্প্ৰতি প্ৰধান দুশ্চিন্তাৰ কাৰণ হৈ পৰিছে কোনোমতে অতিমাৰীৰ দুটাকৈ ঢৌ পাৰ কৰি অহা বহু মধ্যবিত্তৰ বাবে। এই মুহূৰ্তত যাৰ হাতত নগদ ধনৰ অভাৱ অথবা বীমাৰো কোনো সুবিধা নাই তেওঁলোক গম্ভীৰ সমস্যাৰ সন্মুখীন হোৱাৰ আশংকা আছে। আনহাতে, যদি কাৰোবাৰ কিবা স্বাস্থ্য বীমা কৰা থাকেও তাৰ পাছতো ক'ভিড চিকিৎসাৰ বাবে নগদ টকা হাতত ৰখা প্ৰত্যেকৰে বাবে জৰুৰী। কিয়নো বেছিভাগ সময়তে দেখা যায় যে বীমাৰ ধন অনুমোদনত কিছু সময় লাগে। এই সময়ত চিকিৎসালয়ৰ তৰফৰ পৰা চিকিৎসা আৰম্ভ কৰাৰ পূৰ্বেই নিজৰ ফালৰ পৰা কিছু পৰিমাণৰ নগদ ধন বিচাৰিলে তাৎক্ষণিকভাৱে দিব পৰাকৈ সাজু হৈ থকা উচিত প্ৰত্যেকে।

এই সমস্যাৰ পৰা মুক্তি পাবলৈ এতিয়া আপুনি কৰ্মচাৰী ভৱিষ্য নিধি সংগঠন চমুকৈ ইপিএফঅ'ৰ সহায় ল'ব পাৰিব। ক'ভিড চিকিৎসাৰ বাবে জৰুৰীকালীনভাৱে নগদ ধনৰ প্ৰয়োজন হ'লে আপুনি এইবাৰ নিজৰ পিএফ একাউণ্টৰ পৰা এক লাখ টকা উলিয়াব পাৰিব। ইপিএফঅ'ৰ শেহতীয়া এক বিবৃতি অনুসৰি, পিএফ উপভোক্তাসকলে কোনো নথিপত্ৰ দাখিল নকৰাকৈয়ে জৰুৰীকালীনভাৱে তেওঁলোকৰ পিএফ একাউণ্টৰ পৰা এক লাখ টকালৈকে ধন উলিয়াব পাৰিব। 'মেডিকেল এডভান্স ক্লেইম'ৰ অধীনত বেতনভোগী লোকসকলে এই সুবিধা উপলব্ধ কৰিব পাৰিব। অৱশ্যে এনেদৰে ধন উলিয়াব লাগিলে কেতবোৰ চৰ্ত পূৰণ কৰিব লাগিব। তাৰ ভিতৰত প্ৰধান চৰ্তটো এয়ে যে চিকিৎসাৰ অগ্ৰিম দাবী কৰা কৰ্মচাৰীজনৰ ৰোগীক চৰকাৰী বা ৰাজহুৱা খণ্ডৰ অথবা চিজিএইছএছ পেনেল চিকিৎসালয়ত ভৰ্তি কৰিব লাগিব। অৰ্থাৎ চিকিৎসালয়ত ভৰ্তি কৰাৰ উপযুক্ত প্ৰমাণ দিলেহে এই অগ্ৰিম ধন দাবী কৰিব পাৰিব। আনহাতে, যদি ৰোগীজনক জৰুৰীকালীন অৱস্থাত ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়, তেন্তে এই সন্দৰ্ভত তদন্ত কৰা হ'ব। এই সুবিধাৰ আওতাত, যদি কৰ্মদিনত আবেদন কৰা হয়, তেন্তে পাছদিনাই কৰ্মচাৰীৰ একাউণ্টলৈ অথবা পোনপটীয়াকৈ চিকিৎসালয়লৈ ধন স্থানান্তৰ কৰা হ'ব।

## নিম্নতম বেলেন্স নাথাকিলে পূৰ্বতকৈ দুগুণ জৰিমনা ভৰিব লাগিব এইটো বেংকৰ গ্ৰাহকে

পঞ্জাৱ নেচনেল বেংকৰ একাউণ্ট ধাৰকসকলে এতিয়াৰে পৰা প্ৰতিটো সেৱাৰ বাবে অধিক ধন পৰিশোধ কৰিব লাগিব । আনকি তেওঁলোকে একাউণ্টত কম টকা ৰাখিলেও ভৰিব লাগিব পূৰ্বৰ তুলনাত অধিক জৰিমনা। পিএনবিয়ে জমা একাউণ্ট, লকাৰ, ডিমাণ্ড ড্ৰাফ্ট আৰু কাৰেণ্ট একাউণ্টৰ নিয়মত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কৰিছে। যদি আপুনি পিএনবিৰ গ্ৰাহক আৰু আপোনাৰ সঞ্চয় একাউণ্টত নিম্নতম বেলেন্স নাই, তেন্তে আপুনি আগৰ তুলনাত দুগুণ জৰিমনা ভৰিব লাগিব। পিএনবিৰ ৱেবছাইটত প্ৰকাশ পাইছে যে চহৰীয়া গ্ৰাহকসকলে নিম্নতম বেলেন্স হিচাপে সদায় ১০হেজাৰ টকা নিজৰ সঞ্চয় একাউণ্টত ৰাখিব লাগিব। যদি ইয়াতকৈ কম টকা একাউণ্টত থাকে, তেন্তে জৰিমনা হিচাপে পূৰ্বৰ ৩০০টকাৰ পৰিৱৰ্তে ৬০০ টকা পৰিশোধ কৰিব লাগিব। ইয়াৰ উপৰি, ডিমাণ্ড ড্ৰাফ্ট বাতিল কৰিলেও আগতকৈ ৫০ টকা বেছিকৈ পৰিশোধ কৰিব লাগিব। গ্ৰামাঞ্চলৰ গ্ৰাহকসকলে এতিয়াৰ পৰা নিম্নতম বেলেন্স নাথাকিলে পূৰ্বৰ ২০০ টকাৰ পৰিৱৰ্তে ৪০০ টকা জৰিমনা হিচাপে পৰিশোধ কৰিব লাগিব। লগতে গ্ৰাহকসকলে ডাঙৰ লকাৰৰ বাহিৰে সকলো ধৰণৰ সৰু লকাৰৰ বাবে অধিক ধন পৰিশোধ কৰিব লাগিব। চহৰ বা উপ-নগৰৰ গ্ৰাহকসকলে লকাৰৰ বাবে আগৰ তুলনাত ৫০০ টকালৈকে অধিক মাচুল পৰিশোধ কৰিব লাগিব। সৰু লকাৰৰ বাবে গ্ৰাম্য অঞ্চলত আগতে এহেজাৰ টকা পৰিশোধ কৰিব লগা হৈছিল যদিও এতিয়াৰে পৰা এই পৰিমাণ ১,২৫০ টকাকৈ ধাৰ্য কৰা হৈছে । বিপৰীতে, চহৰাঞ্চলত পিএনবিৰ সৰু লকাৰবোৰৰ ভাড়া হ'ব ২,০০০টকা। ইফালে, চহৰাঞ্চলত লকাৰৰ পৰা লোৱা মাচুলৰ পৰিমাণো তিনি হেজাৰ টকাকৈ ধাৰ্য কৰা হৈছে। তদুপৰি এতিয়াৰে পৰা গ্ৰাহকসকলে বছৰত পূৰ্বৰ ১৫ বাৰৰ সলনি ১২ বাৰহে 'লকাৰ ভিজিট' কৰিব পাৰিব। এই সীমা অতিক্ৰম কৰাৰ পাছত লকাৰলৈ আহিলে প্ৰতিটো সাক্ষাতত অতিৰিক্ত ১০০ টকাকৈ পৰিশোধ কৰিব লাগিব। কাৰেণ্ট একাউণ্ট খোলাৰ ১৪ দিনৰ পৰা এবছৰৰ ভিতৰত যদি কোনোবাই বন্ধ কৰিবলৈ বিচাৰে তেন্তে ৮০০ টকালৈকে কৰ পৰিশোধ কৰিব লাগিব। তদুপৰি, অহা পহিলা ফেব্ৰুৱাৰীৰ পৰা কোনো কিস্তিৰ ধন যদি যথাৰ্থ ফাণ্ড নথকাৰ বাবে কৰ্তন হয় তেন্তে ২৫০ টকাৰ জৰিমনা ভৰিব লাগিব । ইমানদিনে এই জৰিমনাৰ পৰিমাণ আছিল ১০০ টকা ।

## ব্যৱসায়িক ঋণ ল'ব বিচাৰে নেকি ?

বজাৰত বৰ্তমানে চৰকাৰী-বেচৰকাৰী বিভিন্ন প্ৰকাৰৰ ঋণ আঁচনি আছে। এই ধৰণৰ ঋণৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ এক ঋণ হ'ল ব্যৱসায়িক ঋণ। বহু লোকে নিজৰ ব্যৱসায় আৰম্ভ কৰিবলৈ বা নিজৰ ব্যৱসায় সম্প্ৰসাৰিত কৰিবলৈ ব্যৱসায়িক ঋণ লয়। ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰাৰ পদ্ধতিৰ বিষয়ে বহুতেই জানে যদিও এই ধৰণৰ ঋণ লোৱাৰ আগতে ব্যৱসায়ী এজনে কিছুমান বিশেষ কথা জনাটো জৰুৰী। ব্যৱসায়িক ঋণ লোৱাৰ পূৰ্বে নতুন ব্যৱসায়ী এজনৰ সততে মনলৈ অহা পাঁচটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰবোৰ জানো আহকচোন...

### নতুন ব্যৱসায়ী এজনে জানিবলগীয়া পাঁচটা গুৰুত্বপূৰ্ণ দিশ




**১। কেনে ধৰণৰ ব্যৱসায়িক ঋণৰ প্ৰয়োজন**

বজাৰত বিভিন্ন ধৰণৰ ব্যৱসায়িক ঋণ উপলব্ধ। ব্যৱসায়ী এজনে নিজৰ প্ৰয়োজনীয়তা অনুসৰি বজাৰত উপলব্ধ বিভিন্ন ঋণ আঁচনিৰ মাজৰ পৰা যিকোনো এটা বা একাধিক ব্যৱসায়িক ঋণ বাছনি কৰিব পাৰে যদিও এনে কৰোতে সদায় ঋণৰ পৰিমাণ আৰু সময় গণনা কৰিহে ব্যৱসায়িক ঋণ বাছনি কৰা উচিত। কি কাৰণত ব্যৱসায়িক ঋণৰ প্ৰয়োজন হৈছে আৰু সেই ঋণ কিমান সময়ৰ ভিতৰত পৰিশোধ কৰাৰ সাধ্য আছে তাক বিচাৰ বা গণনা কৰিহে ব্যৱসায়িক ঋণৰ পৰিমাণ ধাৰ্য কৰিব লাগে। বজাৰত উপলব্ধ বিভিন্ন প্ৰকাৰৰ ব্যৱসায়িক ঋণ আঁচনিসমূহৰ সুতৰ হাৰ বেলেগ বেলেগ হয়। তদুপৰি তেনে আঁচনিবোৰৰ পৰা ঋণ গ্ৰহণ কৰা আৰু ঋণ ঘূৰাই দিয়াৰ চৰ্তও ভিন্ন হয়। উদাহৰণ স্বৰূপে, বহু ব্যৱসায়িক ঋণ আঁচনিত গ্ৰাহকে নিজৰ মূল্যৱান সম্পত্তি বন্ধকত ৰখাৰ নিয়ম আছে। গতিকে এই সকলোবোৰ দিশৰ বিষয়ে চিন্তা কৰিহে ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰা উচিত।

**২। সুতৰ হাৰ**

ব্যৱসায়িক ঋণ লোৱাৰ আগতে, সুতৰ পৰিমাণৰ বিষয়টোও সমানেই বিচাৰ্য। ঋণ হিচাপে কিমান টকা লোৱা হৈছে আৰু কিমান টকা পৰিশোধ কৰিব লাগিব তাৰ এটা ধাৰণা পূৰ্বৰ পৰাই থাকিব লাগিব। ল'ব লগা ব্যৱসায়িক ঋণৰ সুতৰ হাৰ কিমান, ঋণ হিচাপে কিমান টকা উপলব্ধ হ'ব আৰু তাক সুতসহ মুঠ কিমান দিনৰ ভিতৰত পৰিশোধ কৰিব লাগিব তাৰ হিচাপ আগতীয়াকৈ গণনা কৰাটো অত্যন্ত প্ৰয়োজন।

**৩। ধাৰৰ পৰিমাণ**

ব্যৱসায়িক ঋণ লোৱাৰ আগতে, ব্যৱসায়ীজনৰ আগৰে পৰা কিমান টকাৰ ধাৰ আছে, কিমান টকা ব্যৱসায়ৰ নামত খটুৱাব আৰু বেংকত কিমান টকা বাকী ৰাখিব তাক আগতীয়াকৈ গণনা কৰিব লাগে। ব্যৱসায়ৰ বাবে কিমান টকা ব্যৱহাৰ কৰা হ'ব আৰু ধাৰ পৰিশোধৰ বাবে খৰচ কৰিব লগা ধন কিমান হ'ব গণনা কৰিহে ঋণৰ পৰিমাণ ধাৰ্য কৰি আবেদন কৰিব লাগে।

**৪। ব্যৱসায়িক ঋণৰ পদ্ধতি**

ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰাৰ পাছত বহুতো প্ৰক্ৰিয়া বা পদ্ধতিৰ মাজেৰে উপভোক্তা এজনে তেওঁ বিচৰা পৰিমাণৰ ঋণৰাশি লাভ কৰে। চৰকাৰী বা বেচৰকাৰী যিসমূহ প্ৰতিষ্ঠানে ঋণ দিয়ে, সেইসমূহে উপভোক্তাজনৰ আবেদনৰ আধাৰত কেতবোৰ বিশেষ দিশ পৰীক্ষা কৰে। যেনে— আৱেদনকাৰীৰ ক্ৰেডিট স্কোৰ কেনে, আন ঠাইত ঋণ আছে নে নাই, তেওঁ কিহৰ বাবে ঋণ ল'ব বিচাৰে ইত্যাদি । উক্ত দিশসমূহ চালি-জাৰি চোৱাৰ পাছতহে বেংক বা অন্য ঋণদাতা প্ৰতিষ্ঠান এটাই গ্ৰাহকৰ ঋণৰ আবেদন গ্ৰহণ কৰি মঞ্জুৰি প্ৰদান কৰে।

**৫। ক্ৰেডিট স্কোৰ**

ব্যৱসায়িক ঋণ সুকলমে লাভ কৰাৰ ক্ষেত্ৰত ক্ৰেডিট স্কোৰ হৈছে এটা অতি গুৰুত্বপূৰ্ণ বিষয়। ক্ৰেডিট স্কোৰ কেৱল ব্যৱসায়িক ঋণৰ বাবেই নহয় যিকোনো ধৰণৰ ঋণৰ বাবেই অতি গুৰুত্বপূৰ্ণ। ক্ৰেডিট স্কোৰ যিমানে ভাল হয়, ঋণ লাভ কৰাটো আবেদনকাৰীৰ বাবে সিমানেই সহজ হয়। গতিকে সদায় উপভোক্তা এজনে নিজৰ ক্ৰেডিট স্কোৰৰ ওপৰত সদায় নজৰ ৰাখিব লাগে।

# নাথ জনগোষ্ঠীৰ মাজৰ পৰা হেৰাই যাব ধৰা সংস্কৃতি পুনৰ উদ্ধাৰৰ প্ৰয়াস

## ■ সদৌ মৰিগাঁও নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনৰ উদ্যোগত খিচিৰি দান উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৫ জানুৱাৰী ঃ** নাথ-যোগী জনগোষ্ঠীৰ মাজৰ পৰা হেৰাই যাবলৈ ধৰা পৰম্পৰাগত সংস্কৃতি 'খিচিৰি দান' উৎসৱ সদৌ মৰিগাঁও নাথ-যোগী সাহিত্য সংস্কৃতি সন্মিলন, মৰিগাঁও সদৰ আঞ্চলিক সমিতি আৰু পূব সিধাবাৰী নাথ সমাজৰ সহযোগত কালি মৰিগাঁও নগৰৰ সমীপৱৰ্তী পূব সিধাবাৰী হৰি মন্দিৰত অনুষ্ঠিত হয়। পুৱা বন্তি প্ৰজ্বলন, শৰাই স্থাপন, ভাগৱত পাঠ, নাম প্ৰসংগৰ পাছতেই অনুষ্ঠিত হয় খিচিৰি দান উৎসৱৰ আলোচনা সভা। মৰিগাঁও সদৰ আঞ্চলিক সমিতিৰ সভাপতি প্ৰদীপ নাথৰ সভাপতিত্বত অনুষ্ঠিত আৰু সদৰ আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক পোনাৰাম নাথে আঁতধৰা আলোচনা সভাত সদৌ মৰিগাঁও নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি



নাথ আৰু প্ৰধান সম্পাদক জিতুমনি নাথ, শ'লমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন চন্দ্ৰ নাথ, সদৌ মৰিগাঁও নাথ-যোগী সাহিত্য-সংস্কৃতি সন্মিলনৰ কোষাধ্যক্ষ ভৱজ্যোতি নাথ, জ্যেষ্ঠ নাগৰিক লুহিত চন্দ্ৰ নাথে নাথ জনগোষ্ঠীৰ মাজৰ পৰা লুপ্ত পাবলৈ ধৰা খিচিৰি দান উৎসৱটো পুনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি মন্তব্য কৰে। তেওঁলোকে কয় যে পুহৰ সংক্ৰান্তিৰ দিনা নাথ ধৰ্মৰ মহাগুৰু গোৰক্ষ নাথৰ ধ্যান ভংগ হৈছিল, গুৰু গোৰক্ষ নাথে ১৩ পৃষ্ঠাত চাওক

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত শিশুৰ চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰীক কাতৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ জানুৱাৰী ঃ** পখিলা খেদাৰ বয়সত এটি কণমানিয়ে যুঁজিছে দুৰাৰোগ্য ৰোগৰ স'তে। বিহালী সমষ্টিৰ অন্তৰ্গত ৰাংছালী সোণাৰী গাঁৱৰ এটি অতি দৰিদ্ৰ পৰিয়ালত এতিয়া পানীত হাঁহ নচৰা অৱস্থা। সন্তানৰ চিকিৎসাৰ বাবে তাঁত-বাটি কৰি সৰ্বস্বান্ত হৈ পৰা যোগেশ দাস আৰু সোণমাই দাসৰ সাত বছৰীয়া কন্যা সন্তানটি আজি তিনি বছৰে যুঁজি আছে দুৰাৰোগ্য কৰ্কট ৰোগৰ স'তে। চিকিৎসাৰ ক্ষেত্ৰত আৰ্থিকভাৱে জুৰুলা হোৱা দম্পতী হালে সাহায্য বিচাৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু হৃদয়বান ব্যক্তিৰ পৰা সহায় বিচাৰি কাতৰ আহ্বান জনাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে সাহায্য আগবঢ়াব খুজিলে (৭০৩০০২৬০০১৩১৩ এজিভিবি বেংক চুনমাই দাস বেদেতি ব্ৰাঞ্চ আইএফএছচি ক'ড পিইউএনবিওআৰআৰবিএজিবি ঠিকনাত দিব পাৰিব। উল্লেখ্য যে কৰ্কট ৰোগীৰ দ্ৰুতগতিত বৃদ্ধিয়ে বৰ্তমানৰ সমাজখনক প্ৰভাৱান্বিত কৰি তুলিছে।

# লাহৰীঘাটৰ গৰম বজাৰত অগ্নিকাণ্ডত জাহ গ'ল ১১খনকৈ দোকান

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ১৫ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত কাঠনিত কালি পুৱতি নিশাই এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ভোগালীৰ আনন্দৰ মাজতেই সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। লাহৰীঘাটৰ কাঠনি গৰম বজাৰত পুৱতি নিশা প্ৰায় ৩-৪০ বজাত সংঘটিত হোৱা অগ্নিকাণ্ডত ১১খনকৈ দোকান জুইত সম্পূৰ্ণ ৰূপে জাহ যায়। অগ্নিকাণ্ডৰ ফলত বজাৰৰ জান্নাতুল ফেৰদুছৰ কাপোৰ-ট্ৰেইলাৰিং দোকান, মাইনুল হকৰ হোটেল, ছফিকুল ইছলামৰ কিতাপৰ দোকান, আছাদুৰ জামানৰ কাপোৰ-ট্ৰেইলাৰিং দোকান, নজৰুল ইছলামৰ কম্পিউটাৰৰ দোকান, ছাহজাহান আলীৰ কম্পিউটাৰৰ দোকান, ফুৰকান আলীৰ ফাৰ্মাচী, ছফিকুল ইছলামৰ ট্ৰেইলাৰিং, আবুল কালামৰ-পাণ দোকানকে ধৰি সৰু-বৰ ১১খন দোকান ভস্মীভূত হয়। শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে। অৱশেষত স্থানীয় ৰাইজৰ লগতে ভূৰাগাঁও আৰু মৈৰাবাৰীৰ পৰা অহা চাৰিখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে জুই নুমাবলৈ সক্ষম হয়। এই অগ্নিকাণ্ডত ক্ষয়-ক্ষতিৰ পৰিমাণ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে লাহৰীঘাটত এটা অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপন কৰিবলৈ স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছে যদিও চৰকাৰ তথা সংশ্লিষ্ট বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত ৰাইজে এনেদৰে বিপদৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে।

# লাহৰীঘাটত হেলমেট বিহীন মটৰ চাইকেল চালকক জৰিমনা

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ১৫ জানুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই হেলমেট নিপিন্ধা মটৰ চাইকেল চালকৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰিছে পৰিবহণ বিভাগৰ লগতে আৰক্ষীয়ে। হেলমেট নিপিন্ধা মটৰ চাইকেল চালকক এহেজাৰ টকাকৈ জৰিমনা দিয়ে লাহৰীঘাট আৰক্ষীয়ে। লাহৰীঘাট আৰক্ষীয়ে হেলমেট পৰিধান নকৰা চালকৰ বিৰুদ্ধে চলায় এই অভিযান। লাহৰীঘাট আৰক্ষীয়ে কালি থানাৰ সন্মুখত তালাচী চলাই হেলমেট নিপিন্ধা কে'বাজনো মটৰ চালকক এহেজাৰকৈ জৰিমনা আদায় কৰে। উল্লেখ্য যে চৰকাৰে কঠোৰ নিৰ্দেশনা জাৰি কৰাৰ পাছতো পৰিবহণ বিভাগৰ নীতি-নিৰ্দেশনাক বুঢ়া আঙুলি দেখুওৱা চালকসকলক লাহৰীঘাট আৰক্ষীয়ে এইদৰে জৰিমনা বিহে। ইপিনে, কালি লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদে মাস্ক পৰিধান নকৰাকৈ বজাৰত ওলাই অহা ব্যক্তিসকলৰ মাজত মাস্ক বিতৰণ কৰি সকলোকক মাস্ক পৰিধান কৰিবলৈ আহ্বান জনায়।

# বিলুপ্তিৰ পথত অসমৰ গ্ৰাম্য জীৱনৰ এসময়ৰ প্ৰতীক গৰু গাড়ী

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ১৫ জানুৱাৰী ঃ** গ্ৰাম্য জীৱনৰ এসময়ৰ গৌৰৱৰ প্ৰতীক গৰু গাড়ীখন এতিয়া বিলুপ্তিৰ পথত। মাজে মাজে গ্ৰাম্য জীৱনৰ পথাৰত দুই-এখন দেখা পাওঁ যদিও লাহে লাহে সেয়াও নাইকিয়া হ'ব। আধুনিকতাই যেন পূৰ্বৰ পৰম্পৰাবিলাক নাইকিয়া কৰি দিব। পূৰ্বতে ঘৰৰ চোতালৰ সন্মুখত গৰু গাড়ী থকা মানেই যেন এক আভিজাত্য পৰিয়াল। সৌ তাহানিৰ দিনত আঘোণৰ পথাৰৰ কৃষকৰ সোণগুটি বোজাই কঢ়িয়াই অনাত ব্যৱহাৰ হৈছিল এই গৰু গাড়ীখন। কি যে মনোমোহা দৃশ্য আছিল। কিন্তু আধুনিকতাই যেন পৰিৱৰ্তন কৰি দিলে। অকল সেয়াই নহয়। পূৰ্বতে বেপাৰ- বাণিজ্য কৰোঁতেও এই গৰু গাড়ীখনেই



আছিল একমাত্ৰ সাৰথি। দূৰ-দূৰণিত যোৱা তথা সজাই পৰাই দৰা-কইনাক অনা নিয়াতো ব্যৱহাৰ কৰা হৈছিল এই গৰু গাড়ীখন। কিন্তু বৰ্তমান অসমৰ গ্ৰাম্য জীৱনৰ পৰা লাহে লাহে নাইকিয়া হ'বলৈ ধৰিছে এই গৰু গাড়ীখন। আধুনিকতাই যেন অসমৰ গ্ৰাম্য জীৱনৰ একালৰ সম্পদ বিলাকক নাইকিয়া কৰি দিছে। মাজে মাজে পথাৰত দুই-এখন এই গৰু গাড়ী দেখা পালেও যেন সেয়াও লাহে লাহে নাইকিয়া হ'ব আৰু এদিন এই গৰু গাড়ীখন বৰ্তমানৰ নৱ প্ৰজন্মই অকল মিউজিয়ামতহে দেখা পাব।

# অসম আন্দোলনৰ নেতা প্ৰমোদ চন্দ্ৰ বৰ্মনৰ বিয়োগ



**গুৱাহাটী, ১৫ জানুৱাৰী ঃ** পূৰ্বাঞ্চলীয় ৰেল কৰ্মী সন্থাৰ প্ৰাক্তন মুখ্য সাধাৰণ সম্পাদক প্ৰমোদ চন্দ্ৰ বৰ্মন (৮৭)ৰ কালি পুৱা বাৰ্ধক্যজনিত কাৰণত মালিগাঁৱৰ নিজ বাসভৱনত মৃত্যু হয়। বৰ্মন পাণ্ডু বিহু সন্মিলনী, মালিগাঁৱৰ জন্মলগ্নৰে পৰা জড়িত আছিল। তেওঁ বিহু সন্মিলনীৰ একেৰাহে কে'বাবাৰো সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল। অসম আন্দোলনৰ সময়তো পূৰ্বাঞ্চলীয় লোক পৰিষদৰ নেতাৰূপে মালিগাঁও অঞ্চলত আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। আন্দোলনৰ নেতৃত্ব হেতুকে বৰ্মন উত্তৰ-পূব সীমান্ত ৰেলৰ চাকৰিৰ পৰা বৰ্খাস্ত হ'বলগীয়া হৈছিল। অসম আন্দোলনৰ সময়ত ৰেল কৰ্মীৰ ওপৰত লোৱা শাস্তিমূলক ব্যৱস্থাসমূহ বৰ্মনৰ বলিষ্ঠ নেতৃত্বত হোৱা আন্দোলনৰ বাবেই ৰেল কৰ্তৃপক্ষই প্ৰত্যাহাৰ কৰি ল'বলৈ বাধ্য হয়। তেওঁৰ মৃত্যুত সমগ্ৰ মালিগাঁৱতেই শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত এজন পুত্ৰ আৰু দুগৰাকী জীয়ৰীৰ লগতে বহু আত্মীয়ক এৰি যায়। বৰ্মনৰ মৃত্যুত পাণ্ডু বিহু সন্মিলনী, মালিগাঁৱৰ কাৰ্যকৰী সভাপতি দিলীপ কুমাৰ চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক দিগন্ত কুমাৰ বৰুৱাই গভীৰ শোক প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মালিগাঁৱৰ নৱজ্যোতি কলা পৰিষদ, বৃহত্তৰ মালিগাঁও জ্যেষ্ঠ নাগৰিক সন্থা আদিয়ে বৰ্মনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# জাগীয়াল তিনিআলিৰ কলঙৰ পাৰত ভোগালী বিহু উৎসৱ উদ্‌যাপন

## ■ বিহু গীত, বিহু নৃত্য, অন্তৰংগ আলাপ, বয়োজ্যেষ্ঠ লোকক সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ জানুৱাৰী ঃ** ভোগৰ উৎসৱ ভোগালী বিহুৰ মাঘৰ পহিলা দিনটোতে নগাঁও জিলাৰ জাগীয়াল ৰাজহুৱা ভৱন প্ৰাংগণৰ কলংপাৰত উজলি উঠিল ভোগালী বিহুৰ বিভিন্ন কাৰ্যসূচী। কলং নদীৰ পাৰৰ বিনন্দীয়া নৈসৰ্গিক পৰিৱেশৰ মাজত আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত পুৱা ভোগালীৰ পতাকা উত্তোলন কৰে বিশিষ্ট শিক্ষাবিদ প্ৰফুল্ল চন্দ্ৰ বৰাই। তাৰ পাছতেই নাম-প্ৰসংগ, ভোগালীক আদৰণি আনুষ্ঠান সম্পূৰ্ণ হয়। জলযোগ আপ্যায়নৰ পাছতে 'ভোগালীৰ আড্ডা অন্তৰংগ আলাপ' অনুষ্ঠান অনুষ্ঠিত হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাই সঞ্চালনা কৰি কয় যে সম্প্ৰীতি-সমন্বয়ৰ প্ৰাচীন চানেকিৰে উজ্জীৱিত শ্ৰীমন্ত শংকৰদেৱ, গুৰুনানক আৰু আজান ফকীৰে তাহানিতে দেখুৱাই যোৱা সম্প্ৰীতিৰ এনাজৰীডালত আজিও সুদৃঢ়ভাৱে



বান্ধ খাই আছে আমাৰ জনজীৱন। সমন্বয়ৰ ভাবাদৰ্শৰে গুৰুজনাৰ আদৰ্শৰে আমি জাতিটোৰ অস্তিত্ব জীয়াই ৰাখিব লাগিব। সংস্কৃতিবান যুৱক নৱজ্যোতি বৰাই আঁতধৰা অনুষ্ঠানত আলোচকৰূপে অংশগ্ৰহণ কৰে ৰাজেন শইকীয়া, শিক্ষকদ্বয় প্ৰশান্ত বৰুৱা আৰু শৰৎ বৰা। তাৰ পাছতে অঞ্চলটোৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বিয়লি কোমল চাউল, দৈ আৰু গুড়ৰে ভোগালীৰ সমূহীয়া জলপান গ্ৰহণ কৰা হয়। আনহাতে, পুহৰ সংক্ৰান্তি উপলক্ষে কালি ৭০ বছৰ ঊৰ্ধ্বৰ বয়সীয়াল লোকসকলক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনোৱা হয়। ইফালে, ১৩ জানুৱাৰীৰ সন্ধিয়া ভেলাঘৰত প্ৰৱেশ কাৰ্যসূচী উদ্বোধন কৰে সাহিত্য সভাৰ উপ-সমিতিৰ সম্পাদক কুশীৰাম বৰুৱাই। বিয়লি বিহু গীত, বিহু নৃত্য প্ৰদৰ্শনৰ পাছত সন্ধিয়া পতাকা অৱতৰণ কাৰ্যসূচীৰে ভোগালী বিহু উৎসৱৰ সামৰণি পৰে।

# শান্তিটোল ৰাইজ গয়ৰহৰ বাৰ্ষিক সভা সম্পন্ন

## ■ জ্যেষ্ঠ নাগৰিক-কৃতী ছাত্ৰক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৫ জানুৱাৰী ঃ** শুৱালকুছিৰ অন্যতম গয়ৰহ শান্তিটোল ৰাইজ গয়ৰহৰ বাৰ্ষিক সভা শান্তিটোলৰ প্ৰধান চ'কত অনুষ্ঠিত হয়। তৰুণ চন্দ্ৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বাৰ্ষিক প্ৰতিবেদনৰ লগতে হিচাপ-নিকাচ দাখিল কৰে সম্পাদক দিলীপ দাসে। সভাত কৃতী ছাত্ৰ তন্ময় দাস, দৰ্শন দাস (ছানী) আৰু তুষাৰ দাসক হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। লগতে আজীৱন সমাজৰ হকে কাম কৰি যোৱাৰ বাবে জ্যেষ্ঠ নাগৰিক বশিষ্ঠ দাসে, মনোৰাম দাস আৰু ভূপেন দাসক সম্বৰ্ধনা জনোৱা হয়। এই সভাতে সমাজ সেৱক সুবোধ দেৱান শুৱালকুছিৰ প্ৰথম গৰাকী উপ-সচিব অনিল দাসক ৰাইজৰ হকে বিৰেশ্বৰ দাস সম্বৰ্ধনা জনোৱাৰ লগতে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদ্য নিৰ্বাচিত সভাপতি তথা শান্তিটোলৰ বাসিন্দা নিয়ৰ ডেকাকো ৰাইজ গয়ৰহে সম্বৰ্ধনা জ্ঞাপন কৰে। পাছত নৃপেন্দ্ৰ কুমাৰ দাসক সভাপতি, কংকন কলিতাক উপ-সভাপতি, প্ৰহ্লাদ বৈশ্যক সম্পাদক আৰু বংশী ৰাম দাসক সহকাৰী সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰে। আনহাতে, চেমনীয়া ৰাইজ গয়ৰহেও কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি নিয়ৰ ডেকাক সম্বৰ্ধনা জনায়।

# কৃতী শিক্ষয়িত্ৰী অঞ্জলি বৰদলৈৰ বিয়োগ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৫ জানুৱাৰী ঃ** বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা সাংবাদিক পেঞ্চনাৰ প্ৰয়াত হেৰম্ব বৰদলৈৰ পত্নী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী বৈৰাগীমঠৰ বাসিন্দা অঞ্জলি বৰদলৈ (৮০)ৰ আজি নিচেই পুৱা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। শিৱসাগৰৰ কেন্দুগুড়িত জন্মলাভ কৰা বৰদলৈয়ে ছাত্ৰীৰ বাবে উচ্চ মাধ্যমিক বিদ্যালয় নথকা বাবে নাজিৰা বয়েজ হাইস্কুলৰ পৰা শিক্ষা লাভ কৰি মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ গড়গাঁও কলেজৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰিছিল। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হৈ ব্যক্তিগত কাৰণত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ আগতেই শিক্ষা জীৱন সামৰিব লগা হৈছিল। বিবাহৰ পূৰ্বে বৰদলৈয়ে হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী আছিল। বিবাহৰ পাছত ডিব্ৰুগড় পৌৰসভাত তেওঁ চাকৰি জীৱন আৰম্ভ কৰিছিল। পৌৰসভাত কিছুদিন কাম কৰাৰ পাছত শান্তিপাৰা বেংগলী হাইস্কুলত অসমীয়া ভাষাৰ শিক্ষকতা কৰিছিল। পৰৱৰ্তী সময়ত পুনৰ নন্দেশ্বৰ চক্ৰৱৰ্তী মধ্য ইংৰাজী বিদ্যালয় আৰু অৱসৰলৈকে নন্দেশ্বৰ চক্ৰৱৰ্তী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ মৃত্যুৰ সময়ত দুই পুত্ৰ ক্ৰমে উদ্যমী সমাজসেৱী গৌতম বৰদলৈ, অভিযন্তা শ্ৰীমন্ত বৰদলৈসহ কন্যা বহু আত্মীয় স্বজনক এৰি যায়। বিভিন্ন অনুষ্ঠানৰ স'তেও জড়িত বৰদলৈৰ মৃত্যুত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া, উপ-সভাপতি বিভাস দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, সম্পাদক ৰাতুল গোহাঁই, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী, সম্পাদক অনিল কুমাৰ পোদ্দাৰ, বৈৰাগীমঠ নৱৰূপা সংঘৰ সভাপতি ডা° উত্তম কোঁৱৰ, বৈৰাগীমঠ ব্যৱসায়ী সন্থাৰ গৌতম কলিতাসহ বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# কোকৰাঝাৰত সন্তানসহ সন্ধানহীন মাতৃ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৫ জানুৱাৰী ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰত বিগত চাৰিদিন ধৰি সন্মানসহ মাতৃ নিৰুদ্দেশ হৈ থকা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি এবছৰ নমহীয়া সন্তানৰ মাতৃ মাম্পি পণ্ডিত নামৰ মহিলাগৰাকীয়ে যোৱা ১০ জানুৱাৰীৰ দুপৰীয়া ১২-৩০ মান বজাত কৰ'নাৰ প্ৰতিষেধক ল'বলৈ বুলি শহুৰেকৰ ঘৰৰ পৰা ওলাই যোৱাৰ পাছত সন্ধানহীন হৈ পৰে। ইতিমধ্যে সন্তানসহ সন্ধানহীন হৈ থকা মাম্পি আৰু তেওঁৰ পুত্ৰক উদ্ধাৰৰ বাবে মাম্পিৰ মাতৃ সবিতা পণ্ডিতে কোকৰাঝাৰ থানাত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে মাম্পিৰ মাতৃ সবিতা আৰু একাংশই সন্তানসহ মাম্পি নিৰুদ্দেশ হোৱা ঘটনাৰ আঁৰত মাম্পিৰ স্বামী অভিজিত মণ্ডল আৰু তেওঁৰ মাতৃ, ককায়েক, বৌৱেক জড়িত হৈ থকা বুলি সন্দেহ প্ৰকাশ কৰিছে আৰু ই এক পৰিকল্পিত ঘটনা বুলি দাবী কৰিছে। কোকৰাঝাৰ চহৰৰ এক নম্বৰ ৱাৰ্ডৰ শান্তি নগৰৰ বাসিন্দা প্ৰয়াত হাৰাধন পণ্ডিত আৰু সবিতা পণ্ডিতৰ একমাত্ৰ কন্যা মাম্পিক ওচৰাওচৰি বাস কৰা অভিজিত মণ্ডলে প্ৰায় চাৰি বছৰ প্ৰেম সূত্ৰে পলুৱাই লৈ গৈ বিবাহ কৰাইছিল যদিও অভিজিতৰ পৰিয়ালে মাম্পিক সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। যাৰ বাবে বিবাহৰ পিছৰ পৰাই মাম্পিৰ ওপৰত স্বামীৰ পৰিয়ালে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলোৱাৰ লগতে মাম্পি গৰ্ভৱতী হলেই বিভিন্ন ধৰণৰ ঔষধ খুৱাই গৰ্ভ নষ্ট কৰি আহিছিল। ইয়াৰ মাজতে স্বামী অভিজিতে প্ৰায় দুবছৰ পূৰ্বে 'আমি ভাড়া ঘৰত থাকিম' বুলি লৈ গৈ সুভাষ পল্লীত ভাড়া ঘৰত অকলে এৰি থৈ পলাই আহিছিল। উক্ত সময়তে মাম্পি পুনৰ গৰ্ভৱতী হৈছিল আৰু স্বামীক অপেক্ষা কৰি তেনে অৱস্থাৰে আনৰ ঘৰত কাম কৰি পেটৰ ভাত মোকোলাইছিল। অৱশ্যে মাতৃয়ে পাছত জোঁৱায়েকৰ উক্ত ঘটনাৰ উমান পাই মাম্পিক বিচাৰি উলিয়াই নিজৰ ঘৰলৈ আনে। তাৰ কিছুদিন পাছত মাম্পিৰ এটি পুত্ৰ সন্তান জন্ম হয়। কিন্তু বাৰে বাৰে জোঁৱায়েকক মাম্পিক নিবলৈ কোৱাৰ পাছতো লৈ নোযোৱাত বিগত জুলাই মাহত মাম্পিৰ মাতৃয়ে আৰক্ষীৰ কাষ চপাত উপায়বিহীন হৈ অভিজিতে মাম্পিক ঘৰলৈ লৈ যায় যদিও পূৰ্বৰ দৰেই অত্যাচাৰ অব্যাহত থাকে। তেনে ক্ষেত্ৰত মাম্পিৰ পৰিয়াল আৰু স্থানীয় ৰাইজে সন্তানসহ মাম্পিৰ নিৰুদ্দেশৰ আঁৰত অভিজিতৰ পৰিয়ালৰ পৰিকল্পিত ষড়যন্ত্ৰ বুলি সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, যদিহে কোনোৱে মাম্পিৰ সন্ধান পায় তেন্তে ৭৬৩৮০২২৫৫৭ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে মাতৃ সবিতাই।

# বৰমপুৰ কৃষি সত্ৰই আনিছে কৃষক-নিবনুৱাৰ উদ্যম

## দীপাংকৰ, মন্টু, গোলাপ, জগদীশৰ স্বপ্নত আশাৰ ৰেঙণি

কিশোৰ কুমাৰ কলিতা

**নলবাৰী, ১৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰমপুৰ কৃষি সত্ৰই সম্প্ৰতি ৰাজ্যৰ কৃষি অৰ্থনীতিৰ লগতে নিবনুৱা সমস্যা সমাধানত বিশেষ অৰিহণা যোগাবলৈ সক্ষম হৈছে। দহৰ কল্যাণৰ হকে কাম কৰি অহা গ্ৰাম্য বিকাশ মঞ্চৰ পৃষ্ঠপোষকতাত বিগত তিনি বছৰৰ পূৰ্বে আৰম্ভ কৰা কৃষি সত্ৰখনে এতিয়া অঞ্চলটোৰ লগতে সমগ্ৰ জিলাখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। নিৰ্মীয়মান নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ পূব দক্ষিণ কোণত প্ৰায় ৪৫ বিঘা কৃষিভূমিত এই কৃষি সত্ৰখন আৰম্ভ কৰা হৈছিল। কৃষি সত্ৰখন সম্প্ৰতি অঞ্চলটোৰ গাঁওসমূহৰ ক্ষুদ্ৰ কৃষকসকলৰ এখন উমৈহতীয়া মঞ্চৰূপে ঠন ধৰি



উঠিছে। যাৰ ফলত অঞ্চলটোৰ প্ৰায় পাঁচ শতাধিক কৃষকে সত্ৰখনৰ স'তে জড়িত হৈ স্বাৱলম্বনৰ পথ উলিয়াবলৈ সক্ষম হৈছে।

উল্লেখ্য যে মাছ, ছাগলী, কুকুৰা, গাহৰি আৰু বিভিন্ন ধৰণৰ শাক-পাচলিৰ উৎপাদনে সত্ৰখনক জীপাল ১৩ পৃষ্ঠাত চাওক

# কেন্দুকুছিত অনুষ্টুপীয়াকৈ সভা মহোৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ইতিহাস প্ৰসিদ্ধ কেন্দুকুছি গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আজি বাৰ্ষিক সভা মহোৎসৱ ক'ভিড পৰিস্থিতিৰ বাবে অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা হয়। এই উপলক্ষে কেন্দুকুছি গাঁও উন্নয়ন সমিতিৰ সভাপতি বসন্ত ডেকাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰে। ইয়াৰ পাছত ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ কৰে ক্ৰমে প্ৰাক্তন ছাত্ৰ নেতা হিৰেন বেকাৰ আৰু কেন্দুকুছি গাঁও উন্নয়ন সমিতিৰ উপদেষ্টা নৃপেন ডেকাই। গাঁওখনৰ প্ৰয়াত ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে গাঁও উন্নয়ন সমিতিৰ উপদেষ্টা অমূল্য শৰ্মাই। ভাগৱত পাঠ কৰে পাঠক প্ৰসন্ন বৰুৱাই। স্থানীয় আয়তীৰ নামৰ পাছত সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কৰে ক্ৰমে যুৱ সমাজকৰ্মী অভিজিৎ কলিতা, প্ৰণীতা ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী নৃপেন দাস আৰু যুৱ ব্যৱসায়ী গিৰীশ ডেকাই। উল্লেখ্য যে 'শীতৰ সন্ধিয়া' শীৰ্ষক অনুষ্ঠান আছিল যদিও ক'ভিড পৰিস্থিতিৰ বাবে বাতিল কৰা হয়। অৱশ্যে গাঁও উন্নয়ন সমিতিৰ কাৰ্যকৰী সভাপতি শংকৰ ডেকা, বিষয়ববীয়া প্ৰদীপ ডেকা, হৰি ডেকা, প্ৰমোদ ডেকা, প্ৰণৱ ডেকা আৰু সম্পাদক অক্ষয় ডেকাই সাংবাদিক ব্ৰজেন তালুকদাৰ, জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, সাংবাদিক ৰমেন কলিতা, কিশোৰ কুমাৰ কলিতা, আছুৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, নলবাৰী সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিণ্টু বৰা, টাউন দাৰোগা দ্বীপজ্যোতি শৰ্মা, অধ্যাপক ত্ৰিদীপ ডেকা আৰু পঞ্চায়ত সভাপতি লাৱণ্য নাথৰ ঘৰে ঘৰে গৈ মাঘ বিহুৰ শুভেচ্ছা জ্ঞাপন কৰাৰ উপৰি ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# ক'ভিডে জীৱনৰ গতি সলনি কৰিলে ৰাতুলৰ

## ব্ৰইলাৰ ফাৰ্ম, গাইগৰু, ছাগলী, মাছ পুহি পৰিয়াল চলোৱাত ব্যস্ত

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৫ জানুৱাৰী ঃ** বিশ্বত্ৰাস ক'ভিড অতিমাৰীয়ে মানুহৰ জীৱনৰ গতি সলনি কৰিছে। লাখ লাখ নিবনুৱা থকা ৰাজ্যখনত চৰকাৰী চাকৰি নাপাই বহুতো শিক্ষিত নিবনুৱাই সৰু-বৰ বেচৰকাৰী ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানত কম পৰিমাণৰ মাননিৰে জীৱন যুঁজত অৱতীৰ্ণ হৈছিল। পুৱাৰে পৰা নিজৰ মটৰ চাইকেল, ৰেলগাড়ী, বাছেৰে দুৰ-দুৰণিৰ গৈ গুৱাহাটী বা অন্যান্য চহৰ-নগৰত সামান্য মাননি লৈ পৰিয়াল চলাইছিল; কিন্তু যোৱা বৰ্ষত মাৰ্চৰ পৰা বিশ্বজুৰি আৰম্ভ হোৱা কৰ'না ভাইৰাছ মহামাৰীয়ে দেশ তথা ৰাজ্যতো আতংকৰ সৃষ্টি কৰিছিল। সকলো কাম-বন বাদ দি ঘৰৰ ল'ৰা সকলোৱে ঘৰ পালেহি। সকলোৱেই আতংকিত হৈ থকাত পৰিয়াল চলোৱা ভীষণ অসুবিধাৰ সন্মুখীন হ'ল। তেনে বহুতৰ লগতে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সঠামৌ গাঁৱৰ ৰাতুল শৰ্মা হঠাতে নিবনুৱা হৈ পৰিছিল। এটা সৰু চৰকাৰী চাকৰি কৰি অৱসৰ গ্ৰহণ কৰা পিতৃ প্ৰয়াত যামিনী কান্ত শৰ্মা আৰু মাতৃ সাৰদা দেৱীৰ একমাত্ৰ পুত্ৰ ৰাতুল শৰ্মাই ১৯৯৮ত স্নাতক ডিগ্ৰী লাভ কৰি চৰকাৰী বিচাৰি নাপাই এখন সৰু গাড়ী ক্ৰয় কৰি গুৱাহাটীলৈ গৈ এখন বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনা-নিয়া কাম আৰম্ভ কৰি সামান্য মাননি লৈ কোনোমতে চলি আছিল। পিতৃ-মাতৃয়ে বিয়া পাতি দিলে জোৎস্না দেৱীৰ স'তে। সংসাৰলৈ আহিল এজনী কন্যা সংযুক্তা আৰু পুত্ৰ জিতুপন শৰ্মা। পিতৃও বৃদ্ধ অৱস্থাৰ বেমাৰত তিনিবছৰ আগতে মৃত্যু হয়। ইফালে, ক'ভিড মহামাৰীৰ বাবে দেশ তথা ৰাজ্যত তলাবন্ধ ঘোষণা হোৱাৰ পাছতে



গুৱাহাটীৰ পৰা গাঁৱৰ ঘৰলৈ উভতি আহিল ৰাতুল শৰ্মা। কি কৰিম নকৰিম ভাবি থাকিল কিছুমাহ। পত্নী জ্যোৎস্নাই সাহস দিলে ঘৰত থাকিয়ে কিবা কৰক। ঘৰৰ কাষতে থকা সৰু পুখুৰী দুটাত মাছ পোনা মেলি দিলে। ডাঙৰ কৰি কিছু মাছ বিক্ৰী কৰিলে। ছাগলী ২০টা, প্ৰায় ১০০ কয়লাৰ মুৰ্গী চৰাই আৰু দুজনী গাই গৰু আনি পুহিলে। গাই দুজনীয়ে গাখীৰ দিবলৈ ধৰিলে। প্ৰতিদিনে কেইলিটাৰমান গাখীৰ ঘগ্ৰাপাৰৰ খৰ্গে কলিতাৰ ৰেস্তোৰাঁ 'নীহাৰিকা'ত ৰাতিপুৱা সময়ত ৰাতুলে নিজেই দিয়াৰ ব্যৱস্থা কৰিলে। ছাগলী কেইটামান ডাঙৰ-দীঘল কৰি বিক্ৰী কৰি কিছু অৰ্থ গোটালে। তাৰ পাছতেই জ্যোৎস্নাৰ একান্ত সহযোগত থকা ঘৰৰ কিছু আঁতৰত যোৱা জানুৱাৰীত আৰম্ভ কৰিলে ব্ৰইলাৰ ফাৰ্ম। সম্পূৰ্ণ নিজৰ প্ৰচেষ্টাত ফাৰ্মখনত ব্যৱসায় আৰম্ভ হ'ল। উচ্চ মানৰ খাদ্য ব্ৰইলাৰ মুৰ্গীক খুৱাই প্ৰতিপালন কৰি প্ৰায় দুই আঢ়ৈ কিলোগ্ৰাম ওজন হোৱাৰ পাছতে গুৱাহাটীৰ এটা কোম্পানীয়ে গাড়ীৰে লৈ যায় উপযুক্ত দাম দি। সম্প্ৰতি এমাহত ২৮ কুইন্টল ব্ৰইলাৰ মুৰ্গী বিক্ৰী কৰিবলৈ সক্ষম হৈছে ৰাতুলে। দিন ৰাতি পৰিশ্ৰম কৰি ৰাতুল আৰু জ্যোৎস্নাই ব্ৰইলাৰ ফাৰ্ম, গাইগৰু, ছাগলী ১৩ পৃষ্ঠাত চাওক

# মৈৰাবাৰীৰ পাতেকীবড়ী সত্ৰ পৰিদৰ্শন ভুমি সমস্যা পৰ্যবেক্ষণ-পৰীক্ষণ আয়োগ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১৫ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ আলিপুখুৰী পাতেকীবড়ী সত্ৰৰ ভূমি সমস্যা পৰ্যবেক্ষণ কৰিবলৈ যোৱা ১১ জানুৱাৰীত সত্ৰখনত উপস্থিত হয়হি অসম চৰকাৰৰ সত্ৰৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকা আৰু ৰূপক শৰ্মা। আয়োগৰ দুজনীয়া প্ৰতিনিধিৰ দলটোৱে সত্ৰ পৰিচালনা সমিতি আৰু অঞ্চলৰ ৰাইজৰে মত-বিনিময় কৰি এখন সভাত মিলিত হয়। সভাত অঞ্চলৰ লোকসকলৰ লগতে পৰিচালনা সমিতিৰ সম্পাদক সত্ৰাধিকাৰ আদিয়েও সত্ৰখনৰ ভূমি সমস্যা সন্দৰ্ভত প্ৰতিনিধিৰ দলটোক অৱগত কৰে। উল্লেখ্য যে সত্ৰখনৰ ভূমিকেন্দ্ৰিক সমস্যা সম্পূৰ্ণ আলোচনাৰ মাজেৰে আজিৰ পৰা ছয় বছৰৰ আগতে তদানীন্তন মৰিগাঁও জিলা উপায়ুক্ত ৰাকেশ পালে সেই সময়ৰ উন্নয়ন আয়ুক্ত পুষ্পাঞ্জলি দাস আৰু লাহৰীঘাট ৰাজহ চক্ৰ বিষয়া সত্যজিৎ চেতিয়াৰ সহযোগত অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ স'তে আলোচনা কৰি সম্পূৰ্ণ মীমাংসা কৰিছিল। ৰাকেশ পালৰ অনুসন্ধানত পোহৰলৈ আহিছিল যে ২০০৬তে সত্ৰ পৰিচালনা সমিতিৰে তিনিজন পট্টাদাৰৰে হোৱা লিখিত চুক্তিত তেওঁলোকৰ ১২ বিঘা এক কঠা ১৭ লেছা ম্যাদী মাটি সত্ৰক আগবঢ়োৱাৰ বিনিময়ত দুৰাবান্ধি ৰিজাৰ্ভত সেই পট্টাদাৰ কেইজনক ২৪ বিঘা দ' মাটি গতাই দিয়াৰ চুক্তি হৈছিল। ৰাকেশ পালে পুনৰ বিষয়টো বিবেচনা কৰি মাটিখিনি তেওঁলোকক গতাই দিয়াৰ ব্যৱস্থা কৰিছিল যদিও পুনৰ বিষয়টো গেঁঠেলা মাৰি আছে। এই বিষয়ে আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাক ৰাইজ আৰু সত্ৰ পৰিচালনা সমিতিয়ে অৱগত কৰে। বদলিকৃত মাটি নোপোৱাৰ বাবে থানক আগবঢ়োৱা ১২ বিঘা মাটিত পট্টাদাৰৰ উত্তৰ পুৰুষে খেতি-বাতি কৰি আছে। বদলিকৃত ভূমিখিনি হস্তান্তৰ কৰি সমস্যাটো সমাধান কৰিলেই পূৰ্বৰ চুক্তি অনুসৰি পাতেকীবড়ী সত্ৰই ১২ বিঘাকৈ মাটি নিজাকৈ পাব। তেতিয়া সত্ৰখনৰ পৰিসীমা বাঢ়িব। ৰাইজৰ অভিমত গ্ৰহণ কৰি এই বিষয়টোৰে আয়োগৰ প্ৰতিবেদনত স্থান পাব বুলি আশ্বাস দি সমস্যাটো সমাধানৰ যোগাত্মক ইংগিত দিয়ে।

# অসমৰ প্ৰেক্ষাপটত দিল্লীৰ শিক্ষা ব্যৱস্থাৰ অনুৰূপ নীতি গ্ৰহণ কৰাটো সমীচীন নহয়

## চিৰাঙৰ কাশীকোত্ৰাত চিদলী শিক্ষাখণ্ডৰ উদ্যোগত 'জ্ঞান বিনিময় অনুষ্ঠান'

অগ্ৰদূত বাৰ্তা

**গৰুভাসা, ১৫ জানুৱাৰী ঃ** চিৰাং জিলাৰ চিদলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ উদ্যোগত যোৱা ১১ জানুৱাৰীত শিক্ষকসকলৰ মাজত এক 'জ্ঞান বিনিময় কাৰ্যসূচী' অনুষ্ঠিত হয়। চিদলী-কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি দুপৰীয়া বিদ্যালয়খনৰ অধ্যক্ষ পানীৰাম দৈমাৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত জ্ঞান বিনিময় সভাত গৰুভাষা বাজাৰ, শ্যামঠাইবাৰী, কাশীকোত্ৰা, গৰুভাষা নাজিৰপাৰা, ৰণছাইধাম প্ৰথম খণ্ড, ৰণছাইধাম দ্বিতীয় খণ্ড, তিলকগাঁও, হেকাইপাৰা আৰু বাসুগাঁও নেহৰু হিন্দীকে ধৰি মুঠ ১০টা ক্লাষ্টাৰৰ তিনি শতাধিক শিক্ষকে অংশগ্ৰহণ কৰে। সভাত চিদলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পবিত্ৰ হাজোৱাৰীয়ে নিজৰ আদৰণি ভাষণত কয় যে শিক্ষা ব্যৱস্থাত বিভিন্ন সমস্যা থাকিলেও জিলাখনৰ সামগ্ৰিক শৈক্ষিক উন্নয়নৰ স্বাৰ্থত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই মত বিনিময় অনুষ্ঠানত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক গৌতম দেৱশৰ্মাই ভাষণ প্ৰদান কৰে। কোকৰাঝাৰস্থিত চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সহকাৰী শিক্ষকৰূপে কৰ্মৰত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক গৌতম দেৱশৰ্মাই নিজৰ জ্ঞান গৰ্ভ ভাষণত শৈক্ষিক দিশত নিজৰ বাস্তৱ অভিজ্ঞতাৰ সম্পৰ্কে ভাষণ আগবঢ়ায়। তেওঁ লগতে কয় যে আমাৰ দৰে দিল্লীতো চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত অধিকাংশ ছাত্ৰ-ছাত্ৰী দৰিদ্ৰ সীমাৰেখাৰ তলৰ; কিন্তু অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দিল্লী চৰকাৰে শৈক্ষিক দিশত ইতিমধ্যে গ্ৰহণ কৰা কেতবোৰ পদক্ষেপে সম্প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। চৰকাৰৰ লগতে শিক্ষকসকলৰ কেতবোৰ উদ্ভাৱনীমূলক পদক্ষেপৰ বাবে ব্যক্তিগত খণ্ডৰ ২.৫ লক্ষাধিক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিছে। লগতে ব্যৱহাৰিক শিক্ষাক গুৰুত্ব প্ৰদান কৰা হৈছে। অসমৰ প্ৰেক্ষাপটত দিল্লীৰ শিক্ষা ব্যৱস্থাৰ অনুৰূপ নীতি গ্ৰহণ কৰাটো সমীচীন নহয় যদিও তাৰ ভাল দিশসমূহ বাস্তৱ ক্ষেত্ৰত ব্যৱহাৰ কৰিলে নিশ্চয় আমাৰ শিক্ষা ব্যৱস্থা উন্নয়নত অৰিহণা যোগাব। শিক্ষকসকলৰ এই শৈক্ষিক মত-বিনিময় অনুষ্ঠানত কোকৰাঝাৰৰ হৰিণাগুৰী হাইস্কুলৰ সহকাৰী শিক্ষক তথা দীক্ষা এপৰ ই-কন্টেট ক্ৰিয়েটৰ বিবি প্ৰসাদ ব্ৰহ্ময়ো আন এজন সমল ব্যক্তিৰূপে উপস্থিত থাকি বক্তব্য ৰাখে। উল্লেখ্য যে দিল্লীৰ শিক্ষা ব্যৱস্থাৰ প্ৰত্যক্ষ অধ্যয়নৰ বাবে বিটিচি চৰকাৰে প্ৰেৰণ কৰা ২৫জনীয়া দলটোত বিটিচি চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰতিনিধিৰ উপৰি সাহিত্যিক, কৃতী শিক্ষক, সমাজকৰ্মীয়ে প্ৰতিনিধিত্ব কৰিছিল।

# খুমটাই কৃষি বিজ্ঞান কেন্দ্ৰত জলধাৰা কৃষিবান্ধ নিৰ্মাণৰ আৰম্ভ

**খুমটাই, ১৫ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ খুমটাইস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত যোৱা ১২ জানুৱাৰীত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত ৪৫,৮৪,০৫৩ টকা ব্যয় সাপেক্ষে ৰাজহুৱা জলধাৰা আৰু ৩,৭৩,০৬১ টকা ব্যয় সাপেক্ষে এটা কৃষিবান্ধ নিৰ্মাণ কামৰ আৰম্ভ কৰা হয়। গোলাঘাট জিলাৰ প্ৰকল্প সঞ্চালক অভিনাশ শইকীয়া খুমটাই কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত বন্তি প্ৰজ্বলন আঁচনি আৰম্ভ কৰে। খুমটাই গাঁও পঞ্চায়তৰ সচিব বিজন কুমাৰ দাসে আঁতধৰা অনুষ্ঠানত গোলাঘাট কেন্দ্ৰীয় উন্নয়ন খণ্ড বিষয়া সঞ্জীৱ বৰা, খুমটাই গাঁও পঞ্চায়তৰ সভানেত্ৰী পুষ্পাৰাণী গগৈ, ৱাৰ্ড সদস্য নিৰ্মল গগৈ, অভিযন্তাদ্বয় অৰুণ সিং, শৈলেন্ত চেতিয়া, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলৰ লগতে জৱ কাৰ্ড শ্ৰমিকসকল উপস্থিত থাকে।

# কুকুৰমাৰাস্থিত শংকৰদেৱ বিদ্যামন্দিৰৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ছয়গাঁও, ১৫ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ কুকুৰমাৰাস্থিত শংকৰদেৱ বিদ্যামন্দিৰৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ১১ জানুৱাৰীত অনুষ্ঠিত হয়। পুৱা প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে বিদ্যামন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰাজ কুমাৰ দাসে। বন্তি প্ৰজ্বলন কৰে ছয়গাঁওস্থিত মহাশ্বেতা বিদ্যামন্দিৰৰ শৈক্ষিক সমন্বয়ক তথা শিক্ষক মুকুট কলিতাই। ইয়াৰ পাছতে অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিৰ মাজত অনুষ্ঠিত আলোচনা সভাত বক্তাৰূপে উপস্থিত থাকে শিক্ষক মুকুট কলিতা। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আৰু মাতৃসকলৰ মাজত পিঠা-লাডু প্ৰতিযোগিতা অনুষ্ঠিত হয়। পিঠা-লাডু প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে চুমি দাস আৰু দ্বিতীয় স্থান লাভ কৰে পাৰুল দাসে। প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰে বিদ্যামন্দিৰৰ প্ৰধান শিক্ষক হৰেশ্বৰ দাসে। পিঠা-লাডু প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে পৰিচালনা সমিতিৰ হৈ ধীৰাজ দাস, অভিভাৱকৰ হৈ যোগিতা দাস আৰু দীপ্তি কলিতাই। আনহাতে, চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলফল বিদ্যালয় খোলা সময়ত ঘোষণা কৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই জনাইছে।

# জুৰীয়াত পুনৰ ড্ৰাগছৰ বিৰুদ্ধে অভিযান

## ১৪ টা কণ্টেইনাৰ স'তে ড্ৰাগছ ব্যৱসায়ী আটক

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১৫ জানুৱাৰী ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত কদমনি পথাৰ গাঁৱত যোৱা ১২ জানুৱাৰীত আৰক্ষীয়ে এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ১৪টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ নগদ ১২৪০টকা জব্দ কৰে। ধৃত ড্ৰাগছ ব্যৱসায়ীজন জুৰীয়াৰ কদমনি পথাৰ গাঁৱৰ জালাল উদ্দিন। উল্লেখ্য যে জালালউদ্দিনে দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ অবৈধ বেহা চলাই আহিছিল।

# শংকৰদেৱ শিশু নিকেতন বোকাখাতৰ ৰূপালী জয়ন্তীৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১৫ জানুৱাৰী ঃ** ১৯৯৮ৰ ২১ জানুৱাৰীত স্থাপন হোৱা বিদ্যা ভাৰতীৰ অন্তৰ্গত তথা অসম শিশু শিক্ষা সমিতিৰ অধীনৰ বোমা বোকাখাত শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ আয়োজন কৰা হৈছে। অহা ২১ আৰু ২২ জানুৱাৰীত আৰম্ভণি অনুষ্ঠান হ'ব। ২৫ খন পতাকাৰ উত্তোলন, স্মৃতি তৰ্পণ, প্ৰদৰ্শনী, সম্বৰ্ধনা অনুষ্ঠান আদিৰ লগতে দ্বিতীয় দিনা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অনুষ্ঠান হ'ব। ক'ভিড প্ৰট'কল মানি হ'বলগীয়া অনুষ্ঠানত প্ৰতিষ্ঠা কালৰ লোকসকলে অংশগ্ৰহণ কৰিব। ৰূপালী জয়ন্তী পালনৰ বাবে ফণীধৰ হাজৰিকাক সভাপতি, ৰাজীৱ জয়ছোৱালক সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতি গঠন কৰাৰ লগতে কে'বাখনো উপ-সমিতি গঠন কৰা হৈছে। ২০২৩ৰ ২১ জানুৱাৰীত মূল অনুষ্ঠান হ'ব। উল্লেখ্য যে নিকেতনৰ পৰা ইতিমধ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম আৰু অষ্টম স্থান লাভ কৰি উত্তীৰ্ণ হোৱাৰ উদাহৰণ আছে।



তেজপুৰ গজৰাজৰ কৰ্পছত সেনা দিৱস, শনিবাৰে।

# স্বামী বিবেকানন্দ ভাৰতীয়ৰ এক চেতনাৰ স্পন্দনক্ট

## নকটানি-নামতিত ৰাষ্ট্ৰীয় যুৱ দিৱস উদযাপন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৫ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰৰ নকটানি যুৱ সমাজ আৰু গান্ধীজী পুথিভঁৰালৰ উদ্যোগত যোৱা ১২ জানুৱাৰীত স্বামী বিবেকানন্দৰ জন্মদিনৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়। যুৱ সমাজৰ সভাপতি ৰাজেন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ তাৎপৰ্য আৰু গুৰুত্ব শীৰ্ষক আলোচনাক আঁতধৰে প্ৰণৱ হাজৰিকাই। যুৱ আলোচক অংকুৰজিত শইকীয়াই স্বামী বিবেকানন্দৰ জীৱন সম্পৰ্কে আলোকপাত কৰি কয় যে বিবেকানন্দ ভাৰতীয় জাতিৰ বাবে এক চেতনাৰ স্পন্দন। বিবেকানন্দৰ দেশপ্ৰেম আৰু জাতীয় স্বাভিমান একক আৰু অনন্য। আলোচক প্ৰণৱ হাজৰিকাই স্বামী বিবেকানন্দৰ দেশত জন্ম লাভ কৰাটোও আমাৰ এক সৌভাগ্য বুলি উল্লেখ কৰে। উক্ত সভাত নকটানি যুৱ সমাজৰ সম্পাদক অমৰজ্যোতি শইকীয়া, শিক্ষক নৰকান্ত শইকীয়া উপস্থিত থাকে। ইফালে, নামতিৰ ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগতো **২৫** তম ৰাষ্ট্ৰীয় যুৱ দিৱস উদযাপন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ আৰম্ভণি ভাষণ সম্প্ৰচাৰৰ জৰিয়তে উপভোগ কৰে। তাৰ পাছত এক বিশেষ বক্তৃতা অনুষ্ঠান আয়োজন কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে। 'একবিংশ শতিকাৰ যুৱ সমাজলৈ স্বামী বিবেকানন্দৰ বাৰ্তা' শীৰ্ষক বক্তৃতা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথ আৰু অধ্যাপকদ্বয় ড° বিমান চন্দ্ৰ বৰা, ড° উমাকান্ত হাজৰিকা, ড° শ্বাহিউজ জামান আহমেদে বক্তব্য ৰাখে। তেওঁলোকৰ বক্তৃতাত ভাৰতীয় দৰ্শন, শিক্ষা, বিজ্ঞান মানসিকতাৰ ওপৰত বক্তব্য আগবঢ়াই। ওপৰত বক্তব্য আগবঢ়াই।

# ভাওৰাগুৰীৰ সাতবিলত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**দোতমা, ১৫ জানুৱাৰী ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীৰ সমীপৱৰ্তী সাতবিলত যোৱা ১৩ জানুৱাৰীত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। সাতবিলৰ বাসিন্দা জপেন কুমাৰ ব্ৰহ্মৰ ঘৰত বিদ্যুৎ শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডত কোটি টকাৰ সম্পত্তি ভস্মীভূত হয়। পাছত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপিত কৰে।

# অভয়াপুৰীত ১০ দিনীয়া মুৰ্গী পালনৰ প্ৰশিক্ষণৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৫ জানুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য মন্ত্ৰণালয়ৰ অধীনত আৰু অসম গ্ৰামীণ বিকাশ বেংকৰ সহযোগত স্থাপন হোৱা গ্ৰাম্য স্বনিয়োজন প্ৰতিষ্ঠান, বঙাইগাঁৱৰ উদ্যোগত অভয়াপুৰী প্ৰশিক্ষণ কেন্দ্ৰত যোৱা ৩১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত মুৰ্গী পালনৰ প্ৰশিক্ষণ শিবিৰৰ ১০ জানুৱাৰীত সামৰণি পৰে। প্ৰশিক্ষণ শিবিৰত বঙাইগাঁও জিলাৰ ১৯ গৰাকী যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। এই প্ৰশিক্ষণৰ জৰিয়তে তেওঁলোকে স্বনিয়োজনৰ বাট মোকলাই ল'ব পাৰিব বুলি আশা ব্যক্ত কৰিছে প্ৰশিক্ষকসকলে। প্ৰশিক্ষণ শিবিৰটো উদ্বোধন কৰে অসম গ্ৰামীণ বিকাশ বেংক, অভয়াপুৰী শাখাৰ পৰিচালক সুজিৎ দেৱনাথে। প্ৰতিষ্ঠানটোৰ সঞ্চালক তপন কুমাৰ সৰকাৰ, প্ৰশিক্ষক সুষমা মণ্ডল আৰু সৃজনগ্ৰাম পশু চিকিৎসালয়ৰ চিকিৎসক ভৱধৰ মজুমদাৰে যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণৰ অন্তিম দিনাখন অনুষ্ঠিত সামৰণি অনুষ্ঠানত ডাঃ ভৱধৰ মজুমদাৰ আৰু বঙাইগাঁও জিলাৰ নাবাৰ্ডৰ ডিডিএম বিষয়া আলাৰাম দেউৰীয়ে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰে।

# ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি ল'লে বঙাইগাঁৱৰ উপায়ুক্তই

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৫ জানুৱাৰী ঃ** বঙাইগাঁও জিলাত কালি বিয়লি ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি প্ৰদানৰ আৰম্ভ কৰা হয়। বঙাইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আয়োজিত আৰম্ভণি অনুষ্ঠানত যোৱা ১০ জানুৱাৰীত এই ক'ভিডৰ সুৰক্ষাসূচক পালি প্ৰদানৰ আৰম্ভণি কৰে জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই। উপায়ুক্তজনে নিজে প্ৰথমে ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি গ্ৰহণ কৰে। তেওঁৰ লগতে জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, মাণিকপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰীতিমণি দাসেও এই সুৰক্ষাসূচক পালি গ্ৰহণ কৰে। উদ্বোধনী ভাষণত উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই কয় যে ক'ভিডৰ তৃতীয় ঢৌ আহিব পাৰে, গতিকে আমি সজাগ হ'ব লাগিব। এই আশংকা কৰিয়েই ক'ভিডৰ দুপালি প্ৰতিষেধকৰ লগতে অতিৰিক্ত সুৰক্ষাসূচক পালিও গ্ৰহণ কৰাটো জৰুৰী। তেওঁ কয়, 'আমি ক'ভিডৰ নীতি-নিয়মসমূহ মানি চলিব লাগিব, মাস্ক পিন্ধিব লাগিব, সামাজিক দূৰত্ব বজাই ৰাখিব লাগিব, তেতিয়াহে বঙাইগাঁও জিলাখনক আমি ক'ভিডৰ পৰা সুৰক্ষিত কৰি ৰাখিব পাৰিম।' সকলোৰে সহযোগিতা লাগিব বুলিও উপায়ুক্তজনে উল্লেখ কৰে।

# কৃষ্ণাইৰ ভেলাখামাৰ নাথপাৰা মা কালী মন্দিৰৰ নৱগৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৫ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত ভেলাখামাৰ নাথপাৰা মা কালী মন্দিৰৰ প্ৰস্তাৱিত নৱ মন্দিৰ গৃহটোৰ কালি আধাৰশিলা স্থাপন কৰা হয়। ডেৰশ বছৰ অতিক্ৰম কৰা মন্দিৰটোৰ প্ৰাংগণত কালি গৃহটোৰ আধাৰশিলা স্থাপন কৰে বিজেপিৰ গোৱালপাৰা জিলা সমিতিৰ উপসভানেত্ৰী সুচিত্ৰা নাথে। তেওঁক সহযোগিতা আগবঢ়ায় গাঁওখনৰ জ্যেষ্ঠ ব্যক্তি বীৰেন নাথে। ইয়াৰ পাছত পৱন নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ আঁত ধৰে সাংবাদিক কন্দৰ্প কুমাৰ দেৱ নাথে। আনহাতে, মুকলি সভাখনত ভাষণ প্ৰদান কৰে গোৱালপাৰা জিলা বিজেপিৰ উপ সভানেত্ৰী সুচিত্ৰা নাথ, শিক্ষক হেৰম্ব নাথ, অৱসৰপ্ৰাপ্ত আৰক্ষী গোপাল নাথ, শিক্ষক নাৰায়ণ নাথ, জ্যেষ্ঠ ব্যক্তি বীৰেন নাথ আদিয়ে।



চিনামৰাৰ নআলিত ধানখেৰ ভৰ্তি বাহন ভস্মীভূত।

# ৰঙিয়াত স্বামী বিবেকানন্দৰ জন্মজয়ন্তী পালন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৫ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে যোৱা ১২ জানুৱাৰীত ৰঙিয়া ৰামকৃষ্ণ সেৱাশ্ৰম সংঘত দিনজোৰা কাৰ্যসূচীৰে স্বামী বিবেকানন্দৰ ১৫৯ সংখ্যক জন্ম জয়ন্তী যুৱ দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে পুৱা মঙ্গলাৰতিৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ইয়াৰ পাছত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল ধেমালী, চিত্ৰাংকণ, স্বামী বিবেকানন্দৰ জীৱন, কৰ্মৰাজি আৰু আদৰ্শ ভিত্তিক কুইজ, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই দিৱসৰ স'তে সংগতি ৰাখি স্বামীজিৰ প্ৰতিকৃতিত মাল্যদান কৰে সেৱাশ্ৰমৰ ৰঙিয়াৰ সমন্বয়ক তৰুণ সমাদ্দাৰে, আনহাতে, বন্তি প্ৰজ্জ্বলন কৰে প্ৰদীপ গুহই। ইয়াৰ পাছত স্বামীজীৰ জীৱন আদৰ্শ আৰু বাণীৰ বৰ্তমান সমাজ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তা সম্পৰ্কে ব্যখা কৰে ক্ৰমে টুলু চক্ৰৱৰ্তী, তৰুণ সমাদ্দাৰ প্ৰদীপ গুহ সহ অন্যান্য বক্তা সকলে। এই উপলক্ষে এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী নন্দিতা চক্ৰৱৰ্তীৰ সুললিত কণ্ঠৰ ভক্তিগীতি সকলোকে আপ্লুত কৰে। উল্লেখ্য যে ৰঙিয়া ৰামকৃষ্ণ সেৱাশ্ৰম সংঘৰ জন্মলগ্নৰ পৰাই স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী যুৱ দিৱস হিচাপে পালন কৰি অহা হৈছে।

# মৃত্যুৰ ওচৰত হাৰ মানিলে বাৰাংহাটীৰ মেধাৱী ছাত্ৰী ভনিতাই

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৫ জানুৱাৰী ঃ** কামৰূপ গ্ৰাম্য জিলাৰ অধীনস্থ হাজো সমষ্টিৰ বাৰাংহাটী গাঁও পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ বাৰাংহাটীৰ মেধাৱী ছাত্ৰী ভনিতা কলিতা (২২)ই ভোগালীৰ পুৱাই মৃত্যুৰ ওচৰত হাৰ মানিলে। উল্লেখ্য যে কেইমাহমান আগৰে পৰা ভনিতা আক্ৰান্ত হৈ আছিল দুৰাৰোগ্য ৰোগত। দিন হাজিৰা কৰা পিতৃ ৰবীন কলিতা উপায়ান্তৰ হৈ পৰিছিল। ২০ লক্ষাধিক টকাৰ প্ৰয়োজন ভনিতাৰ চিকিৎসাৰ বাবে। অৰ্থৰ অভাৱত মুম্বাইৰ প্ৰিঞ্চ আলী শ্বেখ হাস্পতালৰ পৰা আধৰুৱা চিকিৎসাৰে উভতিব লগা হৈ পৰিল দুৰ্ভগীয়া ছাত্ৰীগৰাকী। পশ্চিম বড়িগোগ মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰী ভনিতাৰ চিকিৎসাৰ বাবে পিতৃ-মাতৃয়ে সকলো হৃদয়বান ব্যক্তি, দল-সংগঠনৰ উপৰি অসমৰ মুখ্যমন্ত্ৰী তথা স্থানীয় জনপ্ৰতিনিধিৰ পৰা সাহায্য বিচাৰি কাতৰ আহ্বান জনাইছিল। পিতৃ-মাতৃৰ আকুল আহ্বানক সঁহাৰি জনাই আগবাঢ়ি আহিছিল বহুজন। দল-সংগঠনে সহায়ৰ হাত আগবঢ়াইছিল দুৰ্ভগীয়া ভনিতালৈ। সকলোৰে আকুলতাক কুঠাৰাঘাত কৰি ভোগালীৰ পুৱাই আহিছিল দুৰ্ভাগ্যজনক খবৰটো। বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত চিকিৎসাধীন অৱস্থাত মৃত্যু হয় ভনিতাৰ। উল্লেখ্য যে মৃত্যুৰ কেইমাহমান আগতে ভনিতা সাধাৰণভাৱে জ্বৰত আক্ৰান্ত হোৱাত স্থানীয় চিকিৎসকৰ ওচৰত চিকিৎসাধীন হৈছিল। ইয়াত সুস্থ নোহোৱাত চিকিৎসকৰ পৰামৰ্শ মতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসা কৰে। তাতে ছাত্ৰীগৰাকীৰ সকলো পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰাত মাৰাত্মক ৰোগৰ স্থিতি ধৰা পৰে। অৱশেষত জি এম চি এইছৰ এজন জ্যেষ্ঠ চিকিৎসকৰ পৰামৰ্শ মতে মুম্বাইৰ প্ৰিঞ্চ আলী শ্বেখ হাস্পতালত চিকিৎসাধীন হয়। উক্ত চিকিৎসালয়ৰ চিকিৎসকে ছাত্ৰীগৰাকীক সুস্থ কৰাৰ বাবে প্ৰায় ২০ লক্ষাধিক টকাৰ প্ৰয়োজন হ'ব বুলি জানিবলৈ দিয়াত উপায়ান্তৰ হৈ পৰে পৰিয়ালটো। অৱশেষত মূৰতে সৰগ ভাঙি পৰাৰ দৰে হোৱা পিতৃয়ে কন্যাক ঘৰলৈ উভতাই আনে। কালি মেধাৱী ছাত্ৰীগৰাকীৰ মৃত্যুৰ বাতৰিত অঞ্চল জুৰি শোকৰ ছাঁ পৰিছে।

# জোঙাল বলহু গঁড়ত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ স্থলভিত্তিক অধ্যয়ন

অগ্ৰদূত বাৰ্তা


**ৰহা, ১৫ জানুৱাৰী ঃ** ভাৰত চৰকাৰৰ এক ভাৰত-শ্ৰেষ্ঠ ভাৰত'ৰ আচনিৰ অধীনত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা বাহিনী আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত ভাৰতৰ ঐতিহাসিক স্থান সমূহৰ অধ্যয়ন আৰু সংৰক্ষণৰ ওপৰত সজাগতাৰ এক স্থলভিত্তক অধ্যয়ন বাবে প্ৰায় ৮০ গৰাকী ছাত্ৰ- ছাত্ৰীৰ এটা দল ৰহাৰ জোঙাল বলহু গঁড়লৈ আহে। মহাবিদ্যালয়ৰ ড° অমীয়া পাটৰৰ নেতৃত্বত অহা ছাত্ৰ-ছাত্ৰীসকলে জোঙাল বলহুৰ প্ৰতিমূৰ্তি আৰু জোঙালৰ ৰাজভৱনৰ স্থল সমূহ অধ্যয়ন কৰে। ছাত্ৰ-ছাত্ৰীৰ লগত মহাবিদ্যালয়ৰ মুনীন বৰা, শংকৰজ্যোতি বৰা, মৰমী গায়ন, বিভাগ ডেকা, দীপাংকৰ মৰল, প্ৰাৰ্থনা হাজৰিকা ই অংশগ্ৰহণ কৰে। উক্ত দলটোত নগাঁও ছোৱালী মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয়, গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয় আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আছিল।

# ভ্ৰাম্যমাণ থিয়েটাৰৰ জনপ্ৰিয় শিল্পীয়ে দিন হাজিৰা কৰি পেট প্ৰবৰ্তাইছে

## শিল্পী পেঞ্চনৰ বাবে বাৰে বাৰে আবেদন কৰিও হতাশ ঃ সদয় হ'বনে চৰকাৰ ?

অগ্ৰদূতবাৰ্তা

**কমলাবাৰী, ১৫ জানুৱাৰী ঃ** এসময়ত ভ্ৰাম্যমাণ থিয়েটাৰৰ জনপ্ৰিয় শিল্পী মাজুলী মেখেলী গাঁৱৰ ভূপেন শইকীয়াই এতিয়া দিন হাজিৰা কৰি পেট প্ৰবৰ্তাইছে। এটা শিল্পী পেঞ্চনৰ বাবে বাৰে বাৰে আবেদন কৰিও বিফল হোৱা শিল্পীজন হতাশ হৈ পৰিছে যদিও পুনৰ আবেদন জনাইছে। শিল্পীজনে অতি দুখেৰে এই প্ৰতিবেদকক কয় যে চৰকাৰে আমাৰ দৰে দৰিদ্ৰ শিল্পীৰ প্ৰতি সদয় হ'বনে ?



সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ দ্বীপ জিলা মাজুলীৰ মেখেলী গাঁৱৰ নিৱাসী ভূপেন শইকীয়া নামৰ শিল্পীজনে লক্ষীমপুৰ জিলাৰ শ্ৰীশ্ৰীবেলগুৰি সত্ৰত সত্ৰীয়াৰূপে শৈশৱ কাল পাৰ কৰে। সত্ৰত থকা কালছোৱাত তেওঁ সত্ৰীয়া নৃত্য, অংকীয়া ভাওনা, গায়ন-বায়ন আদি বিষয়ৰ শিক্ষা গ্ৰহণ কৰি পাৰ্গত হৈ পৰে। অৱশ্যে পৰিয়ালৰ জ্যেষ্ঠ হিচাপে ঘৰ চলাব লগা হোৱাত সেই সময়ত সত্ৰ ত্যাগ কৰি গৃহামুখী হ'ব লগা হয়। আৰ্থিক দৈন্যই কোঙা কৰা পৰিয়ালটোক চোৱাচিতাৰ বাবে পৰৱৰ্তী সময়ত অসমৰ ভ্ৰাম্যমাণ জগতৰ অভিনেতা আৰু অসমীয়া কথা ছবিৰ পৰিচালক দেৱেন ভূঞাৰ সানিধ্যলৈ আহে আৰু তেওঁৰ যোগেদিয়েই তেওঁ প্ৰথম ভ্ৰাম্যমাণ নাট্য দল অসমী থিয়েটাৰত অভিনেতাৰূপে আত্মপ্ৰকাশ কৰে। ইয়াৰ পাছত তেওঁ ভাস্কৰ থিয়েটাৰ, নটৰাজ থিয়েটাৰ, সম্ৰাট আদি অসমৰ আগশাৰীৰ থিয়েটাৰ দলত প্ৰায় এক দশক ধৰি নাট পৰিচালনা আৰু অভিনয় কৰি অসমৰ ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হয়। এনে সময়তে পিতৃৰ অসুস্থতাৰ বাবে পুনৰ ভ্ৰাম্যমাণ দল ত্যাগ কৰি ঘৰলৈ ঘূৰি আহে। ঘৰত থকা সময়তো তেওঁ সাংস্কৃতিৰ পথাৰ খনৰ পৰা ওলাই আহিব পৰা নাছিল। সেইবাবে মাজুলী সাংস্কৃতিক কেন্দ্ৰত পুনৰ অংকীয়া ভাওনা, খোল, মিচিং বিহু আৰু সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰি অসম তথা ভাৰতৰ বিভিন্ন মঞ্চত সাংস্কৃতিক সঞ্চালকালয়ৰ শিল্পীৰূপে অংশগ্ৰহণ কৰে। মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে বিশিষ্ট শিল্পী তথা অধ্যক্ষ ৰঞ্জিৎ কুমাৰ ভূঞাৰ তত্বাৱধানত কে'বাখনো অংকীয়া নাটৰ, সংগীতালেখ্য ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত বাণীবদ্ধ কৰি দক্ষতাৰ পৰিচয় দিয়াৰ উপৰি গুৱাহাটী আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰ সম্প্ৰচাৰ হোৱা কেঁবাখনো অংকীয়া ভাওনাত অভিনয় কৰি সুখ্যাতি অৰ্জন কৰিছিল।

ঘৰুৱা অৱস্থা শোচনীয় হোৱা হেতু উচ্চ আকাংক্ষা একাশৰীয়া কৰি মাজুলীতে থাকি মাজুলীৰ বিভিন্ন ঠাইত জ্যোতি প্ৰসাদৰ ৰূপালীম, শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী আদি প্ৰায় শতাধিক নাটকৰ পৰিচালনাৰ দায়িত্ব দক্ষতাৰে পালন কৰি নাটসমূহ মঞ্চস্থ কৰে আৰু বহুতো কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে । তেওঁৰ বলিষ্ঠ নেতৃত্বতেই মেখেলী গাঁও আঞ্চলিক যুৱক সংঘই কৃষ্টি-সংস্কৃতিৰ দিশত এক নতুন ৰূপ পায়। সংস্কৃতিৰ পথাৰত ওৰেটো জীৱন বিচৰণ কৰি ফুৰা এইজন শিল্পীয়ে বৰ্তমান কৃষি কৰ্ম আৰু দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিব লগা হৈছে। অতি দুখৰ বিষয় যে কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবেই জীৱনৰ মূল্যবান সময় অতিবাহিত কৰা শিল্পীজনে আজি পৰ্যন্ত চৰকাৰৰ পৰা একোৱেই নাপালে। সেয়ে মাজুলীবাসীয়ে দৰিদ্ৰ শিল্পীজনক শিল্পী পেঞ্চন দিবলৈ চৰকাৰক মাজুলীৰ সাংস্কৃতিক মহলে আহ্বান জনাইছে।

# এডিপি কলেজৰ-বুক নুক কাফেৰ গ্ৰন্থমেলাৰ সামৰণি

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ জানুৱাৰী ঃ** বিগত তিনিদিন ধৰি গ্ৰন্থৰ সুবাসেৰে জীপাল হৈ থকা নগাঁৱৰ ছহিদ ভৱন যোৱা ১২ জানুৱাৰীত নিমাওমাও হৈ পৰে। দুঃসময়ত ভীতিগ্ৰস্ত পৰিৱেশৰ মাজতো নগাঁৱৰ কিতাপ ভালপোৱা মানুহেৰে দলদোপ দেন্দোলদোপ হৈ থকা ছহিদ ভৱন নিজম পৰিল। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে বুক নুকৰ সহযোগত আয়োজন কৰা ব্যতিক্ৰমী গ্ৰন্থমেলাখন যদিও একেটা মাত্ৰ সভাকক্ষতে অনুষ্ঠিত হ'ল তথাপি অভাৱনীয়ভাৱে তিনিদিনত লক্ষাধিক টকাৰ কিতাপ বিক্ৰী হয়। গ্ৰন্থমেলাৰ দ্বিতীয় দিনা গল্পকাৰ অনামিকা বৰা, সিদ্ধাৰ্থ বেজবৰুৱাৰ লগতে নগাঁও চহৰৰ আৰু আশে-পাশে থকা মহাবিদালয়সমূহৰ সৃষ্টিশীল লেখক আৰু সচেতন পঢ়ুৱৈ অধ্যাপক-অধ্যাপিকাসকলক লৈ আয়োজন কৰা 'বিষয় কিতাপ লেখক পঢ়ুৱৈৰ আড্ডা' শীৰ্ষক এটি ৰসাল আড্ডা অনুষ্ঠানে সচেতন সমাজৰ মাজত চৰ্চা লাভ কৰিছে। কিতাপ ঃ বিষয়ক কেন্দ্ৰত ৰাখি সম্পন্ন হোৱা অনুষ্ঠানত গল্পকাৰ সোমনাথ বৰা, কবি জীৱন নৰহ আৰু বিমান কুমাৰ দলে, প্ৰথ্যাত সাহিত্য সমালোচক প্ৰভাত বৰা আৰু অৰিন্দম বৰকটকীয়ে ভাগ লোৱাৰ লগতে ভালেসংখ্যক সচেতন নাগৰিক উপস্থিত থাকে। গ্ৰন্থমেলাৰ অন্তিম দিনৰ দুপৰীয়াৰ পৰা অসম কবি সন্মিলনৰ সভাপতি প্ৰদীপ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হয় এখন কবি সন্মিলন। এই সন্মিলত অৰ্ধ শতাধিক কবিয়ে অংশগ্ৰহণ কৰে।

# শৰীৰম্ আদ্যম্





## মানসিকতা সলনিৰ প্ৰভাৱ পৰে স্বাস্থ্যত

**চিন্তা-ভাৱনা** আৰু মানসিকতাৰ সলনিয়ে স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। খাদ্যৰ স'তে মনৰ ওতঃপ্ৰোত সম্পৰ্ক থাকে। এবিধ খাদ্য যেতিয়া সুস্থ মানসিকতাৰে গ্ৰহণ কৰে তেতিয়া খাদ্য বিধত থকা উপাদানসমূহ শৰীৰৰ উপকাৰ সাধন কৰে। এবিধ খাদ্যত কি কি উপাদান থাকে সেয়া প্ৰায়ভাগ লোকেই জ্ঞাত নহয়। স্বাস্থ্য বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলেহে তাত কিমান পৰিমাণৰ উপাদান কি কি ৰূপত থাকে সেয়া জানিব পাৰি। দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰা সকলোৰ খাদ্যত কি কি উপাদান কিমান পৰিমাণে পোৱা যায় সেই বিষয়ে প্ৰায়ভাগ লোকেই জ্ঞাত নহয়। তথাপি কিছুমান খাদ্য অতি ভাল বুলিয়ে গণ্য কৰা হয় তাৰ পৰা লাভ কৰা গুণাগুণৰ ওপৰত। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানুহে কিছুমান খাদ্য দিনৰ ভাগত প্ৰস্তুত কৰি আহিছে। এনেবোৰ খাদ্য নিশা নাখায়। বিশেষকৈ টেঙা, খাৰ, তিতা আদি খাদ্য। তদুপৰি খাৰ খাদ্য গ্ৰহণৰ প্ৰথমতে খোৱাৰ অভ্যাস। যদি খাৰ খায় তেতিয়াহ'লে সেই সাঁজত তিতা আৰু টেঙা নাখায়। দৰাচলতে তিনিওবিধ খাদ্যৰ বিপৰীতধৰ্মী গুণ আৰু এইবোৰৰ মাজত হোৱা ৰাসায়নিক বিক্ৰিয়াই শৰীৰৰ ক্ষতিসাধন কৰাৰ আশংকা থাকে।

শীতৰ সময়ত প্ৰায়ভাগ লোকেই জুত পোৱা খাদ্য খায়। বেঙেনা, আলু, মিঠা আলু আদি আঙঠাত পুৰি খায়। তদুপৰি হাঁহ আদিৰ ছালখন পুৰিহে মাংসৰ জোল প্ৰস্তুত কৰে। সাধাৰণতে শীতৰ খাদ্যবোৰত শৰ্কৰাৰ পৰিমাণ বেছি থাকে। আগতে মানুহে এনে খাদ্যৰ আঁৰত থকা স্বাস্থ্যসন্মত কাৰণ সম্পৰ্কে ব্যাখ্যা কৰিব পৰা নাছিল যদিও এতিয়া এইবোৰৰ উপাদান সম্পৰ্কে বিশ্লেষণ কৰিছে গৱেষকসকলে। এই সময়ত হাঁহৰ তেল অৰ্থাৎ ইয়াত প্ৰচুৰ পৰিমাণে চৰ্বি থাকে। যদিহে ইমান পৰিমাণৰ চৰ্বি শৰীৰত প্ৰৱেশ কৰে তেতিয়াহ'লে শৰীৰৰ অপকাৰ হ'ব। হৃদৰোগৰ পৰা আৰম্ভ কৰি ষ্ট্ৰ'ক হোৱাৰ আশংকা বৃদ্ধি পায়। এই সকলোবোৰ জানিও এতিয়া মানুহে খাদ্য প্ৰস্তুত প্ৰণালী ইমান অস্বাস্থ্যসন্মত কৰিছে যে কেইদিনমান খোৱাৰ পাছতে বিভিন্ন ধৰণৰ ৰোগে গা কৰি উঠে। আনকি যিবোৰ পৰিয়ালত অস্বাস্থ্যসন্মত খাদ্য প্ৰস্তুত কৰা হয় যে ইয়াৰ প্ৰভাৱ লাহে লাহে সন্তানৰ ওপৰত পৰিবলৈ ধৰে। আনকি সন্তানৰ ওপৰত দীৰ্ঘদিনীয়া প্ৰভাৱ পৰা দেখা যায়।


**নয়ন কুমাৰ শৰ্মা**

এনেদৰে খাদ্য প্ৰস্তুত আৰু গ্ৰহণৰ মানসিকতাই গঢ় লৈ উঠা বাবে এতিয়া পৰম্পৰাগত খাদ্য সম্ভাৰ যে মূল্যহীন হৈছে। যদিহে সকলোৱে মানসিকতাই এনেদৰেই গতি কৰি থাকে তেতিয়াহ'লে ভৱিষ্যৎ পৰিণতি হ'ব অতি ভয়াবহ।

মানুহৰ চিন্তা-ভাৱনাৰ ওপৰতো খাদ্য গ্ৰহণৰ অভ্যাস ভালেখিনি নিৰ্ভৰ কৰে। সময়ৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হ'বই। যিমানেই বিশ্বায়নৰ প্ৰভাৱ পৰিব সিমানে মানসিকতাৰো পৰিৱৰ্তন হোৱাটো স্বাভাৱিক কথা। আগতে এখন ৰাজ্য বা দেশৰ লোকে আন এটা অঞ্চলৰ লোকৰ স'তে সহজে মিলামিছা কৰিব নোৱাৰিছিল। সেইবাবে এটা অঞ্চলৰ লোকে আন অঞ্চলৰ খাদ্য সম্ভাৰৰ স'তে সহজে চিনাকি হ'ব পৰা নাছিল। এতিয়া নেট খুলিলেই সকলো তথ্য পোৱা যায়। তদুপৰি সময়ে সময়ে বিভিন্ন দিশৰ খাদ্যমেলা আদিৰ আয়োজন কৰা বাবে খাদ্যৰ আদান-প্ৰদান হ'বলৈ ধৰিলে। মানুহৰ মানসিকতাৰ সলনি হ'ল। যদি এটা কথাত কোনোৱে গুৰুত্ব দিয়া নাই যে সকলো খাদ্য সকলো অঞ্চলৰ লোকৰ বাবে উপযুক্ত নহ'বও পাৰে। কাৰণ শীতপ্ৰধান দেশ এখনৰ খাদ্য সম্ভাৰ গ্ৰীষ্মপ্ৰধান দেশৰ লোকৰ বাবে উপকাৰী নহ'বও পাৰে। তদুপৰি খাদ্যৰ গুণাগুণ ভালেখিনি নিৰ্ভৰ কৰে জলবায়ুৰ ওপৰত। সেইবাবে খাদ্য গ্ৰহণৰ ক্ষেত্ৰত মানসিকতাৰ সলনি হোৱাৰ লগে লগে আন দিশসমূহো বিশ্লেষণ হোৱা উচিত। তেতিয়াহে স্বাস্থ্যৰ উপকাৰ হ'ব। আমি কেৱল আনক দেখুৱাই উদৰ পূৰাই খাদ্য গ্ৰহণ কৰিলেই নহ'ব, সমান্তৰালভাৱে স্বাস্থ্য বিষয়তো গুৰুত্ব প্ৰদান কৰিবই লাগিব। চিন্তা-ভাৱনা, মানসিকতাৰ পৰিৱৰ্তন আৰু শৰীৰে গ্ৰহণ কৰিব পৰা ক্ষমতাৰ মাজত ভাৰসাম্য ৰক্ষা হ'লেহে সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো সম্ভৱ।

*ফোন ঃ ৯৮৬৪০-৮৪৯৬৯*

## ব্ৰক'লি-মটৰমাহৰ গুণ



শীতকালৰ বজাৰত উপলব্ধ হ'বলগীয়া বিভিন্ন পাচলিৰ ভিতৰত অন্যতম হৈছে ব্ৰক'লি (সেউজ ফুলকবি) আৰু মটৰমাহ। এই দুয়োবিধৰে ৰং সেউজীয়া। তাৰ ভিতৰত এবিধ পাচলি আৰু আনবিধ শস্যগুটি। যিসকলে অতিৰিক্ত মেদৰ সমস্যাত ভুগি আছে, তেওঁলোকৰ বাবে এই দুবিধ খাদ্য অব্যৰ্থ। দুই সেউজে মিলি আপোনাক সুন্দৰ শৰীৰৰ অধিকাৰী কৰি তুলিব পাৰে। ব্ৰক'লি আৰু মটৰমাহত আছে ডায়েটাৰী ফাইবাৰ। এই ডায়েটাৰী ফাইবাৰ উপাদানে শৰীৰৰ স্থূলতা বা মেদ হ্ৰাস কৰিব পাৰে। ইয়াৰ উপৰি মেটাব'লিক ছিণ্ড্ৰ'ম আৰু অন্ত্ৰৰ প্ৰতিকুল অৱস্থাৰ পৰিৱৰ্তন ঘটাই অন্ত্ৰত উপকাৰী বেক্টেৰিয়া সৃষ্টি কৰে। মেদ হ'ল বৰ্তমান আমাৰ দৈনন্দিন জীৱনৰ অন্যতম সমস্যা। মেদবহুল লোকৰ সংখ্যা বিশ্বজুৰি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। মেদৰ বাবেই মানুহৰ শৰীৰত সৃষ্টি হৈছে মধুমেহ, উচ্চ ৰক্তচাপ, হৰম'ন আদিৰ সমস্যা। সেয়ে এইধৰণৰ সমস্যাবোৰ এৰাই চলাৰ বাবে নিয়মিত ব্যায়ামৰ লগতে স্বাস্থ্যকৰ খাদ্যৰ কথাও উঠি আহে। গৱেষকৰ দলটোৱে দাবী কৰে যে প্ৰতিদিনৰ খাদ্যতালিকাত ব্ৰক'লি আৰু মটৰমাহ থাকিলে মানুহৰ অতিৰিক্ত মেদ নাশ কৰি লোকজনক সুস্থ কৰি ৰাখিব। গতিকে আপোনাৰ মনতো চাগৈ প্ৰশ্ন জাগিছে, এই ব্ৰক'লি আৰু মটৰমাহতনো কি কি গুণ আছে?

**মটৰমাহৰ পাঁচটা গুণ**

⇨ মটৰমাহত অধিক পৰিমাণে ফাইবাৰ থকাৰ বাবে ই পেট পৰিষ্কাৰ কৰি ৰাখে আৰু কোষ্ঠকাঠিন্য ৰোধ কৰে।

⇨ মটৰমাহত থকা নিয়াচিন নামৰ উপাদানে তেজত প্ৰবাহিত ক্ষতিকাৰক ক'লেষ্টেৰল দূৰ কৰি উপকাৰী ক'লেষ্টেৰলৰ পৰিমাণ বৃদ্ধি কৰে।ই এণ্টি-অ'ডিেণ্ট হিচাপে কাম কৰাৰ লগতে ৰোগ প্ৰতিৰোধ ক্ষমতাও বৃদ্ধি কৰে।

⇨ মধুমেহৰ ৰোগীসকলেও নিশ্চিন্তমনে মটৰমাহ খাব পাৰে। ই মধুমেহ প্ৰতিৰোধত সহায় কৰে।

⇨ মটৰমাহে হাড় সবল কৰে। মটৰমাহত থকা ফলিক এচিড প্ৰসূতিসকলৰ বাবে অতি জৰুৰী।

⇨ মটৰমাহে ত্বকৰ উজ্জ্বলতা বৃদ্ধি কৰে আৰু দৃষ্টিশক্তি বৃদ্ধিতো সাহায্য কৰে।

**ব্ৰক'লিৰ পাঁচটা গুণ**

⇨ নেমুৰ দ্বিগুণ আৰু আলুৰ সাতগুণ পৰিমাণৰ ভিটামিন 'চি' থাকে ব্ৰক'লিত। ইয়াৰ উপৰি এইবিধ পাচলিত চৰ্বি আৰু কেলৰি কম, কিন্তু ফাইবাৰ থাকে বহু বেছি। সেয়ে অত্যধিক পৰিমাণে ব্ৰক'লি খালেও শৰীৰৰ কোনো ক্ষতিসাধন নহয়।

⇨ ব্ৰক'লিয়ে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। ব্ৰক'লিত থকা ছেলিনিয়ামে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা তৈয়াৰ কৰে।

⇨ ব্ৰক'লিত প্ৰচুৰ পৰিমাণে ভিটামিন 'এ' থকাৰ ফলত ত্বকত বেক্টেৰিয়া সংক্ৰমণত বাধা প্ৰদান কৰে। আনকি ছৰ্দি-কাহো ৰোধ কৰিব পাৰে ব্ৰক'লিয়ে।


⇨ আলচাৰ আৰু গেষ্ট্ৰাইটিছ প্ৰতিৰোধত ব্ৰক'লি অত্যন্ত কাৰ্যকৰী। বন্ধাকবিতকৈ ব্ৰক'লিত অত্যধিক পৰিমাণৰ ভিটামিন 'ইউ' (মেথিডনাইনৰ উপজাত) থাকে। ফলত ই গেষ্ট্ৰিক, আলচাৰ আৰু কৰ্কট সহজে প্ৰতিৰোধ কৰে।

⇨ ব্ৰক'লি ভিটামিন 'চি' সমৃদ্ধ বাবে এই পাচলি সঘনাই খালে ত্বক সুন্দৰ হয় আৰু ই ফাইবাৰযুক্ত হোৱাৰ বাবে কোষ্ঠকাঠিন্য ৰোধ কৰাৰ ক্ষেত্ৰতো উপকাৰী।

## চুলি সৰা বন্ধ কৰিব কেনেকৈ

আজিকালি চুলি সৰাৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। প্ৰায়ভাগ লোকৰেই কম-বেছি পৰিমাণে চুলি সৰে। কিছুমানৰ উফি, আনহাতে চুলি পকা আৰু সৰাৰ সমস্যাই গা কৰি উঠিছে। এনে সমস্যাৰ পৰা হাত সাৰিবলৈ কিছু ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগিব। চুলিৰ গুৰিত কিছুমান উপাদান লগালে সৰি যোৱা সমস্যাৰ পৰা হাত সাৰিব পাৰি। আমলখি সিদ্ধ কৰি ঠাণ্ডা হোৱাৰ পাছত বীজটো বাহিৰ কৰি ভালদৰে পিচি লৈ চুলিৰ গুৰিত ঘঁহিব লাগে। কিছু সময় এনেদৰে ৰখাৰ পাছত ভালদৰে চেম্পু কৰিব লাগে। সপ্তাহত এদিন এনে কৰিলেও সুফল পোৱা যায়। পিঁয়াজৰ ৰস উলিয়াই মূৰত ঘঁহিলেও সুফল পোৱা যায়। ২০ মিনিটমান এনেদৰে ৰাখি চেম্পু কৰিব লাগে। সপ্তাহত দুই-তিনিদিন মান এনেদৰে ৰস লগালে চুলি সৰা বন্ধ হ'ব। দৈয়ে চুলিক পুষ্টি যোগায়। ইয়াত চুলিৰ বাবে উপকাৰী বেক্টেৰীয়া পোৱা যায়। ভালদৰে ছালখনত লগালে চুলি সৰাৰ সমস্যা আঁতৰ হ'ব পাৰে। জবাফুলৰ পাহি ভালদৰে পিচি লৈ সেয়া যদি ছালত ভালদৰে ব্যৱহাৰ কৰা হয় তেতিয়াহ'লে সুফল পোৱা যায়। ২০ মিনিটমান লগাই ভালদৰে চেম্পু কৰিব লাগিব। নেমুত থকা ভিটামিন 'চি' চুলিৰ বাবে উপকাৰী।

## শীতকালীন অতিসাৰ ৰোগ



আমাৰ দেশত প্ৰতিবছৰে পাঁচ লক্ষাধিক শিশুৰ অতিশাৰ বা ডায়েৰিয়া ৰোগত মৃত্যু ঘটে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশতে ২৫ শতাংশ শিশুৰ মৃত্যু হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ, শিশুৰ শাৰীৰিক বল নথকা আৰু সঠিক সময়ত সঠিক চিকিৎসাৰ অভাৱ। সংক্ৰমণজনিত কাৰণতে ৬০-৮০ শতাংশ শিশু ডায়েৰিয়া বা অতিশাৰ ৰোগত আক্ৰান্ত হয়। শীতকালত ৰ'টাভাইৰাছ সংক্ৰমণৰ বাবেই উইণ্টাৰ ডায়েৰিয়া বা শীতকালিন অতিশাৰ ৰোগ হয়। এই প্ৰৱল অতিশাৰ ৰোগত আনকি এণ্টিবায়'টিক ঔষধেও কোনো কাম নিদিয়ে। এই ৰোগৰ লক্ষণবোৰ হ'ল, শিশুটিৰ বাৰে বাৰে পনীয়া পায়খানা হোৱা, বমি হোৱা বা ওকালি অহা আৰু অত্যধিক বমি বা পানী পায়খানা হ'লে শিশুটিয়ে খোৱা-বোৱা ত্যাগ কৰা তথা দুৰ্বল হৈ পৰা বা প্ৰস্ৰাৱৰ মাত্ৰা হ্ৰাস পোৱা। এই লক্ষণে শৰীৰত পানীৰ পৰিমাণ কমাৰো ইংগিত দিয়ে।

**প্ৰতিকাৰ**

⇨ শীতকালিন ডায়েৰিয়াৰ পৰা ৰক্ষাৰ উত্তম উপায় হ'ল ৰ'টাভাইৰাছ ভেক্সিনেছন। বেজী নোলোৱাকৈ অ'ৰেল ড্ৰ'পৰ দ্বাৰাও এই ভেক্সিনেছন সহজে ল'ব পাৰি।

⇨ শিশুক জলশূন্যতাৰ পৰা ৰক্ষা কৰিবলৈ অ' আৰ এছ অতি উত্তম। ইয়াৰ প্ৰয়োগৰ দ্বাৰা ৯৫-৯৭ শতাংশ অতিশাৰ ৰোগীক জলশুষ্কতাৰ ৰক্ষা কৰিব পাৰি। ইয়াৰ ফলত হাস্পতালত ভৰ্তি হোৱা বা মৃত্যুৰ হাৰ ৫০ শতাংশ পৰ্যন্ত হ্ৰাস পায়।

⇨ ডায়েৰিয়া হ'লে অভিভাৱকে নিজেই এণ্টিবায়'টিক বা অন্য ঔষধ শিশুক খাবলৈ দিয়াৰ পৰিৱৰ্তে শিশুৰোগ বিশেষজ্ঞৰ কাষ চাপিব লাগে।

⇨ ভিটামিন 'এ' আৰু জিংক থেৰাপীৰে শিশুৰ ৰোগ প্ৰতিৰোধক ক্ষমতা বৃদ্ধি কৰিব পাৰি।

⇨ শিশুক ছমাহলৈকে একমাত্ৰ স্তনপান কৰোৱাটো অতি উপকাৰী।

⇨ ডায়েৰিয়াৰ সময়ছোৱাতো শিশুৰ স্তনপান বা খোৱা-বোৱা অব্যাহত ৰাখিব। এইবোৰৰ পৰা আঁতৰি থাকিলে শিশুটিয়ে দুৰ্বলতা বা পুষ্টিহীনতাত ভুগিব পাৰে।

⇨ ডায়েৰিয়া হ'লে ৮০-৯৫ শতাংশ কাৰ্ব'হাইড্ৰেট আৰু ৭০ শতাংশ ফেট সহজে হজম হয়। সেয়ে ডায়েৰিয়া হ'লে শিশুটিক পুষ্টিহীনতাৰ পৰা ৰক্ষা কৰিবলৈ এইবোৰ সেৱন কৰিবলৈ দিব পাৰি।

⇨ শিশুক গাখীৰৰ বটলৰ পৰা দূৰত ৰাখিব।

⇨ পানী সদায় উতলাই বা ফিল্টাৰ কৰিহে খাবলৈ দিব।

⇨ শিশুৰ শৰীৰত জলশূন্যতাৰ লক্ষণ দেখিলে বা অতিমাত্ৰা বমি*পানী পায়খানা হ'লে ততালিকে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰিব।

## শুকান চুলিৰ পৰা ৰক্ষা



শীতত চুলিৰ স্বাস্থ্যৰক্ষাও বৰ জৰুৰী। শীতকালত কেৱল গাৰ ছালেই যে শুকান হয়, সেয়া নহয়। লগতে ধুনীয়া কেশৰাজিও শুষ্ক হৈ পৰিব পাৰে।ঠাণ্ডা বতৰৰ শুকান বতাহৰ বাবে চুলি ৰুক্ষ আৰু নিৰ্জীৱ হৈ পৰে। শুকান হৈ পৰাৰ বাবেই শীতকালত চুলিৰো পুষ্টিৰ প্ৰয়োজন যথেষ্ট বেছি। কিন্তু ইয়াৰ পৰা ৰক্ষাৰ উপায় কি? অথচ ইয়াৰ সমাধানো আপোনাৰ হাততে আছে।

⇨ এভোকাডো নামৰ নাচপতি জাতীয় ফলবিধৰ বীজটো বাহিৰ কৰি সাহখিনিৰ এটা পেষ্ট তৈয়াৰ কৰক। সেই পেষ্টত কণী সানি লৈ চুলিত লগাওক। ২০ মিনিট সময় তেনেদৰে থাকি হাতেৰে মসৃণভাৱে মালিছ কৰি ধুই পেলাব। এই কাৰ্য সপ্তাহত এবাৰ কৰিব।

⇨ চুলি অতিশয় শুকান হৈ পৰিলে মাখন ব্যৱহাৰ কৰি চাব পাৰে। প্ৰথমে সামান্যভাৱে গৰম কৰি মাখনখিনি গলাই লওক। তাৰ পাছত চুলিত সানক। মাখনখিনি সানি কিছসময় শ্বাৱাৰ কেপ পিন্ধি থাকক। তাৰ পাছত ছেম্প্যু দি ধুলে চুলিয়ে সতেজতা ঘূৰাই পাব।


⇨ অলিভ অইল চুলিৰ বাবে অত্যন্ত উপকাৰী। কাঁচৰ বাটি এটাত অলিভ অইল লৈ সামান্য গৰম কৰক। অৱশ্যে উতলিবলৈ নিদিব। তেলখিনি মালিছ কৰি মূৰত সানি লৈ এটা প্লাষ্টিকৰ বেগেৰে চুলিখিনি বান্ধি লওক। প্লাষ্টিকৰ বেগৰ ওপৰতে এখন টাৱেল মেৰিয়াই থওক। ৪৫ মিনিট সেইদৰে থাকি চুলিখিনি ধুব।

⇨ শীতকালৰ আন এটা সমস্যা হ'ল উঁফি। শৰীৰৰ ছালৰ দৰে আমাৰ মূৰৰ ছালো তৈলাক্ত হ'ব পাৰে। তেতিয়াই উঁফিৰ প্ৰভাৱ দেখা যায়। শীতকালত এই উঁফি প্ৰকট হৈ উঠে। সেয়ে একাপ বগা ভিনেগাৰ আৰু একাপ গৰম পানী মিহলাই লওক। সেইখিনিৰে মূৰত সামান্যভাৱে মালিছ কৰাৰ দৰে সানিব। তাৰপাছত কেৱল পানীৰে চুলি ধুব। চুলি ধোৱাৰ ১৫ মিনিটৰ পাছতহে ভালদৰে গা ধুব। এই কাৰ্য প্ৰতি সপ্তাহত কৰিলে উঁফি দূৰ হ'ব।

⇨ নিমপাত বটি লৈ চুলিত হেনা কৰাৰ দৰে সানিব পাৰে। অথবা, দুই মুঠি নিমপাত পাঁচ কাপ পানীত গোটেই নিশা তিয়াই থৈ দিয়ক। পুৱা সেই পানীৰে মূৰৰ ছালত ভালদৰে মালিছ কৰিব। সেইদৰেও উঁফিৰ সমস্যা দূৰ হ'ব।

⇨ চুলি তৈলাক্ত হৈ পৰিলে ধূলিও লাগি ধৰে। সেয়ে নিয়মিতভাৱে চুলিত ছেম্প্যু দিব। ছেম্প্যুৰ স'তে এচামুচ কাজিনেমুৰ ৰস আৰু এচামুচ এল'ভেৰা (চালকুঁৱৰী)ৰ জেল মিহলাই ল'লে তৈলাক্ত চুলিৰ সমস্যা দূৰ হ'ব।

## সন্তানহীনতাৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ



অস্বাস্থ্যকৰ খাদ্যাভ্যাস আৰু জীৱন শৈলীৰ বাবে আজিকালি সন্তানহীনতাৰ সমস্যাই গা কৰি উঠিছে। পূৰ্বৰ তুলনাত এতিয়া সন্তানহীনতাৰ সমস্যাত ভোগা লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। কিছুমানে আই ভি এফ আদিৰ জৰিয়তে গৰ্ভধাৰণৰ চেষ্টা চলাই যদিও সাফল্য অৰ্জনত ব্যৰ্থ হৈ হতাশাত ভোগে। দৈনন্দিন জীৱনযাপন অথবা চিন্তাৰ মাজেদি দিনটো অতিবাহিত কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। সন্তানহীনতাৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলা দুয়োগৰাকীয়ে সমানেই দায়ী। সাধাৰণতে এনে সমস্যাৰ সৃষ্টি হ'লে প্ৰথমে মহিলা গৰাকীকেই দোষ জাপি দিয়া পুৰুষক ইয়াৰ পৰা আঁতৰাই ৰাখে। শেহতীয়াভাৱে গৱেষকসকলে সন্তানহীনতাৰ ক্ষেত্ৰত পুৰুষ-মহিলা সমানেই দায়ী বুলি উল্লেখ কৰিছে। বিশেষকৈ আধুনিক জীৱন-যাপন আৰু খাদ্যাভ্যাসকে ইয়াৰ বাবে দায়ী বুলি উল্লেখ কৰিছে। গৰ্ভধাৰণৰ পূৰ্বে পুষ্টিকৰ আহাৰ গ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ বিষয় বুলি উল্লেখ কৰিছে। পুষ্টিকৰ খাদ্য গ্ৰহণ আৰু শৰীৰৰ ওজন মাপ (বি এম আই) সঠিক হ'বই লাগিব। এই সময়ত মহিলাৰ ওজন স্বাভাৱিক কৰি ৰখাৰ উপৰি আয়ৰণ, ফলিক এচিড আৰু ভাৰসাম্য মাইক্ৰ' আৰু মেক্ৰো নিউট্ৰিয়েণ্ট গ্ৰহণ কৰিবই লাগিব। যদিহে উপযুক্ত পৰিমাণে খাদ্য গ্ৰহণ কৰে তেতিয়াহ'লে গৰ্ভধাৰণৰ নমাহ বিশেষ সমস্যাৰ সৃষ্টি নহ'ব।

এই ক্ষেত্ৰত অৰ্থাৎ সন্তানহীনতাৰ সমস্যা আঁতৰ কৰাৰ ক্ষেত্ৰত পুৰুষৰ খাদ্যাভ্যাষ তথা জীৱনশৈলীও সঠিক হ'বই লাগিব। পুৰুষ যদি মেদবহুল হয় বা শৰীৰৰ ওজন বেছি হয় তেতিয়াহ'লে হৰম'নৰ ভাৰসাম্যহীন অৱস্থাই বীৰ্যৰ গুণগত মানৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সেইবাবে এণ্টি অক্সিডেণ্ট সমৃদ্ধ খাদ্য, ভিটামিন আৰু খনিজ পদাৰ্থসমৃদ্ধ খাদ্য নিয়মীয়াকৈ গ্ৰহণ কৰা উচিত।

মহিলাসকলে এই সময়ত বিভিন্ন ধৰণৰ খাদ্য গ্ৰহণ কৰা উচিত। বিশেষকৈ গৰ্ভাৱস্থাত মহিলাসকলে অতিৰিক্ত উপকাৰিতাৰ বাবে ফলিক এচিড সমৃদ্ধ খাদ্য গ্ৰহণ কৰিব লাগে। মুঠ খাদ্যৰ এক চতুৰ্থাংশ শস্য আৰু চিৰিয়েল হ'ব লাগে। এনেদৰে খাদ্য গ্ৰহণ কৰিলে বিশেষ ধৰণৰ সমস্যাৰ সৃষ্টি হোৱাৰ আশংকা নাথাকে। এনে মহিলাই যদি সেউজীয়া শাক-পাচলি নিৰ্দিষ্ট পৰিমাণে গ্ৰহণ কৰে তেতিয়াহ'লে সুফল পোৱা যায়। দৈনন্দিন খাদ্য তালিকা সেউজীয়া শাক-পাচলিৰ উপৰি কমলা টেঙা; ষ্টাৰ্চৰ উপৰি কমেও তিনি-চাৰিবিধ শাক-পাচলি খাব লাগে। তদুপৰি বতৰৰ ফলো খোৱা উচিত।

আনহাতে, পুৰুষ মহিলা সকলোৱে সন্তান জন্ম দিব পৰা ক্ষমতা বৃদ্ধি কৰিবলৈ কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগিব। নিয়মীয়াকৈ চি-কেৰোটিনৰ বাবে গাজৰ, কোমোৱা, স্কোৱাছ আদি খাব লাগে তদুপৰি তিল, কোমোৱা, দাইল আদি খালে সুফল পোৱা যায়। ছেলেনিয়ামৰ বাবে পালেং শাক, সূৰুযমুখী বীজ, চেলমন আদি খাব লাগে। নিতৌ যদি সম্ভৱ হয় ভিটামিন 'ই' লাভ কৰিবলৈ এমণ্ড ব্ৰকেলি আদি খালেই হয়।

গৰ্ভৱতী মহিলাসকলে নিতৌ ফলিক এচিড গ্ৰহণ কৰিলে শিশুৰ নিউৰেল টিউব শক্তিশালী হ'ব। পৰৱৰ্তী সময়ত মস্তিষ্ক আদিও পৰিণত হয়।

যিসকল পুৰুষ-মহিলাই নিয়মীয়াকৈ ধূমপান কৰে তেওঁলোকৰ সমস্যাই গা কৰি উঠাৰ পূৰামাত্ৰে আশংকা থাকে। কাৰণ চেইনস্মোকাৰৰ বীৰ্যৰ গুণ বহু পৰিমাণে নিম্নমানৰ হয়।

গৰ্ভধাৰণৰ পৰিকল্পনা কৰা মহিলাসকলে ভিটামিন 'ডি' গ্ৰহণত গুৰুত্ব প্ৰদান কৰা উচিত। গৰ্ভাশয় আৰু এণ্ডোমেট্ৰিয়ামৰ উৰ্বৰতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। এইবিধ ভিটামিনৰ উৎস হ'ল কণীৰ কুহুম, গাখীৰ; কমলা টেঙাৰ ৰস।



## শীতৰ মৌ

শৰীৰৰ কাৰণে মৌ ৰসক অতি লাগতীয়াল আখ্যা দিয়া হয়। শৰীৰ সুস্থ-সবল আৰু নিৰোগী হৈ থকাৰ ক্ষেত্ৰত মৌৱে বিশেষ ভূমিকা গ্ৰহণ কৰে। সেয়ে আয়ুৰ্বেদত মৌক অমৃতৰ আখ্যা দিয়া হৈছে। সকলো বতৰতে মৌ আমাৰ শৰীৰৰ বাবে উপযোগী। কিন্তু শীতকালত মৌৰ ব্যৱহাৰ বিশেষভাৱে লাভজনক। শীতকালত শৰীৰত বিভিন্ন সমস্যাই দেখা দিয়ে। কিন্তু মৌৰ ব্যৱহাৰে শৰীৰৰ শক্তি বৃদ্ধি কৰে।

⇨ গাখীৰত চেনিৰ পৰিৱৰ্তে মৌ মিহলাই খালে গেছ নহয় আৰু পেটৰ পেলুও ওলাই যায়।

⇨ ৰক্তচাপ বৃদ্ধি পালে নহৰুৰ স'তে মৌ খালে বিশেষ লাভ হয়।

⇨ নিয়মিতভাৱে মৌ সেৱন কৰিলে মাংসপেশী সবল হয়। মৌ খালে পাচন তন্ত্ৰও সবল হয়।

⇨ মৌ সদায় খালে দৃষ্টিশক্তি প্ৰখৰ হয়। চকু উজ্জ্বল হয় আৰু সুস্থ হৈ থাকে।

⇨ শীতল পানীত মৌ মিহলাই নিতৌ সেৱন কৰিলে গাৰ ৰং উজ্জ্বল হয় আৰু ছাল মসৃণ হয়। মুখমণ্ডলত কান্তিৰ আভা বিয়পি পৰে।

⇨ ছাল সম্পৰ্কীয় ৰোগ হ'লে বা জ্বলা-পোৰা বা কাটিলে মৌৰ ৰস সানিব। তৎক্ষণাত উপকৃত হ'ব।

⇨ গাখীৰৰ স'তে সদায় ২৫ গ্ৰাম মৌ খাব। শৰীৰে পৰ্যাপ্ত শক্তি লাভ কৰিব।

⇨ নিশা শোৱাৰ পূৰ্বে গাখীৰত মৌ মিহলাই খালে টোপনি সুন্দৰ হয়।

⇨ সদায় মৌ খালে পেটৰ সৰু-সুৰা ঘা আৰু আৰম্ভণি অৱস্থাৰ আলচাৰ ভাল হ'ব পাৰে। সেইক্ষেত্ৰত গাখীৰ বা চাহৰ স'তে মৌ খাব লাগে।

## হজমজনিত সমস্যাৰ পৰা বাচিবলৈ



আমাৰ দৈনন্দিন খাদ্যসমূহৰ মাজতে লুকাই থকা খাদ্যৰ পৰাই দেখা দিয়ে নানা ধৰণৰ পৰিপাকজনিত সমস্যাই। পাকস্থলীক সুস্থ ৰাখিবলৈ আৰু হজমজনিত সমস্যাক দূৰত ৰাখিবলৈ কেতবোৰ খাদ্য গ্ৰহণৰ পৰা বিৰত থকাৰ অভ্যাস গঢ়ি তুলিব লাগিব।

**দুগ্ধজাত খাদ্য**

প্ৰায় সকলোবোৰ দুগ্ধজাত খাদ্যতে থাকে কেছেইন নামৰ এবিধ প্ৰ'টিন, যি প্ৰধানকৈ ছানা জাতীয় উপাদান। এই প্ৰ'টিনবিধ অতি উচ্চমাত্ৰাৰ এলাৰ্জিক আৰু প্ৰদাহ সৃষ্টিকাৰী। প্ৰাণীজ গাখীৰৰ এই উপাদানবিধৰ বাবেই শৰীৰত চৰ্বিৰ মাত্ৰা বৃদ্ধি পায়। ইয়াৰ উপৰি গাখীৰত থকা লেক্টোজ আৰু কাৰ্ব'হাইড্ৰেট সহজে হজমযোগ্য নহয়। বিশেষকৈ যিসকলে লেক্টোজ সহ্য কৰিব নোৱাৰে, তেওঁলোকৰ ক্ষেত্ৰত গাখীৰ আৰু দুগ্ধজাত খাদ্যই হজমজনিত সমস্যাৰ সৃষ্টি কৰে।

**গ্লুটেন**

ময়দা, আটা, চুজি, বাৰ্লি আদিত থকা প্ৰ'টিন কণাক গ্লুটেন বুলি কোৱা হয়। প্ৰধানকৈ এই গ্লুটেন হজম হোৱাত সময় লাগে, কাৰণ পাকস্থলীত গ্লুটেন ভাঙিবলৈ বহু বেছি সময়ৰ প্ৰয়োজন হয়। ইয়াৰ ফলত পাকস্থলীৰ কাৰ্যকাৰিতা বহুলাংশে ক্ষতিগ্ৰস্ত হয়। ফলত পাউৰুটি, ৰুটি, কে'ক বা চুজিৰ হালুৱা খোৱাৰ পাছত বহুতৰে পেট ফোলাৰ ভাব হয়। সেই ক্ষেত্ৰত গ্লুটেনমুক্ত খাদ্য গ্ৰহণৰ প্ৰতি গুৰুত্ব দিব লাগিব।

**চেনি**

যিসকলৰ হজমজনিত সমস্যা আছে, তেওঁলোকে চেনি বা চেনিযুক্ত খাদ্যৰ পৰা যথাসম্ভৱ দূৰত থকাই শ্ৰেয়। চিপ্‌ছ, কেণ্ডি, কে'ক প্ৰভৃতি খাদ্যত উচ্চমাত্ৰাত চেনি থকাৰ বাবে এইবোৰ খাদ্যই পাকস্থলীত প্ৰদাহৰ সৃষ্টি কৰে। কাৰণ চেনিয়ে ক্ষতিকাৰক বেক্টেৰিয়াক উজ্জীৱিত কৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস কৰে। ফলত পেটৰ সমস্যাসমূহ চেনি বা মিঠাযুক্ত খাদ্যই বহু পৰিমাণে বৃদ্ধি কৰে।

**খাদ্যৰ ৰং**

বৰ্তমান সময়ত অধিকাংশ ফাষ্টফুডক লোভনীয় কৰি তোলাৰ বাবে বিভিন্ন ধৰণৰ ৰং ব্যৱহাৰ কৰা হয়। এই ৰংবোৰ স্বাস্থ্যৰ পক্ষে নিৰাপদ আৰু জৈৱিক বুলি দাবী কৰা হয় যদিও এই ৰংসমূহে পাকস্থলীত নেতিবাচক প্ৰভাৱ পেলায়। কাৰণ এই ৰং প্ৰস্তুত কৰাৰ সময়ত ইয়াত বিভিন্ন ধৰণৰ কেমিকেল উপাদান প্ৰয়োগ কৰা হয়। এই ৰংসমূহে প্ৰধানকৈ শৰীৰৰ শক্তি সৃষ্টিৰ প্ৰক্ৰিয়াক মন্থৰ কৰে আৰু ক্ষেত্ৰবিশেষে প্ৰদাহ সৃষ্টি কৰে।

**ছুইটনাৰ**

চেনি যিহেতু পাকস্থলীৰ বাবে ক্ষতিকাৰক, সেয়ে বহুতে চেনিৰ পৰিৱৰ্তে অন্যান্য ছুইটনাৰ খাদ্যত ব্যৱহাৰ কৰিব পাৰি বুলি ধাৰণা কৰে। কিন্তু এই ধাৰণাও বিপজ্জনক। কিয়নো কৃত্ৰিম ছুইটনাৰৰ গ্লাইচেমিক ইনডে' বহু বেছি হোৱাৰ ফলত হজম হ'বলৈ অনেক দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়। যাৰ পৰা ব্লটিং (পেট ফোলা ভাব) আৰু গেছৰ সমস্যাই দেখা দিয়ে। ছুইটনাৰৰ পৰিৱৰ্তে মৌ বা খেজুৰৰ পেষ্ট ব্যৱহাৰ কৰিব পাৰে।

**দাইল আৰু শস্য**

এনে বহু লোক আছে যি দাইল আৰু শস্য জাতীয় খাদ্য একেবাৰে খাব নোৱাৰে। এনে খাদ্যৰ বাবে পেটৰ সমস্যাৰ লগতে গেছৰ সমস্যাই দেখা দিয়ে। কাৰণ দাইল আৰু শস্যত থাকে ছেপ'নিন্‌ছ আৰু লেক্টিন্‌ছ নামক উপাদান। এই উপাদানে প্ৰদাহৰ সৃষ্টি কৰি হজমজনিত সমস্যা তৈয়াৰ কৰে।

## শীতৰ পুৱাই কেঁচা বুট-বাদাম খালে ...

শীতৰ সময়ত পুৱাই বহুতে বুট-বাদাম তিয়াই খায়। তেওঁলোকৰ এনে অভ্যাসৰ ফলত শৰীৰৰ উপকাৰ-অপকাৰ দুয়োটাই হোৱা দেখা যায়। নিশা বুট-বাদাম তিয়াই থৈ পুৱা খালে যে দিনটোৰ বাবে উপকাৰ হয় সেয়া সকলোৱে জ্ঞাত। বুটত প্ৰচুৰ পৰিমাণে প্ৰ'টিন থকাৰ লগতে বাদামতো শৰীৰৰ বাবে উপকাৰী বহুতো উপাদান পোৱা যায়। বহুতে বাকলিসহ বুট-বাদাম খায়। তদুপৰি আন একাংশই আকৌ বাকলি গুচাইহে বুট-বাদাম খোৱাৰ অভ্যাস। দুয়োবিধৰ ক্ষেত্ৰত পিছে বাকলিসমৃদ্ধ বুট আৰু বাদাম বেছি উপকাৰী বুলি কয়। বাকলি থকা বুটত ভিটামিন, ফাইবাৰ আৰু প্ৰ'টিন থাকে বেছি পৰিমাণে। বুটত চৰ্বিৰ পৰিমাণ কম। যিসকলে শৰীৰৰ ওজন হ্ৰাস কৰিব খোজে তেওঁলোকে পুৱাই উঠি পানীত তিয়াই থোৱা বুট খাব পাৰে। তদুপৰি ক'লেষ্টেৰল আৰু উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণত থাকে। ইয়াত থকা বিভিন্ন উপাদানে শৰীৰটোক ভিতৰি ভিতৰি শক্তিশালী কৰে।

বুটৰ নিচিনাকৈ বাদামতো প্ৰচুৰ পৰিমাণে প্ৰ'টিন পোৱা যায়। ফাইবাৰ আৰু চৰ্বি দুয়োবিধেই ইয়াত থাকে বাবে নিয়মীয়াকৈ এইবোৰ খালে উপকাৰ পোৱা যায়। পানীত তিয়াই থোৱা বাদামতো প্ৰচুৰ পৰিমাণে ভিটামিন থাকে। যিসকল লোকৰ ছালখন শুষ্ক বা শুকান তেওঁলোকে নিয়মীয়াকৈ এনেধৰণৰ বাদাম খাব পাৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে ২০-৩০ গ্ৰাম বুটত ১০০ গ্ৰাম কেলৰি পোৱা যায়। বাদামতো সমানেই কেলৰি থাকে। সেইবাবে অতিৰিক্ত পৰিমাণে বুট আৰু বাদাম খালে শৰীৰৰ ওজন বৃদ্ধিৰ আশংকা নুই কৰিব নোৱাৰি।

দেওবৰীয়া দৈনিক
অগ্রদূত
ক্রীড়াভূমি/ক্রীড়াভূমি
গুৱাহাটী, ১৬ জানুৱাৰী ২০২২
দেওবাৰ, পৃষ্ঠা ১৫






ইণ্ডিয়া অপেনত পি ভি সিন্ধু-লক্ষ্য সেন।

### যৱনিকা পৰিল ভাৰতীয় ক্রিকেট দলক নেতৃত্ব দিয়াৰ সাত বছৰীয়া কেৰিয়াৰৰ

# টেষ্ট দলৰো অধিনায়ক পদ এৰিলে বিৰাটে

## পূৰ্বে ত্যাগ কৰিছিল এদিনীয়া,টি-২০ ৰ নেতৃত্ব

**কেপটাউন, ১৫ জানুৱাৰী ঃ** ভাৰতীয় ক্রিকেট দলৰ অধিনায়ক বিৰাট কোহলিয়ে টেষ্ট দলৰ নেতৃত্বৰ পৰাও আজি আনুষ্ঠানিকভাৱে পদত্যাগ কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে তিনিখনীয়া টেষ্ট শংখলা হেৰুওৱাৰ পাছতে আজি টেষ্ট দলৰ অধিনায়ক পদ এৰিছে বিৰাটে। ছ'ছিয়েল মিডিয়াযোগে নিজৰ সিদ্ধান্তৰ কথা অৱগত কৰে বিৰাটে। আনহাতে, প্রাক্তন প্রশিক্ষক ৰবী শাস্ত্রী, বি চি চি আই, সতীর্থ খেলুৱৈ-সহকাৰী প্রশিক্ষক সকলোকে সহায়ৰ বাবে ধনাবাদ জনাইছে। ইয়াৰপূৰ্বে বিৰাটে আই চি চি টি-২০ বিশ্বকাপৰ পাছতে টি-২০ ৰ অধিনায়ক পদৰ পৰা দায়িত্ব এৰিছিল, তদুপৰি দক্ষিণ আফ্রিকা ভ্রমণৰ সময়ত বি চি চি আয়ে এদিনীয়া দল ঘোষণা কৰি কোহলিক ৫০ অভাৰৰ খেলৰ নেতৃত্বৰ পৰা আঁতৰাইছিল। আজি কোহলিয়ে টেষ্ট দলৰ নেতৃত্বৰ পৰাও আনুষ্ঠানিকভাৱে পদত্যাগ কৰি কাৰ্যতঃ ভাৰতীয় দলৰ নেতৃত্বৰ সাত বছৰীয়া কেৰিয়াৰৰ অন্ত পেলালে। স্মৰ্তব্য যে ২০১৪ ৰ ভাৰতীয় দলৰ অষ্ট্রেলিয়া ভ্রমণৰ সময়ত টেষ্ট শৃংখলাৰ মাজতে তেতিয়াৰ অধিনায়ক এম এছ ধোনিয়ে টেষ্ট দলৰ নেতৃত্ব ত্যাগ কৰাত বিৰাটে প্রথমবাৰৰ বাবে টীম ইণ্ডিয়াৰ অধিনায়ক পদ লৈছিল। ভাৰতীয় টেষ্ট দলক বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানত উন্নীত কৰা কোহলিয়ে কিন্তু অধিনায়ক হিচাপে এটা আই চি চি ট্রফী লাভ কৰিবলৈ সক্ষম নহ'ল। অৱশ্যে টেষ্টত অধিনায়ক বিৰাটৰ সফলতা অনবদ্য। ৬৮ খন টেষ্টত ভাৰতীয় দলক নেতৃত্ব দিয়া বিৰাটে ৪০ খনতে জয়লাভ কৰাৰ বিপৰীতে ১১ খন ড্র কৰিছে আৰু ১৭ খনত পৰাস্ত হৈছে। উল্লেখ্য যে ৰোহিত শৰ্মাক ইতিমধ্যে টি-২০ আৰু এদিনীয়াৰ অধিনায়কৰ দায়িত্ব দিছে বি চি চি আয়ে। আনহাতে, টেষ্টৰো সহঃঅধিনায়ক পদত আছে ৰোহিত। বিৰাটে পদত্যাগ কৰাত এতিয়া টেষ্ট দলৰো অধিনায়ক হ'ব ৰোহিত।





## সদৌ অসম ছাব-জুনিয়ৰ বক্সিং স্থগিত

অগ্রদূত বাৰ্তা

**দেৰগাঁও, ১৫ জানুৱাৰী ঃ** অহা ১৮ জানুৱাৰীৰ পৰা ২১ জানুৱাৰীলৈ অনুষ্ঠিত হব লগা ৪২ সংখ্যাক সদৌ অসম ছাব জুনিয়ৰ বক্সিং প্রতিযোগিতাখন সম্প্রতি ৰাজ্যত দেখা দিয়া ক'ভিড পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি স্থগিত ৰখা হৈছে বুলি আয়োজক সমিতিয়ে জানিব দিয়ে। পৰিবেশ স্বাভাৱিক হ'লে আয়োজক সমিতিয়ে পৰবৰ্তী সময়ত খেল অনুস্থিত কৰিব।

## ৰহাৰ ধীৰাজ ইলেভেন কোৱাৰ্টাৰত

অগ্রদূত বাৰ্তা

**বেবেজীয়া, ১৫ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্রাইজমানি ক্রিকেট প্রতিযোগিতাৰ আজিৰ খেলত ৰহাৰ ধীৰাজ ইলেভেনে নগাঁৱৰ এফ.এম.বি.ইলেভেন ষ্টাৰক এক উইকেটত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্রৱেশ কৰিছে। দ্বিতীয় ৰাউ গুৰ খেলখনত এফ.এম.বি.ইলেভেন ষ্টাৰে টছত জিকি পোনতে বেট ধৰি ১৫ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ সংগ্রহ কৰে। প্রত্যুত্তৰত ৰহাৰ ধীৰাজ ইলেভেন দলে ১৫ অভাৰত নটা উইকেটৰ বিনিময়ত ১১২ ৰাণ সংগ্রহৰে বিজয় লক্ষ্যত উপনীত হয়।

### তৃতীয় টেষ্টত সাত উইকেটত পৰাস্ত ভাৰত ঃ বেটিং-বলিং-ফিল্ডিঙত ব্যৰ্থতা টীম ইণ্ডিয়াৰ

# শৃংখলা ২-১ ত দখল দক্ষিণ আফ্রিকাৰ



**কেপটাউন, ১৫ জানুৱাৰী ঃ** ভাৰতে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে খেলা অন্তিমখন মেচত সাত উইকেটত পৰাস্ত হৈ তিনিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানত হেৰুৱাইছে। উল্লেখ্য যে চলিত শৃংখলাৰ দ্বিতীয়খন টেষ্টত পৰাস্ত হৈ টীম ইণ্ডিয়াই ব্যৰ্থতাৰে আৰম্ভ কৰিছিল নতুন বছৰৰ। আনহাতে, তিনিখনীয়া টেষ্ট শৃংখলা ২-১ ৰ ব্যৱধানত পৰাস্ত হৈ নৱবৰ্ষত আন এটা বিফলতাৰ সন্মুখীন হ'ল ভাৰতীয় ক্রিকেট দল। উল্লেখ্য কেপটাউনত অনুষ্ঠিত হোৱা গান্ধী-মেণ্ডেলা শৃংখলাৰ অন্তিমখন টেষ্ট মেচত ভাৰতে দক্ষিণ আফ্রিকাৰ সন্মুখত ২১২ ৰাণৰ বিজয়লক্ষ্য দিছিল। এই লক্ষ্য অনুসৰণ কৰি ঘৰুৱা দলে দ্বিতীয় ইনিংছত তিনি উইকেট হেৰুৱাই ২১২ ৰাণ কৰি টেষ্টখনত জয়লাভ কৰাৰ লগতে শৃংখলাও দখল কৰে। দক্ষিণ আফ্রিকাৰ হৈ দ্বিতীয় ইনিংছত পীটাৰছেনে ৮২ আৰু ডুছানে ৪১ ৰাণ কৰে। উল্লেখ্য যে টেষ্টখনত পোনতে বেটিং কৰা ভাৰতে মাত্র ২২৩ ৰাণতে সকলো উইকেট হেৰুৱায় প্রথম ইনিংছ সামৰিছিল। কিন্তু পেচ বলাৰ যশপ্রীত বুমৰাহৰ অনন্য বলিঙৰ বাবে ভাৰতে প্রথম ইনিংছত ১৩ ৰাণৰ অগ্রগতি লাভ কৰিবলৈ সক্ষম হৈছিল। ৪২ ৰাণত পাঁচটা উইকেট দখল কৰা বুমৰাহে দক্ষিণ আফ্রিকাক ২১০ ৰাণতে প্রথম ইনিংছ সামৰিবলৈ বাধ্য কৰায়। কিন্তু দ্বিতীয় ইনিংছত ভাৰতে পুনৰ বেটিং ব্যৰ্থতাৰ সন্মুখীন হয় আৰু ১৯৮ ৰাণতে ইনিংছ সামৰে। ভাৰতৰ হৈ ঋষভ পন্টে (১০০ৰ শতক অৰ্জন কৰাৰ বাদে বাকীসকল ব্যৰ্থ হয়। যাৰবাবে দক্ষিণ আফ্রিকাই টেষ্ট আৰু শৃংখলা জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্রিকা আৰু ভাৰতীয় ক্রিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্রথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্রিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্রগতি লৈছিল। কিন্তু দক্ষিণ আফ্রিকাই দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্রত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত ১-১ ত সমতা স্থাপন কৰে। তৃতীয় টেষ্ট শৃংখলা নিৰ্ণায়ক আছিল যদিও ভাৰতৰ বেটিং, ফিল্ডিং আৰু বলিং ব্যৰ্থতাই দলক প্রথমবাৰৰ বাবে দক্ষিণ আফ্রিকাৰ মাটিত টেষ্ট শৃংখলা জয়ৰ সুযোগৰ পৰা বঞ্চিত কৰিলে।

### এছেজ শৃংখলাৰ পঞ্চম টেষ্ট ঃ হেডৰ শতক

# অষ্ট্রেলিয়াৰ বিৰুদ্ধে পুনৰ প্রথম ইনিংছত বেটিং বিপৰ্যয় ইংলণ্ডৰ



**হ'বাৰ্ট, ১৫ জানুৱাৰী ঃ** ইংলণ্ডে এছেজ শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্টতো বেটিং ব্যৰ্থতাৰ সন্মুখীন হৈ বিপদত পৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰা অষ্ট্রেলিয়াই হেডৰ (১০১ৰ শতক তথা গ্রীনৰ ৭৪ ৰাণৰ সহায়ত ৩০৩ ৰাণ কৰে। প্রত্যুত্তৰত, ইংলণ্ডে ১৮৮ ৰাণতে প্রথম ইনিংছ সামৰে। ইফালে, আজি দিনান্তত অষ্ট্রেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনি উইকেট হেৰুৱাই ৩৭ ৰাণ কৰিছে। অষ্ট্রেলিয়াই সামগ্রিকভাৱে ১৫২ ৰাণৰ অগ্রগতি লাভ কৰিছে। উল্লেখ্য যে ক্রমাগত তিনিখন টেষ্টত পৰাস্ত হৈ শৃংখলা হেৰুওৱা ইংলণ্ডে অন্তিম চতুৰ্থ টেষ্টখন ড্র কৰিবলৈ সক্ষম হৈছিল। অষ্ট্রেলিয়াই ইংলণ্ডৰ সন্মুখত ৩৮৮ ৰাণৰ বিজয়লক্ষ্য দিয়াৰ পাছত অন্তিম দিনা ইংলণ্ডে ন উইকেট হেৰুৱাই ২৭০ ৰাণ কৰে আৰু ক্রমাগত চতুৰ্থ পৰাজয় কোনোমতে ৰোধ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ৩-১ ৰ অগ্রগতিৰে ইতিমধ্যে শৃংখলা জয় নিশ্চিত কৰিছে কেংগাৰু বাহিনীয়ে। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্রথম তিনিখন টেষ্টত অষ্ট্রেলিয়াই বিধ্বস্ত কৰিছিল ইংলণ্ডক। অষ্ট্রেলিয়াই শৃংখলাৰ প্রথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ডে ২৭৫ ৰাণত পৰাজয় স্বীকাৰ কৰে। আনহাতে, শৃংখলাৰ তৃতীয়খন টেষ্টত জয়লাভ কৰি ৩-০ ৰ অগ্রগতিৰে শৃংখলা জয় নিশ্চিত কৰিছিল কেংগাৰু বাহিনীয়ে। বক্সিং ডে টেষ্টখনত অষ্ট্রেলিয়াই এক ইনিংছ আৰু ১৪ ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰে।



# ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে আয়াৰলেণ্ডৰ জয়লাভ

**কিংষ্টন, ১৫ জানুৱাৰী ঃ** আয়াৰলেণ্ডে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা চলিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন মেচত ডি এল পদ্ধতিত পাঁচ উইকেটত জয়লাভ কৰিছে। মেচখনত পোনতে বেটিং কৰা ৱেষ্ট ইণ্ডিজে ২২৯ ৰাণতে ইনিংছ সামৰে। কিন্তু বৰষুণৰ বাবে মেচ মাজতে বন্ধ হৈ পুনৰ আৰম্ভ হোৱাত আয়াৰলেণ্ডক জয়ৰ বাবে ৩৬ অভাৰত প্রয়োজন হয় ১৬৮ ৰাণ। আয়াৰলেণ্ডে এই বিজয়লক্ষ্য পাঁচ উইকেট হেৰুৱাই ৩২.৩ অভাৰত পূৰ্ণ কৰে। এই জয়ৰে আয়াৰলেণ্ডে তিনিখনীয়া এদিনীয়া শৃংখলাত ১-১ ত সমতা স্থাপন কৰিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্রথম মেচত জয়ী হৈ ১-০ ৰ অগ্রগতি লৈছিল। কিংষ্টনত অনুষ্ঠিত হোৱা এদিনীয়া শৃংখলাৰ প্রথমখন মেচত ৱেষ্ট ইণ্ডিজে ২৪ ৰাণত পৰাস্ত কৰিছিল আয়াৰলেণ্ডক। পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ২৬৯ ৰাণত ইনিংছ সামৰে। প্রত্যুত্তৰত, আয়াৰলেণ্ডে ২৪৫ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।

### ছেমিত বিদায় সিন্ধুৰ ঃ ফাইনেলত লক্ষ্য

# ইণ্ডিয়া অপেনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত অসমৰ অস্মিতা



**নতুন দিল্লী, ১৫ জানুৱাৰী ঃ** অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৰ বিৰুদ্ধে ২১-৭, ২১-১৮ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত হৈ চলিত য়'নেক্স-ছানৰাইজ ইণ্ডিয়া অপেন আন্তৰ্জাতিক বেডমিণ্টন প্রতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলতে নিজৰ যাত্রা সামৰিলে অসম কন্যা অস্মিতা চলিহাই। উল্লেখ্য যে অসমৰ প্রতিভাবান শ্বাটলাৰ অস্মিতা চলিহাই অঘটন সৃষ্টি কৰি প্রতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছিল। মহিলাৰ একক শাখাৰ প্রথম ৰাউণ্ডৰ মেচত ভাৰতীয় দলক প্রতিনিধিত্ব কৰা অসম কন্যা অস্মিতাই ২৪-২২, ২১-১৬ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে প্রতিযোগিতাৰ পঞ্চম বাচনিৰ ৰাছিয়াৰ শ্বাটলাৰ ইভগেনিয়া ক'ছেটস্কায়াক। উল্লেখ্য যে দীৰ্ঘ দিনৰ পাছত আন্তৰ্জাতিক প্রতিযোগিতা খেলা অস্মিতাই ক'ৰ্টত প্রৱেশ কৰিয়েই প্রত্যাশিত আৰম্ভণি কৰে। দ্বিতীয় ৰাউণ্ডতো নিজৰ ধাৰাবাহিকতা অব্যাহত ৰাখে তাৰকা শ্বাটলাৰগৰাকীয়ে। দ্বিতীয় ৰাউণ্ডত অস্মিতা মুখামুখি হয় ফ্রান্সৰ য়ালি হ'য়াক্সৰ। ২১-১৭, ২১-১৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ফ্রান্সৰ য়ালিক। এই জয়ৰে কোৱাৰ্টাৰ ফাইনেলত প্রৱেশ কৰা অস্মিতাই কিন্তু প্রত্যাশিতভাৱে পৰাস্ত হয় সিন্ধুৰ বিৰুদ্ধে। ইফালে, অস্মিতাক পৰাস্ত কৰি ছেমিফাইনেলত প্রৱেশ কৰা সিন্ধু আজি পৰাস্ত হয়। কিন্তু পুৰুষৰ একক শাখাৰ ফাইনেলত প্রৱেশ কৰে ভাৰতৰ লক্ষ্য সেন।

# প্রতিভাবান খেলুৱৈ হিমাংকৰক সম্বৰ্ধনা

অগ্রদূত বাৰ্তা

**বেবেজীয়া, ১৫ জানুৱাৰী ঃ** আগন্তুক খেল' ইণ্ডিয়া ৰাষ্ট্রীয় ইয়ুথ গেমছৰ কালাৰিপয়েট্টু সমৰকলা খেলত অংশগ্রহণ কৰিবৰ বাবে ৰাজ্যৰ হৈ যোগ্যতা অৰ্জন কৰা নগাঁৱৰ প্রথমগৰাকী কালাৰিপয়েট্টু খেলুৱৈ হিমাংকৰ সাহাক অলপতে এক অনুষ্ঠানত নাইটছ সমৰকলা কেন্দ্রৰ তৰফৰ পৰা অভিনন্দন জনোৱা হয়। ২০১৫ ত স্থাপিত নগাঁৱৰ নাইটচ সমৰকলা কেন্দ্রৰ খেলুৱৈ হিমাংকৰ সাহাক অভিনন্দন জনোৱা উপলক্ষে নগাঁও চহৰৰ আমোলাপট্টিত অৱস্থিত মুখ্য প্রশিক্ষণ কেন্দ্রত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ক্রীড়া সংগঠক পৰাণ কৃষ্ণ ভূএঁা বৰা, ডাঃ সুজয় কুমাৰ দেৱনাথ, নগাঁও মহকুমা ক্রীড়া বিষয়া কৌশিক ৰাজখোৱা, নগাঁও ক্রীড়া সংস্থাৰ সহকাৰী সম্পাদক সমীৰ হাজৰিকা, সমাজকৰ্মী ডাঃধীৰাজ কুমাৰ দাস, ফাদাৰ ষ্টাৰ লাইট এছ.ডি.এছ. আদিৰ উপস্থিতিত খেলুৱৈগৰাকীক শুভেচ্ছামূলক অভিনন্দন জনোৱাৰ লগতে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন প্রতিযোগিতাত সফলতা লাভ কৰা কেন্দ্রটোৰ প্রশিক্ষাৰ্থীসকলকো মানপত্র প্রদান কৰা হয়। অনুষ্ঠানটো আঁত ধৰে মুখ্য প্রশিক্ষক মিণ্টু গোস্বামী আৰু সহযোগী প্রশিক্ষক মৃণাল কুমাৰ মহন্তই। সমৰকলা খেলৰ প্রশিক্ষক হীৰক দাস, কমল বৰা আৰু তন্ময়ী দেৱ চৌধৰীয়েও অনুষ্ঠানটোত ভাগ লয়। সমৰকলা কেন্দ্রটোৰ সভাপতি পৰাণ কৃষ্ণ ভূএঁা বৰা আৰু সম্পাদক মিণ্টু গোস্বামীয়ে জনোৱামতে কালাৰিপয়েট্টু, ভভিনাম, পেঞ্চাক চিলাট, গাডকা, ইউনিফাইট আদি খেলত নিচেই কম দিনতে নগাঁও চহৰকে ধৰি জিলাখনৰ বেবেজীয়া, ৰাইদঙীয়া, ৰূপহী, জুৰিয়া, পুৰণিগুদাম আদি বিভিন্ন স্থানত থকা কেন্দ্রটোৰ শাখাসমূহৰ খেলুৱৈসকলে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পৰ্যায়ৰ সমৰকলা খেলৰ প্রতিযোগিতাত ইতিমধ্যে সন্তোষজনক সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।





# চিন্ময় ইলেভেনৰ খিতাপ অৰ্জন

**অগ্রদূত ব্যুৰ, বঙাইগাঁও, ১৫ জানুৱাৰীঃ** চিৰাং জিলাৰ বিজনী যুৱক সংঘৰ উদ্যোগত আৰু চিৰাং জিলা আৰক্ষী প্রশাসনৰ সহযোগত চলি থকা যোগেন্দ্র চক্রৱৰ্তী, ননী গোপাল চাকলাদাৰ, শ্বেতা ৰয় আৰু মংগলসিং মুছাহাৰী সোঁৱৰণী টি- ২০ ক্রিকেট প্রতিযোগিতাৰ চূড়ান্ত খেলত বিজনীৰ চিন্ময় ইলেভেনে বিজয়ীৰ সন্মান অৰ্জন কৰিছে। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত ফাইনেল খেলখনত বিজনী চিন্ময় ইলেভেনে পশ্চিমবংগৰ হাচিমাৰা বেংগল দুৱাৰ ইলেভেনক ২৯ ৰাণৰ বিনিময়ত পৰাস্ত কৰে। প্রথমে বেট ধৰি বিজনী চিন্ময় ইলেভেনে নিৰ্ধাৰিত ২০ অভাৰত ১৫৪ ৰাণ সংগ্রহ কৰাৰ বিপৰীতে হাচিমাৰা দলে আটাইকেইটা উইকেট হেৰুৱাই মাথোঁ ১২৫ ৰাণ সংগ্রহ কৰে। খেলৰ অন্তত অনুষ্ঠিত বঁটা প্রদান অনুষ্ঠানত বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, চিৰাং জিলাৰ আৰক্ষী অধীক্ষক প্রাণজিত বৰা, বিজনীৰ মহকুমা আৰক্ষী বিষয়া শেখৰজ্যোতি ৰয়, সমাজকৰ্মী অৰূপ কুমাৰ দে প্রমুখ্যে কেবাজনো অতিথি উপস্থিত থাকে। চেম্পিয়ন দলক ট্রফীৰ লগতে নগদ ৪০ হেজাৰ টকা, বিজিত দলত ট্রফী সহ নগদ ২৫ হেজাৰ টকা প্রদান কৰা হয়। প্রতিযোগিতাত মেন অৱ দ্য মেচৰ সন্মান অৰ্জন কৰে বিজয়ী চিন্ময় ইলেভেনৰ নিবিৰ ডেকাই। প্রতিযোগিতাত শ্রেষ্ঠ বেটছমেন হৈছে হাচিমাৰা দলৰ নৱজিত সিং, শ্রেষ্ঠবলাৰ বিজয়ী দলৰ ৰাজদীপ সাহা, শ্রেষ্ঠ ফিল্ডাৰ বিজিত দলৰ চৈয়দ শ্বাহ, শ্রেষ্ঠ শৃংখলাবদ্ধ দল গোৱালপাৰা জলেশ্বৰ ইলেভেন। আয়োজক বিজনী যুৱক সংঘৰ সাধাৰণ সম্পাদক দিপাংকৰ সৰকাৰে বঁটা বিতৰণী অনুষ্ঠান পৰিচালনা কৰে। বিজনী যুৱক সংঘৰ উপদেষ্টা জীৱন সৰকাৰে প্রকাশ কৰা মতে, এইবেলি প্রতিযোগিতাত অসম, বংগৰ মুঠ কুৰিটা দলে যোগদান কৰিছিল।

## আঠটা সোণ-পাঁচটা ৰূপ লাভ

# কাৰাটেত তেজপুৰৰ খেলুৱৈৰ সফলতা লাভ

অগ্রদূত বাৰ্তা

**তেজপুৰ, ১৫ জানুৱাৰী ঃ** হাৰিয়ানাৰ গুড়গাঁও নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা আন্তৰাষ্ট্রীয় কাৰাটে প্রতিযোগিতাত তেজপুৰৰ বিহগুৰিৰ পৰা অংশ গ্রহণ কৰা দলটোৱে বিশেষ পাৰদৰ্শিতা প্রদৰ্শন কৰিবলৈ সক্ষম হৈছে। দলটোৰ খেলুৱৈ সকলে আঠটা সোণৰ আৰু পাঁচটা ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ নিজা শাখাত অবিনাশ শৰ্মা, ময়ুৰজ্যোতি নাথ, বিশাল নাথ, তৃষণা দাস, অভিজিত দাস, প্রিয়ংকা দেৱী, জুমন নাথ আৰু ৰিপুঞ্জয় কাশ্যপে সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে লুকুমণি দেৱী, হিৰকজ্যোতি শৰ্মা, জুমন নাথ, গৌৰৱ বৰা আৰু হিমাশ্রী বৰাই ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, দলটোৰ প্রশিক্ষক হিচাপে আছিল ৰূপকমল নাথ।



সত্যমেৱ জয়তে

অসম চৰকাৰ

# সতৰ্ক থাকক। সুৰক্ষিত থাকক।

## আপোনাৰ সুৰক্ষাৰ বাবে ক'ভিড-১৯ৰ বিৰুদ্ধে আমাৰ যুঁজ।



ডঃ হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

যিহেতু টিকাকৰণ নকৰা লোকসকলৰ আক্ৰান্তৰ হাৰ অধিক আৰু আনকো সংক্ৰমিত কৰাৰ আশংকা অব্যাহত আছে গতিকে কোনো টিকাকৰণ নোহোৱা ব্যক্তিক বৈধ টিকাকৰণ প্ৰমাণপত্ৰ অবিহনে ১৫ জানুৱাৰী, ২০২২ তাৰিখৰ পৰা জাননী নং এএচডিএমএ ২৮/২০২১/৩৪৭ দিনাংক ৭ জানুৱাৰী, ২০২২ অনুসৰি চিকিৎসালয়ৰ বাহিৰে আন কোনো ৰাজহুৱা স্থানত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহ'ব ।



## টিকাকৰণ প্ৰমাণপত্ৰ



একেদৰে হোটেল, মল আৰু অন্যান্য ব্যক্তিগত প্ৰতিষ্ঠানত, টিকাকৰণ নকৰা ব্যক্তিসকলক প্ৰৱেশৰ অনুমতি দিয়া নহ'ব। ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে এয়া সুনিশ্চিত কৰিব আৰু ইয়াক উলংঘন কৰা ব্যক্তি চিনাক্ত হ'লে বৃহৎ জৰিমনা বিহা হ'ব।



যিসকল লোকৰ টিকাকৰণ কৰা হোৱা নাই বা যিসকলে সময় হোৱা স্বত্বেও দ্বিতীয় পালি গ্ৰহণ কৰা নাই তেওঁলোকক চৰকাৰী চিকিৎসালয়/চিচিচিত খাদ্য ব্যয়কে আদি কৰি আন বিনামূলীয়া চিকিৎসাৰ সুবিধা প্ৰদান কৰা নহ'ব।



সকলো চৰকাৰী কৰ্মচাৰী (ঠিকাভিত্তিক আৰু দৰমহা ভিত্তিক) যিসকলে টিকাগ্ৰহণ কৰা নাই বা সময় হোৱা স্বত্বেও দ্বিতীয় পালি গ্ৰহণ কৰা নাই, তেওঁলোকক সম্পূৰ্ণ টিকাকৰণ নোহোৱালৈকে কাৰ্যালয়ত উপস্থিত থাকিবলৈ অনুমতি দিয়া নহ'ব আৰু সেইখিনি সময়ৰ বাবে কোনো দৰমহা/মজুৰিৰ বাবে যোগ্য নহ'ব।



যিসকল এইচচিডব্লিউ/এফএলডব্লিউয়ে যোগ্য হোৱা স্বত্তেও তেওঁলোকৰ সুৰক্ষাসূচক পালি গ্ৰহণ নকৰে, তেওঁলোকক সেৱা/দাবী মজুৰি/দৰমহা প্ৰদান কৰিবলৈ অনুমতি দিয়া নহ'ব।

NHM/D/2021-22/281

**যিসকলে তেওঁলোকৰ দ্বিতীয় পালি ক'ভিড টিকাকৰণৰ বাবে যোগ্য তেওঁলোকে তেওঁলোকৰ নিকটতম চিভিচিত টিকা গ্ৰহণ কৰি ক'ভিড-১৯ৰ বিৰুদ্ধে তেওঁলোকৰ সুৰক্ষা সম্পূৰ্ণ কৰিব লাগে।**

## প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ



সঠিকভাৱে মাস্ক পৰিধান কৰক



চেনিটাইজাৰ ব্যৱহাৰ কৰক




শাৰীৰিক ব্যৱধান মানি চলক



হাত ধোৱক



টিকা গ্ৰহণ কৰক